# ASSAM LEGISLATIVE ASSEMBLY DEBATES

REFERENCE,
NOT FOR ISSUE
READING ONLY INSIDE LIBR...

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION, 1992

## NO. 8

The 20th March, 1992,

Price— 16.60

REFERENCE
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# CONTENTS

## BUDGET SESSION

No.— 8

Dated, the 20th March 1992

| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 – 47 |
| 2. | Discussion During Zero Hour | 47—50 |
| 3. | Adjournment Motion | 51—63 |
| 4. | Call Attention Notice | 63—65 |
| 5. | Matter Under Rule 301 | 66—77 |
| 6. | General Discussion on the Budget | 77– 81 |
| 7. | Adjournment | 81 |
| 8. | Annexure—I, II, and III. | 82—87 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday the 20th March, 1992.

The House met at 8-30 A.M. of the Clock in the Assembly Chamber, at Dispur with Shri Jiba Kanta Gogoi Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To Which Oral Answers were given)

Mr. Speaker: Starred question No. 121.

**Re: Supply of ration.**

Shri Samarendra Nath Sen asked -

*121 Will the Minister of Social Welfare be pleased to state:

(a) Whether the Government is aware that the inmates of Destitute Home, Silchar have been living in a precarious condition because of inadequate supply of ration and also for damaged buildings?

(b) If so, What steps Government is taking and that too within how many days?

Shri Kul Bahadur Chetri, (Minister, Social Welfare.) replied:

(a) It is not a fact that the supply of rations to the inmates of the Central Destitute Home, Silchar is

* Speech not corrected.

inadequate. It is a fact that most of the buildings of C.D. Home requires repairs.

(ক) শিলচৰ কেন্দ্ৰীয় নিৰাশ্ৰয় গৃহত থকা লোকসকলৰ বাবে অপৰ্য্যাপ্ত খাদ্য সামগ্ৰীৰ যোগান ধৰা কথাটো সঁচা নহয়। এইটো কথা সঁচা যে উক্ত কেন্দ্ৰীয় নিৰাশ্ৰয় গৃহত বহুতো মেৰামতিৰ আৱশ্যক আছে।

(b) It has not been possible to repair all the buildings due to inadequate budget provision for which a huge amount will be required. However, repairs are being carried out from time to time on priority basis.

(খ) বাজেটত যথেষ্ট পৰিমানৰ ধন নথকাৰ কাৰণে সকলোবোৰ ঘৰ মেৰামতি কৰিব পৰা হোৱা নাই। তথাপিও সময়ে সময়ে অগ্ৰাধিকাৰ ভিত্তিত মেৰামতিৰ কাম কৰি থকা হৈছে।

* Shri Samarendra Nath Sen : May I know from the Honourable Minister how many families are living in the Destitute Home at Silchar ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, শিলচৰত থকা কেন্দ্ৰীয় নিৰাশ্ৰয় গৃহত ২৭৮ জন লোক আছে।

* Shri Samarendra Nath Sen : What is the quantum of ration that is, rice, dal, M. Oil etc and whether the pocket money of Rs. 6/- is sufficient ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, শিলচৰত থকা কেন্দ্ৰীয় নিৰাশ্ৰয় গৃহ ১৯৫৮ চনত স্থাপন কৰা হৈছিল। সেই সময়ৰ পূৱ পাকিস্তানৰ পৰা অহা (বৰ্ত্তমান বাংলা দেশৰ) নিৰাশ্ৰয় সকলৰ আশ্ৰয় দিয়াৰ উদ্দেশ্য এই গৃহটি স্থাপন কৰা হৈছিল। গৃহটি সম্প্ৰতি অসম চৰকাৰৰ দ্বাৰা পৰিচালিত। আৰু বৰ্ত্তমান ইয়াত ২৭৮ জন লোক আছে। এই বছৰত মেৰা-মতিৰ বাবে বাজেটত ৩৫,০০০'০০ (পয়ত্ৰিশ হেজাৰ) টকা আছে। অধিকাংশ

* Speech not corrected.

ঘৰবোৰৰ মেৰামতিৰ আৱশ্যক। অৰ্থৰ অভাবৰ বাবেই সকলোবোৰ ঘৰ আশানুৰুপ ভাবে মেৰামতি কৰিব পৰা নাই। যোৱা জুলাই মাহতো কিছু মেৰামতিৰ কাম কৰা হৈছে।

কেন্দ্ৰীয় আশ্ৰয় গৃহত থকা লোক সকলৰ বাবে খাদ্য সামগ্ৰীৰ যোগান নিম্নোক্ত নিৰিখত কৰা হয়। চাউল— ১১ কেজি প্ৰতিমাহে প্ৰতি জন, মুগদাইল ১ কেজি প্ৰতিমাহে প্ৰতিজন, মছুৰদাইল— ৫০০ গ্ৰাম প্ৰতিমাহে প্ৰতিজন, মিঠা-তেল— ৫০০ গ্ৰাম প্ৰতিমাহে প্ৰতিজন, নিমখ ৭৫০ গ্ৰাম প্ৰতিমাহে প্ৰতিজন. চাবোন ২৫০ গ্ৰাম প্ৰতিমাহে প্ৰতিজন, কেৰাচিন তেল ১ লিটাৰ প্ৰতিমাহে প্ৰতিজন, খৰি— ৬০ কেজি প্ৰতি মাহে প্ৰতিজন। ইয়াৰ উপৰিও, নিৰাশ্ৰয় গৃহত থকা প্ৰতিজন লোককে অন্যান্য খৰচৰ বাবে মাহিলী ৬.০০ (ছয়) টকাকৈ দিয়া হয়।

*Shri Samarendra Nath Sen: May I know from the Honourable Minister whether the pocket money of Rs. 6/- fixed 25 years ago is sufficient and whethar Government has any proposal to raise the pocket money?

শ্ৰীকুলবাহাদুৰ ছেত্ৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো কেন্দ্ৰীয় চৰকাৰৰ ৬ টকাকৈ দিয়াৰ নিয়ম আছে। এইটো কম হৈছে, বৃদ্ধি কৰিবৰ কাৰণে দিব লাগে।

*Shri Kali Ranjan Deb— May I know from the Minister whether thers is any intention of Government to rehabilitate the families now living in Silchar Destitute home?

শ্ৰীকুল বাহাদুৰ (ছেত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সকলোবিলাক সংস্থাপন কৰিবলৈ দেৰি হব। কিছুমান কৰিবৰ কাৰণে কাছাৰ জিলাৰ উপায়ুক্তই কৈছে। সংস্থাপনৰ তেওঁলোকৰ ওচৰত মাটি আৰু পইছা দিয়াৰ কথা ভাবিছে।

*শ্ৰীপানীৰাম ৰাভা: মাননীয় অধ্যক্ষ মহোদয়, মই কব খুজিছো ৰৰমা সমষ্টিৰ ৰৰমাত এখন অনাথ আশ্ৰম আছে। এই অনাথ আশ্ৰম খনত এজন

---

*Speech not corrected.

অধীক্ষক আছে। সেই অনাথ আশ্ৰম খনত ২৫ জন শিশুও আছে। বৰ্ত্তমান সেই অনাথ আশ্ৰম খনৰ টকা-পইচা ও নিৰাপত্তা নোহোৱা হৈছে। শিশু সকলে খাবলৈ নেপাই। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰাৰ পিচটো সাহায্য দিয়া নাই। এই শিশু সকলৰ বাবে চৰকাৰে সাহায্য দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এইটো চোৱা হ'ব।

( Starred Question No. 122 & 123 were Lapsed)

Mr. Speaker : Starred Question No. 124

বিষয়: চিকিৎসালয়ত ডাক্তৰ নিযুক্তি।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

* ১২৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বঙ্গাইগাওঁ জিলাৰ চাকলা কোকিলা ৰাজ্যিক চিকিৎসালয়ত ডাক্তৰ নিযুক্তি দিয়া হৈছে নেকি ?

(খ) যদি হৈছে কিমান তাৰিখত তেওঁ কাৰ্য্যালয়ত যোগ কৰিছে আৰু তেওঁ উক্ত চিকিৎসালয়ত উপস্থিত নথকাকৈ দৰমহা লৈ থকাটো সঁচানে ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) দিয়া হৈছিল।

(খ) তেওঁ যোৱা ২১-৩-৯০ তাৰিখত কামত যোগদান কৰিছিল। উপস্থিত নথকাকৈ দৰমহা লোৱা কথা সঁচা নহয়।

* শ্ৰীচন্দন কুমাৰ সৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে আজি ১ বছৰ হ'ল চাকলা কোকিলা ৰাজ্যিক চিকিৎসালয়ত ডাক্তৰ নিযুক্তি হোৱাটো তালৈ ডাক্তৰ নাযায় আৰু নোযোৱাকৈয়ে তাব ডাক্তৰে দৰমহা লৈ আছে। তাৰ কিবা ব্যৱস্থা লবনে ?

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, দৰমহা

* Speech not corrected.

লোৱা হোৱা নাই। তাত পষ্টিং কৰাৰ ব্যৱস্থা কৰা হৈছে। যিসকলে জইন নকৰে তেওঁলোকৰ ওপৰত 'ডিচিপ্লেনেৰি একশ্যন' লোৱাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, আগতে এই প্ৰশ্নটো উত্থাপন হৈছিল। কিন্তু মাননীয় ৰাজ্যিক মন্ত্ৰী মহোদয়ে ইয়াৰ বাবে বেলেগ প্ৰশ্ন লাগিব বুলি কৈছিল। এতিয়া মোৰ প্ৰশ্ন হৈছে এই স্বাস্থ্য কেন্দ্ৰবিলাক স্থাপন কৰোতে ৯ লাখৰ পৰা ৩০ লাখলৈকে টকা খৰচ কৰিছে। তাত ডাক্তৰ দিয়া হয় কিন্তু তেওঁলোক তালৈ নাযায়। কিছুমান স্বাস্থ্য কেন্দ্ৰ আছে। ৰাজ্যিক চিকিৎসালয় আছে তাত ৩/৪ জনকৈ ডাক্তৰ 'পষ্টিং' হোৱাৰ পিচটো তালৈ নাযায়। তাৰ বাবে তাত থকা বিল্ডিং আৰু কোৱাৰ্টাৰ বিলাক নষ্ট হৈ গৈছে। এই চিকিৎসালয় বিলাকত ডাক্তৰ দিয়াৰ বাবে কিবা ব্যৱস্থা কৰিবনে ?

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমত 'কোৱালিফাইড' ডাক্তৰ কম হৈ আছে। আৱশ্যকীয় ডাক্তৰ প্ৰয়োজন অনুসৰি 'পষ্টিং' কৰা হয় কিন্তু তেওঁলোকে ভিতৰুৱা অঞ্চললৈ যাবলৈ নিবিচাৰে। তাৰ কাৰণে আমি 'ডিচিপ্লেনেৰি একশ্যন লব পাৰো আৰু বেছি নিলম্বিত কৰিব পাৰো তাৰ বাহিৰে অন্য উপায় নাই।

* Shri Parameswar Brahma : The Honourable Minister has replied that there is shortage of doctors in Assam. Will the Honourable Minister tell us whether Government is thinking to give a special drive to bring doctors from some other States of the country to meet the shortage ?

* Shri Govinda Chandra Langthasa (Minister) : On this matter we have not yet taken any policy decision to bring any doctor from outside the State.

* Shri Parameswar Brahma : If so, does the Government intend the people should die due to Suffering because there is shortage of doctors in the State and at the

---

* Speech not corrected.

same time does not want to bring any doctor from some other States ?

* Shri Govinda Chandra Langthasa (Minister) : It will be thoroughly discussed and considered in appropriate time.

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মাহাদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে হস্পিটেল বিলাকত ডাক্তৰক মদ খাবলৈ দিয়া কিবা নিয়ম আছে নেকি ?

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা নিৰ্দেশ নাই ।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, ভঙামোখ হস্পিটেলৰ ডাক্তৰ এজনে অনবৰত মদ খাই থাকে । তাৰ বিষয়ে মন্ত্ৰী মহোদয়ক মই জনাইছিলো । তাৰ কিবা ব্যৱস্থা লব নেকি ?

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ব্যৱস্থা লোৱা হব । এনে ডাক্তৰক ট্ৰেন্সফাৰ কৰা হব ।

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ৭০ শতাংশ ডাক্তৰে গাৱত পষ্টিং হলে নাযায় । সেয়ে এডমিচন দিয়াৰ সময়ত গাৱৰ লৰাক বেচিকৈ এডমিচন দিয়াৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোৱালিফিকেশ্যনৰ কথা আছে । ডাক্তৰ পঢ়িবৰ কাৰণে সেইটো 'কঞ্চিডাৰ' কৰা নহয় ।

( Starred Question No. 125 & 126 were lapsed )

Mr. Speaker : Starred Question No. 127

## Re : Allocation of plan fund.

Shri Monsing Rongpi asked.

---

* Speech not corrected.

* 127. Will the Minister of Hills Areas Development be pleased to state :

(a) The norms of allocating plan fund to Hill Areas (Scheduled areas) ?

(b) The norme of allocation of the Hill plan amount between the two Hill Districts ?

Shri Gobinda chandra Langthasa, (Minister, Hill Areas Department) replied :

(a) At present the Hill share is 7% of Assam State Plan.

(b) The norms of allocation of the H'll Plan Amount between the two Hill district is in 70:30 ratio between Karbi Anglong and North Cachar Hills respectively.

Shri Monsing Rongpi : Sir, is the Government aware of the fact that in certain Department fund allocation between Karbi Anglong and N. C. Hill district is not 70:30.

* Shri G. C. Langthasa (Minister) Sir, this is the policy that the ratio between two hill districts should be 70:30 But in some case there is deviation and need based allocation is made. If there is any specific case the honourable member wants to bring to the notice of the Government we will certainly consider it.

Shri Monsing Rongpi : The Social Welfare Deptt vide their letter No : 268/87/171 dated Dispur, the 22nd Nov. '91 divided the ration of allocation between the two Hills districts as 30 : 70. In Karbi Anglong they gave Rs. 11

* Speech not corrected.

lakhs 35 thousands and in N. C. Hills Rs. 10 lakha 95 thousands. Is it 30 : 70 ratio.

* Shri G C Langthasa (Minister) - According to the figure it is not 30 : 70. If there is any specific scheme we will examine it.

Shri Monsing Rongpi . Sir, Honourable Minister has said that the matter will be examined. But the question remains, Sir, since the district of Karbi Anglong is not represented in the present Ministry the people of the hill district is being deprived of in many ways like this. I would like to bring this matter to the notice of the Government, througth you, Sir.

* Shri G C Langthasa (Minister) : I don't think, Sir, the people of K. A. district are being deprived of. They are all the time getting lion's share.

* Shri Dilip Saikia : Sir, may I know from the Honourable Minister what is the norm for allocation of fund in hill districts ?

Shri G C Langthasa (Minister) : I have already replied to it, Sir.

* Shri Parameswar Brahma : Sir, there is substantial number of Bodo-speaking people living in Karbi Anglong distrits. Will the Minister be please to state that they are getting the same benefit in the districts as is extended to the Scheduled Tribes people in other districts of Assam ?

* Speech not corrected.

* Shri G C Langthasa (Minister): Sir, In the matter of development all are getting the same benefit. There is no discrimination. When a road is constructed they also use it. When arrangement for supply of drinking water is made they also get the benefit.

(Starred Question No. 128 were lapsed)

Mr. Speaker : Starred question No. 129.

Re : **Appointment of B.L.C.C.**

Shri Dipendra Rongpi, asked,

* 129. Will the Minister, Panchayat and Rural Development be pleased to state :

(a) The rule of appointing members to B.L.C.C. ?

(b) The Act by which the DRDA is governed ? (A copy to be placed in the table of the house).

Shri Afzalur Rahman, (Minister, Panchayat and Rural Development) replied :

(a) There is no rule regulating constitution of B.L.C.C. which are constituted by virtue of executive instructions of Government issued from time to time.

(b) DRDAs are constituted only as per guidelines issued by Government of India and not by any act. A copy of the guideline is placed on the table of the house.

(See the Annexure-I)

* Shri Samarendra Nath Sen : May I know from the

* Speech not corrected.

honourable Minister whether the interest accrued in DRDA could be spent without the permission of the Governing body ?

* Shri Afzalur Rahman (Minister): I require separate question as it relates to DRDA.

* Shri Monsing Rongpi : May I know from the honourable Minister if the DRDA could be transferred to the District Councils of respective hill areas ?

* Shri Afzalur Rahman (Minister) : Sir' DRDA is not a transferred subject. Only Panchayat could be transferred to Distriet Council.

* শ্ৰীআলাউদ্দিন চৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, বি, এল, চি, চি তো কোনো নীতি নিয়ম নোহোৱাকৈয়ে চলি আছে। কিন্তু বৰ্ত্তমান যিবিলাক আঞ্চলিক পঞ্চায়ত গঠন হৈছে আৰু নিৰ্ব্বাচিত যিবিলাক লোক আছে তেওঁলোকে কেনে ধৰণে বা কি নীতিৰ ওপৰত ভিত্তি কৰি কাৰ্য্য চলাব, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আঞ্চলিক পঞ্চায়ত নিৰ্বাচিত হোৱাৰ পিছত বি, এল, চি, চিৰ ফাংচন নেথাকে। এম, এল, এ, সকলৰ লগত মিলা মিছা কৰি কাৰ্য্য সমাধা কৰি আছে।

(Starred Question No. 130 was lapsed)

Mr. Speaker : Starred Question No. 131

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

বিষয় ঃ **গুৱাহাটী আৰু শিলচৰ ফাৰ্মাচি ইনষ্টিটিউট।**

*১৩১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* Speech not corrected.

(ক) গুৱাহাটী আৰু শিলচৰ ফাৰ্মাচী ইনষ্টিটিউট দুখন ভাৰতীয় ফাৰ্মাচী কাউন্সিলৰ দ্বাৰা স্বীকৃত হৈছে নে ?

(খ) যদি হোৱা নাই, এই অস্বীকৃত শিক্ষানুষ্ঠান দুখনৰ পৰা পাঠ্যক্ৰম শেষ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) উক্ত ইনষ্টিটিউট কেইখনৰ মূৰব্বী কেইজন ফাৰ্মাচী শিক্ষাৰ লোক হয়নে ?

শ্ৰীগৌতম বৰা, (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হোৱা নাই ।

(খ) গুৱাহাটী ফাৰ্মাচী ইনষ্টিটিউটৰ পৰা পাছ কৰা ছাত্ৰ-ছাত্ৰীক ইতিমধ্যে অসম ফাৰ্মাচী পৰিষদৰ দ্বাৰা "প্ৰভিজনেল ৰেজিষ্ট্ৰেচন চাৰ্টিফিকেট" দিয়া হৈছে যাতে তেওঁলোকে অসমত চাকৰি লোৱাত অসুবিধা নহয় । শিলচৰ ফাৰ্মাচী ইনষ্টিটিউটৰ পৰা পাছ কৰা ছাত্ৰ-ছাত্ৰীকো উক্ত ধৰনে চাৰ্টিফিকেট প্ৰদান কৰিবৰ বাবে চৰকাৰে অসম ফাৰ্মাচী পৰিষদৰ লগত যোগাযোগ কৰি আছে ।

(গ) নহয় ।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা যিটো প্ৰশ্নৰ উত্তৰ দিছে সেইটো সেইটোৰ উত্তৰ মাননীয় মন্ত্ৰী গৰাকীয়ে দিছে যদিও স্বাস্থ্যৰ যি পৰিস্থিতি তাক দাঙি ধৰা হৈছে । গুৱাহাটী আৰু শিলচৰ ফাৰ্মাচী ইনষ্টিটিউট দুখন স্থাপন হোৱা দুবছৰৰ পিচতো আজিলৈকে ভাৰতীয় ফাৰ্মাচী কাউন্সিলৰ দ্বাৰা স্বীকৃত হৈছে নে নাই জনাব লাগে । এইটো ১ নং প্ৰশ্নত কোৱা হৈছে ।

২ নং প্ৰশ্ন হৈছে, যদি ভাৰতীয় ফাৰ্মাচী কাউন্সিলৰ দ্বাৰা এই দুখন ইনষ্টিটিউট স্বীকৃত নহয় । ইনষ্টিটিউট দুখনৰ পৰা ওলোৱা ছাত্ৰ-ছাত্ৰী সকলে ভাৰতীয় ফাৰ্মাচীবিলাকত সোমোৱাৰ পৰা বঞ্চিত হব লগা হোৱাৰ কাৰণ কি ?

৩ নং প্ৰশ্নত উল্লেখ কৰা হৈছে উক্ত ইনষ্টিটিউট কেইখনৰ মুৰব্বী কেইজন ফাৰ্মাচী শিক্ষাৰ লোক নহয় । উপযুক্ত ফাৰ্মাচী শিক্ষাৰ লোক আছে নে নাই ? অসমত ১৬০ টা ফাৰ্মাচী আৰু ১০ টা বিয়েৰাৰ ফাৰ্মাচী পদ খালি হৈ আছে । এতিয়ালৈকে ২০০ ছাত্ৰ-ছাত্ৰী কুৱালিফাইড হৈ ৰহি আছে । এইসকল ছাত্ৰ-

* Speech not corrected.

ছাত্ৰী বহি থকাৰ কাৰণ কি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো ?

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী আৰু শিলচৰ ফাৰ্মাচী ইনষ্টিটিউট দুখন ভাৰতীয় ফাৰ্মাচী কাউন্সিলৰ অন্তৰ্ভুক্ত কৰিবলৈ সকলো যাবতীয় তথ্য সংশ্লিষ্ট মহললৈ পঠোৱা হৈছে। (ভাৰতীয় ফাৰ্মাচী কাউন্সিল)।

এই অনুষ্ঠান দুখনৰ পৰা পাছ কৰা ছাত্ৰ-ছাত্ৰীক ভাৰতীয় ফাৰ্মাচী কাউন্সিলৰ অনুষ্ঠান দুখন স্বীকৃতি নোপোৱালৈকে কাউন্সিলৰ ৰেজিষ্ট্ৰেচন নোহোৱাকৈ সাময়িকভাৱে চাকৰিত নিযুক্তিৰ বাবে চৰকাৰৰ বিবেচনা হৈ আছে।

গুৱাহাটী আৰু শিলচৰ ফাৰ্মাচী ইনষ্টিটিউট দুখনত ফাৰ্মাচী অহৰ্তা থকা লোকক মুৱব্বী (উপাধ্যক্ষ হিচাবে নিযুক্তি দিয়াৰ বাবে চৰকাৰৰ বিবেচনাধীন হৈ আছে। ডিব্ৰুগড় ফাৰ্মাচী ইনষ্টিটিউটত ৰি ফাৰ্মধাৰী ব্যক্তি শ্ৰীপি, কে ভৌমিকক উপাধ্যক্ষ পদত নিযুক্তি দিয়া হৈছে। উপাধ্যক্ষ পদৰ বাবে এম ফাৰ্ম অহৰ্তা প্ৰযোজ্য।

মাননীয় অধ্যক্ষ মহোদয় মই অন্য এটা পৰিপুৰক টোকা দিব বিচাৰিছো। গুৱাহাটী আৰু শিলচৰ ফাৰ্মাচী ইনষ্টিটিউট দুখন ভাৰতীয় ফাৰ্মাচী কাউন্সিলৰ অন্তৰ্ভুক্ত কৰিবলৈ সকলো যাবতীয় তথ্য সংশ্লিষ্ট মহললৈ পঠোৱা হৈছে। ছাত্ৰ-ছাত্ৰীৰ আবাস গৃহ আজি ২ বছৰৰ আগতে কৰা হৈছে ইয়াৰ কাৰণে ৬০ লাখ টকা ব্যয় কৰা হৈছিল।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, এই ইনষ্টিটিউট কেইখন কেতিয়া স্থাপন কৰা হৈছিল মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কেতিয়া ইনষ্টিটিউট স্থাপন কৰা হৈছে মই সবিশেষ নাজানো। বোধহয় ১৯৮৬ চনত আৰম্ভ কৰা হৈছিল। এতিয়াও চৰকাৰে যথেষ্ট চেষ্টা কৰি আছে। ফাৰ্মাচী ইনষ্টিটিউটৰ নিজা ঘৰ, লেবৰটৰী আদিৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গুৱাহাটী ইনষ্টিটিউটৰ পৰা পাচ কৰা ছাত্ৰ-ছাত্ৰীলৈ প্ৰভিচনেল ৰেজিষ্ট্ৰেচন চাৰ্টিফিকেট দিয়া হৈছে। খালি হৈ থকা পদবিলাক পুৰণ কৰিবৰ কাৰণেও

* Speech not corrected.

চেষ্টা চলোৱা হৈছে।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, ইনষ্টিটিউট কেতিয়া স্থাপন কৰা হৈছিল এই বিষয়ে স্বীকাৰ কৰাত আমি ভাল পাইছো। মাননীয় মন্ত্ৰী গৰাকীৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে অসমত খালী হৈ থকা পদবিলাক অনতিপলমে নিযুক্তি দি পুৰণ কৰে যেন। আমাৰ স্বাস্থ্য বিভাগত কমিচনাৰ আছে, সচিব আছে, সঞ্চালক আছে গতিকে ফাৰ্মাচী কেইখন স্বীকৃতি দিবৰ কাৰণে কিয় ব্যৱস্থা লব পৰা নাই? ইনষ্টিটিউট কেইখন স্বীকৃতি নোপোৱাত সেই ইনষ্টিটিউটৰ পৰা ওলোৱা দুৰ্ভগীয়া ছাত্ৰ-ছাত্ৰী সবলে ভাৰতীয় প্ৰতিযোগিতাত বহা যেনে ৰেলৱেত বিজাৰ্ভবেঙ্ক আদিত চাকৰি নাপায়। মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক জনাব বিচাৰো মোক যদি দায়িত্ব দিয়ে তেন্তে দুমাহৰ ভিতৰত এই কাম সমাধা কৰি দিব পাৰিম।

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি যথেষ্ট চেষ্টা কৰি আছো যদিও কিছু পলম হৈছে। ১-২ বছৰৰ ভিতৰত হব বুলি মই আশা কৰিছো।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী গৰাকীয়ে ভাল কথাই কৈছে শ্ৰীগকুল দেৱ অসম চৰকাৰৰ প্ৰতিনিধি হিচাবে আছে যেতিয়া দুমাহৰ ভিতৰতে ফাৰ্মাচী ইনষ্টিটিউট দুখন স্বীকৃত কৰি আনিব পাৰিব। এটা বিভাগৰ কোনোবা আয়ুক্ত সচিব তাৰ সঞ্চালকৰ ভূলৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলে কষ্ট ভোগ কৰিবলগীয়া হয়।

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইন্সটিটিউট স্বীকৃত নোহোৱাকৈয়ে হোষ্টেল লেবৰটৰী আদিৰ কাৰণে ৬০ লাখ টকা খৰছ কৰা হৈছে।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, ইন্সটিটিউট কেইখনৰ মুৰব্বী কেইজন ফাৰ্মাচী অৰ্হতাৰ লোক নহয় কাৰণেই ইনষ্টিটিউট কেইখনক স্বীকৃতি দিয়া নহয়।

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাটো নহয়। আমি এই বিষয়ত চেষ্টা কৰি আছো।

* Speech not corrected.

বুলি আগতে ব্যক্ত কৰিছো।

Mr. Speaker : Starred Question No. 132

বিষয়: খণ্ড উন্নয়ন কাৰ্য্যালয় মুকলি।

ডাঃ কমলা কলিতায়ে সুধিছে ঃ

*১৩২। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ ছয়গাওঁ সমষ্টিৰ গবৈমাৰী উন্নয়ন খণ্ডৰ কাৰ্য্যালয় যোৱা ১৭ ফেব্ৰুৱাৰী ১৯৯২ তাৰিখে মুকলি কৰা হল নে ?

(খ) উক্ত ১৭ ফেব্ৰুৱাৰী ১৯৯২ তাৰিখে গবৈমাৰীত অনুষ্ঠিত ৰাজহুৱা সভাখন চৰকাৰী ভাবে নে বে-চৰকাৰী ভাবে আয়োজন কৰা হৈছিল ?

(গ) উক্ত সভাখনত চৰকাৰৰ কিমানজন ৰাজপত্ৰিত বিষয়া উপস্থিত আছিল আৰু কোন কোন আছিল ?

শ্ৰীআফজালুৰ ৰহমান, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হোৱা নাই।

(খ) চৰকাৰী ভাবে নহয়।

(গ) কোনো চৰকাৰী ৰাজপত্ৰিত বিষয়াক উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হোৱা নাছিল।

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত কিমানজন ৰাজপত্ৰিত বিষয়া আছিল মোৰ প্ৰশ্নটোৰ লগত এক হোৱা নাই মই কৈছো যে কিমানজন ৰাজ পত্ৰিত বিষয়া কোন কোন ঠাইত আছে।

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী পঞ্চয়ত আৰু গ্ৰামোন্নয়ন) : মাননীয় অধ্যক্ষ মহোদয়, ৩-৪ দিনৰ পিচতে কেইজনমান বিষয়াই মোৰ লগত দেখা কৰি ঘুৰি আহিছিল। ৰা ইয়াত ৰাজপত্ৰিত বিষয়াৰ বিষয়ে প্ৰশ্ন নাছিল।

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি কথা কৈছে সেয়া সত্য নহয়। এখন সভাত ৬ জন ৰাজপত্ৰিত বিষয়া আছিল। আহমেদক মই সোধাত তেখেতে কলে ৰভাৰ সকলো খৰচ প্ৰয়োজন অনুসৰি কৰিবলৈ কৈছিলে গতিকে মন্ত্ৰী মহোদয়ে কোৱা কথাটো সত্য নহয় গোটেই

* Speech not corrected.

বিষয়টো অনুসন্ধান কৰিলে ভাল হয়।

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে এইটো চৰকাৰী প্ৰোগ্ৰেম নেকি ? চৰকাৰী প্ৰোগ্ৰেম নহয়, বেচৰকাৰী প্ৰোগ্ৰেম। যদি কোনোবা অফিচাৰে নিজে দাবী কৰিছে সেইটো তদন্ত কৰাৰ কাৰণে ব্যৱস্থা কৰা হব।

* ডাঃ কমলা কলিতা: অধ্যক্ষ মহোদয়, সেইটো সত্য নহয়, কিয়নো প্ৰোজেক্ট অফিচাৰ জনে যিটো কৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ৰ কথা-খিনিৰ লগত মিলা নাই। জানিব পৰা মতে সেই সভাখনত ৬ জন ৰাজপত্ৰিত বিষয়া উপস্থিত আছিল আৰু কোৱা হৈছিল যে সেইটো মাননীয় মন্ত্ৰী মহোদয়ৰ নিৰ্দ্দেশ ক্ৰমে কৰা হৈছিল কিন্তু আচৰিত কথা যে মন্ত্ৰী মহোদয়ে কৈছে নিৰ্দেশ দিয়া নাই। ২০ তাৰিখে নিৰ্বাচন আছিল আৰু সেইদিনা এটা নিৰ্বাচন প্ৰচাৰৰ কাৰণে মন্ত্ৰী ডাঙৰীয়া তালৈ গৈছিল। নিৰ্বাচনৰ কাৰণে তাত ৬ জন ৰাজপত্ৰিত বিষয়া নিয়োগ কৰা হৈছিল আৰু সেই ৬ জন ৰাজপত্ৰিত বিষয়া তাত উপস্থিত আছিল। গতিকে সেই দিনা তাত ৬ জন ৰাজপত্ৰিত বিষয়াই কি কাম কৰিছিল সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) অধ্যক্ষ মহোদয়, মই আগতেই কৈছিলো সেইদিনা তাত হোৱা সভাখন বেচৰকাৰী সভা আছিল, নিৰ্বাচনৰ কামতেই তালৈ গৈছিল কিন্তু সেই কাম ভোট দিয়া বা নিদিয়াৰ কাম নহয়। নিৰ্বাচনৰ আগে আগে বা নিৰ্বাচনৰ সময়ত ৰাইজক নিৰ্বাচনত যোগদান কৰিবলৈ বা পাৰ্টিচিপেট কৰিবলৈ আহোতে যাতে কোনো ধৰণৰ অসুবিধা নহয় ইত্যাদিৰ সুব্যৱস্থা কৰাৰ কাৰণেহে বিষয়া সকল তাত উপস্থিত হৈছিল। কিন্তু কোন বিষয়া তাত উপস্থিত হৈছিল সেই বিষয়ে আমাৰ জনা নাই আৰু বাহিৰা কোনো মানুহক তাত সাক্ষাত কৰা হোৱা নাই। বিধায়ক গৰাকীয়ে যিটো কথা কৈছে সেইটো সত্য নহয়। সাধাৰণতে যি কোনো লোক বা সমষ্টিত মন্ত্ৰী বিধায়ক গলে বিষয়া সকলে সাক্ষাত কৰা বা মন্ত্ৰীক দেখা কৰা এটা পৰম্পৰা চলি আছে গতিকে লাইনত তেওঁলোকে সাক্ষাত কৰিব পাৰে। ৰাজপত্ৰিত বিষয়াক সাক্ষাত কৰিবলৈ নিৰ্দেশ দিয়া হোৱা নাই।

---

* Speech not corrected.

*ডা: কমলা কলিতা : অধ্যক্ষ মহোদয়, পঞ্চায়ত নিৰ্বাচনৰ যি খন মিটিং হৈছিল সেই খনৰ খৰচ কোনে বহন কৰিলে, এক্সটেনশ্যন অফিচাৰ জনে কলে গোটেই খৰচ চৰকাৰে বহন কৰিছে কিন্তু মন্ত্ৰী মহোদয়ে যিটো কলে গোটেই কথাটোৰ কোনো মিল নাই। গতিকে গোটেই বিষয়টো অনুসন্ধান কৰি তাত কোন কোন ৰাজপত্ৰিত বিষয়া উপস্থিত আছিল সেই বিষয়ে জনাবনে ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰশ্নৰ উত্তৰত মই আগতেই কৈছো, এই মিটিংখন হোৱাৰ পাচত মই ডিচিক তাত পইচা খৰচ কৰা হৈছে নেকি বুলি সোধাত কলে যে তাত পইচা খৰচ কৰা হোৱা নাই। বিধায়ক ডাঙৰীয়াই যিহেতু ক্ষোভ প্ৰকাশ কৰিছে, গোটেই বিষয়টো তদন্ত কৰি চোৱা হব।

Mr. Speaker : Starred Question No. 133.

Re : **PHC at Kumarikata.**

Sri Derhagra Mochahary asked :

*133. Will the Minister of Health and Family Welfare be pleased to state :

(a) Whether Government is aware that Primary Health Centre at Kumarikata is not adequate to cater the needs of the population of Kumarikata Area ?

(b) If so, whether Government propose to convert this Health Centre to a 30 beded hospital ?

Shri Gobinda Chandra Langathasa (Minister, Health) replied :

(a) There is a State Dispensary at Kumarikata and not PHC. Thes State Dispensary is not aduquate to cater to the needs of the people of Kumarikata.

(b) There is a proposal for convartion of the Kumarikata State Dispensary to a PHC. Presently there is no

* Speech not corrected.

proposal to convert the same to a 30 bedded Hospital:

* Shri Derhagra Mochahary : Mr. Speaker sir, may I know from the Honourable Minister Health what is the Government policy in this regard to cater to the public needs ?

* Shri Gobinda Chandra Langthasa (Minister Health) Mr. Speaker sir, there is a policy to the effect that in every district headquarter there shall be a 200-bedded hospital, in the Sub-divisional level, there should be a 100 bed hospital and in every one lakh population, there should be a PHC and 30-bedded hospital. On this policy, we have proposed to upgrade this dispensary.

Mr. Speaker : Starred Question No. 134

বিষয় : খণ্ড উন্নয়নৰ কাৰ্য্যালয়।

শ্ৰীনজমুল হকে সুধিছে :

* ১৩৪। মাননীয়, পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পাছত গোটেই অসমত মুঠ কিমানখন খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ দ্বাৰ মুকলি কৰা হৈছে ?

(খ) গোৱালপাৰা জিলাৰ অন্তৰ্গত খৰমুজা উন্নয়ৰ খণ্ডৰ কাৰ্য্যালয়টো কোন ঠাইত মুকলি কৰা হৈছে ?

(গ) খৰমুজা খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ বাবে মুঠ কিমান মাটিৰ প্ৰয়োজন আৰু তাৰ মাজত চৰকাৰে ইতিমধ্যে কিমান মাটিৰ ব্যৱস্থা কৰিছে ?

(ঘ) খৰমুজা খণ্ড উন্নয়নৰ স্থায়ী কাৰ্য্যালয়ৰ স্থান অঞ্চলৰ মাজ ঠাইত নিৰ্ণয়ন কৰিবলৈ ব্যৱস্থা লোৱা হৰনে ?

শ্ৰীআফজালুৰ ৰহমান, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)য়ে উত্তৰ দিছে :

* Speech not corrected.

(ক) ২৫ টা।

(খ) খৰমুজাত।

(গ) ৩০ বিঘা। চৰকাৰে ইতিমধ্যে মাটিৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছে।

(ঘ) বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰ্ত্তমান যি ঠাইত অৰ্থাৎ খৰমুজাত উন্নয়ন খণ্ডৰ কাৰ্য্যালয় মুকলি কৰিবলৈ বিচৰা হৈছে সেই ঠাইখন বহু দূৰত একেবাৰে পূব সীমাত অৱস্থিত, গতিকে জনসাধৰণৰ সুবিধাৰ খাতিৰত উক্ত উন্নয়ন খণ্ডৰ কাৰ্য্যালয় ব্লক এৰিয়াৰ মাজ ঠাইত পতাৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত মুখ্য মন্ত্ৰী মহোদয়ৰ ওচৰত টেলিগ্ৰাম পঠিয়াইছে, ৰাজহুৱা দৰ্খাস্ত দিছে গতিকে এই সকলোবোৰ কথা চালি জাৰি চাই ক'ত পাতিলে ভাল হব সেই সম্পৰ্কত ব্যৱস্থা কৰা হব।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, এই উন্নয়ন খণ্ড কাৰ্য্যালয় বিলাক যে খোলা হব, সেইবিলাক খোলাৰ নৰ্মচটো কি ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত এটা ষ্টেট কমিটি আছে এই কমিটিয়ে ক'ত ক'ত খণ্ড উন্নয়ন কাৰ্য্যালয় খোলা হব সেই বিষয়ে পৰামৰ্শ দিয়ে আৰু সেই মতেই চোৱা চিতা কৰি য'ত পাতিলে ৰাইজৰ সুবিধা হয় সেইটো বিবেচনা কৰি সিদ্ধান্ত লোৱা হয়।

* শ্ৰীবদন বৰুৱা : অধ্যক্ষ মহোদয়, হোজাই সমষ্টিত তাত চৰকাৰে মাটি লৈছে খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ কাৰণে, মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব খোজো এই কাৰ্য্যালয় মধ্য স্থলত স্থাপন কৰাৰ কাৰণে, ব্যৱস্থা কৰিব নে ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : বাজেট প্ৰভিজ্যনত যিমান টকা ধৰা হৈছে সেইমতে ক'ত কেনেকৈ খুলিব পাৰি সেইটো চোৱা-চিতা কৰি ব্যৱস্থা লোৱা হব।

* শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, এইযে ২৫ টা খণ্ড উন্নয়নৰ কাৰ্য্যালয়

---

* Speech not corrected.

নতুনকৈ খোলাৰ কথা কৈছে তাৰ ভিতৰত কমলপুৰ সমষ্টিতো তেনে নতুন কাৰ্য্যালয়ৰ পৰিছে নেকি ? যদি নাই পৰা তেতিয়াহলে নতুনকৈ খোলা হব নেকি ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত নতুনকৈ ক'ত ক'ত লোৱা হৈছে সেই সম্পৰ্কত গোটেই লিষ্টখন মোৰ হাতত নাই। মই আগতে কৈছো ৰাজ্যখনত ৰিজিনেল ইমব্বেলেন্স' দুৰ কৰাৰ কাৰণে প্ৰায়ৰিটি বেচিচত এই কাৰ্য্যালয় বিলাক লোৱা হয়। আঞ্চলিক ভাৰসাম্য ৰক্ষা হোৱকৈ পৰ্য্যায় ক্ৰমে সকলো সমষ্টিতেই লবলৈ চেষ্টা কৰা হব।

* শ্ৰীদিলীপ শইকীয়া : বৰদলনি আঞ্চলিক পঞ্চায়ত আৰম্ভ হৈছে। ধেমাজি জিলাৰ ৰবদলনিত নতুন ব্লক খোলাৰ বিবেচনা কৰিছে নেকি ? বৰদলনি ব্লকটো লক্ষীমপুৰ জিলা আৰু ঢকুৱাখানা সমষ্টিত আৰু ঢকুৱাখানা মহকুমাত। চেয়াৰমেন মই নিজে। গতিকে নতুনকৈ বৰদলনি নামকৰণেৰে আঞ্চলিক পঞ্চায়ত স্থাপন কৰিবনে ?

* শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত মন্ত্ৰী) : ভালেখিনি ব্লক যোৱা চৰকাৰে নটিফিকেচন কৰি থৈ গৈছে, আৰম্ভ হোৱা নাই। ৩৭টা ব্লক ৰিল্ডিং আধৰুৱা হৈ আছে। আধৰুৱা ৰিল্ডিং সম্পুৰ্ণ কৰাৰ কাৰণে টকা দিয়া হৈছে। ৰাকী বিলাক পৰ্য্যায়ক্ৰমে লোৱাৰ ব্যৱস্থা আছে। মাননীয় বিধায়ক গৰাকীয়ে গোটেই খিনি লিখি দিলে ইয়াৰ ওপৰত সক্ৰিয় বিবেচনা কৰা হব।

* শ্ৰীনজমুল হক : মই স্পষ্টিকৰণ বিচাৰিছো যে খৰমুজা ব্লকটো এই দুৰ্ভগীয়া বিধায়কৰ সমষ্টিত। দেখা যায় যে মন্ত্ৰী সকলৰ বিভিন্ন কামৰ কাৰণে যি প্ৰগ্ৰেম হয় তাক স্থানীয় বিধয়কক আগমন উপলক্ষে জনোৱা নহয়। মন্ত্ৰী সকল গলে স্থানীয় বিধায়কক আগতীয়াকৈ জনোৱা উচিত। নতুন নিয়ম দেখিছো মন্ত্ৰী সকল যিকোনো সমষ্টিলৈ যায় আৰু ফিটা কাটি গুচি আহে। গতিকে মন্ত্ৰীৰ প্ৰগ্ৰেমৰ বিষয়ে সমষ্টিৰ বিধায়কক আগতীয়াকৈ জনোৱাৰ ব্যৱস্থা কৰে যেনে।

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মই গোটেই কেইটা প্ৰগ্ৰেমত স্থানীয় বিধায়কক জনাইছো। খৰমুজা ব্লক উদ্বোধন কৰিবলৈ যাওঁতে নজমুল চাহাবক

* Speech not corrected.

জনোৱাৰ কাৰণে ডিচিক জনোৱা হৈছে। মই তালৈ গৈয়েই ডিচিক সুধিছো স্থানীয় বিধায়কক জনোৱা হৈছেনে? দিচিয়ে উত্তৰ দিব পৰা নাই? দিচিক ইনষ্ট্ৰাকচন দিছো যে মেচেজ অনুসৰি স্থানীয় বিধায়কক জনাব লাগে। ইয়াৰ মেচেজৰ ইফাল-সিফাল হলে বিষয়টো মুখ্যমন্ত্ৰীৰ লগত লোৱা হব।

Mr. Speaker : Starred Question No. 135.

বিষয় : পাট সুতাৰ মুল্য।

শ্ৰীভৃগু কুমাৰ ফুকন য়ে সুধিছে :

*১৩৫। মাননীয় হস্তঁতাত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত পাট সুতাৰ মুল্য অস্বাভাৱিক ভাৱে বৃদ্ধি পোৱাটো চৰকাৰে জানেনে ?

(খ) যদি জানে শিপিনী সকলক সুলভ মুল্যত পাট সুতাৰ যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীবৰ্গৰাম দেউৰী য়ে উত্তৰ দিছে :

(ক) হয়, জানে।

(খ) শিপিনী সকলক সুলভ মুল্যত পাট সুতা যোগানৰ বাবে যথাসম্ভৱ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মন্ত্ৰী মহোদয়ে (খ) ৰ উত্তৰত কৈছে যে সুতা যোগানৰ ব্যৱস্থা লোৱা হৈছে। কি ব্যৱস্থা লৈছে কবনে ?

*শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী, হস্তঁতাত আৰু বস্ত্ৰশিল্প) : অধ্যক্ষ মহোদয়, অসম এখন পাটবস্ত্ৰ উৎপাদন কৰা অন্যতম ৰাজ্য। অসমৰ মুঠ প্ৰায় ১৫ হাজাৰ খন পাট বস্ত্ৰ উৎপাদন কৰা তাঁতশালত বছৰি প্ৰায় ৯০ হাজাৰ কিলোগ্ৰাম পাট সুতা লাগে। কিন্তু আমাৰ ৰাজ্যখনত বৰ্ত্তমানে বছৰি প্ৰায় ১৮ হাজাৰ কিলোগ্ৰামহে পাটসুতা উৎপাদন হয়। চাহিদাৰ বাকীখিনি সুতা কৰ্ণাটক ৰাজ্যৰ

* Speech not corrected.

পৰা প্ৰতি বছৰে ব্যক্তিগত খণ্ডত কিনি আনি পুৰণ কৰা হয়। কৰ্ণাটকত পাটসুতাৰ বৰ্ত্তমানৰ মুল্য তলত দিয়া ধৰনৰ : চৰকাৰী ফিলেচাৰ পাটসুতা ১৫২১ টকা প্ৰতি কিলোগ্ৰামত। কৰ্ণাটকৰ অন্যান্য ঠাইৰ ১৭৫১ টকা। কৰ্ণাটকৰ যতৰ উৎপাদনত পাটসুতাৰ মুল্য ১৩২৫ টকা। অসমৰ পাটসুতাৰ মুল্য ৫৫০ টকাৰ পৰা ১ হাজাৰ টকালৈ। যোৱা বছৰ কৰ্ণাটকত পাটসুতাৰ মুট্য ৯০০ টকাৰ পৰা ১৪০০ টকাৰ ভিতৰত আছিল। বৰ্ত্তমানে কৰ্ণাটকত পাট সুতাৰ মুল্য বৃদ্ধিৰ এটা কাৰণ হল নতুন কৰ আৰোপ, যোৱা বছৰ পাট সুতাৰ বীজত হোৱা ৰোগ আদি। অসমৰ বিশেষকৈ শুৱালকুছিৰ শিপিনীক সুলভ মুল্যত গোটেই বছৰত পাট সুতা যোগান ধৰাৰ উদ্দেশ্যৰে ইতিমধ্যে নিম্নলিখিত ব্যৱস্থা সমুহ লোৱা হৈছে। (১) প্ৰতিমাহে ৫ হাজাৰ কিলোগ্ৰামকৈ পাটসুতা যোগান ধৰিব পৰাকৈ এটা পাটসুতাৰ ভৰাল স্থাপন কৰাৰ কাৰণে ১৮৩'১০ লাখ টকাৰ এক আঁচনি ভাৰত চৰকাৰৰ হস্ততাত উন্নয়ন আয়ুক্তলৈ এই আৰ্থিক বছৰতেই মঞ্জুৰী বিচাৰি প্ৰেৰণ কৰা হৈছে। এই আঁচনি ভাৰত চৰকাৰে বিচৰা মৰ্ম্মে প্ৰস্তুতি কৰি দিয়া হৈছে আৰু ইয়াৰ অনুমোদন তথা মঞ্জুৰীৰ সংক্ৰান্তত বৰ্ত্তমানে ভাৰত চৰকাৰে পৰীক্ষা কৰি আছে বুলি জানিব পৰা গৈছে। (২) ৰেহাই মুল্যত পাটসুতা শুৱালকুছিৰ শিপিনীক আৰ্টফেডৰ অসম এপেক্স উইভাৰচ এণ্ড আৰ্টিজান কোঃ অপাৰেটিভ চচাইটি লিমিটেডৰ জৰিয়তে যোগান কৰাৰ কাৰণে ১৫'০০ লাখ টকাৰ এখন আঁচনি এই আৰ্থিক বছৰতেই মঞ্জুৰী দিয়াৰ কাৰণে চৰকাৰৰ বিবেচনাধীন হৈ আছে। (৩) ৰপ্তানী-কৃত চিনা চিল্কৰ ১৫,০০০ হাজাৰ কিলোগ্ৰাম প্ৰতি বছৰে অসমক আবণ্টন দিয়াৰ কাৰণে কেন্দ্ৰীয় ৰেচম বৰ্ডৰ লগতো যোগাযোগ কৰা হৈছে।

*শ্ৰীধমেন্দ্ৰ নাৰায়ণ কলিতা : মন্ত্ৰী মহোদয়ে ব্যক্তিগত খণ্ডত পাট সুতা অনাৰ কথা কৈছে এই ক্ষেত্ৰত মই কব বিচাৰিছো যে চৰকাৰী এজেঞ্চি আৰ্ট-ফেড আৰু এ, জি, এম, চিৰ দায়িত্ব দি পাটসুতা অনাৰ ব্যৱস্থা কৰিবনে ? দ্বিতীয়তে শুৱালকুছিত সুতাৰ ভৰালৰ কথা চিন্তা কৰিবনে? তৃতীয়তে কেন্দ্ৰীয় চৰকাৰৰ এন, চি, দি, চিৰ লগত সুতা অনাৰ ক্ষেত্ৰত যোগাযোগ কৰিছেনে ?

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : ইতিমধ্যে কি কি ব্যৱস্থা লোৱা হৈছে মই কৈছো। আৰ্টফেড আৰু এ, জি, এম, চি, ৰ বিষয়খিনি অনুসন্ধান কৰা হব।

* Speech not corrected.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অনুসন্ধানৰ প্ৰশ্ন নাই। চৰকাৰী এজেঞ্চি দুটাক দায়িত্ব দিবনে ? ব্যক্তিগত খণ্ডত কোনে কোনে আনি আছে নামখিনি দিবনে ? এন, চি, দি, চিৰ লগত যোগাযোগ কৰিছেনে ?

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী)ঃ ইয়াৰোপৰি আৰু এটা কৈছো ৰাংগালোৰত আৰ্টফেডে এটা চিল্ক সুতাৰ ভৰাল খোলাৰ কথা আছিল যদিও খৰচ বহু বাঢ়িব বাবে তাক কাৰ্য্যকৰী কৰা নহল। আৰ্টফেডে ১৯৯০-৯১ চনত কৰ্ণাটকৰ পৰা মুঠ ৪২৯১ কিলোগ্ৰাম পাটসুতা আনি শুৱালকুছিত বিক্ৰি কৰে। ১৯৯১-৯২ চনত ৩শ কিলোগ্ৰাম সুতা অলপতে আনিছে। সুতাৰ বিক্ৰীদাম নিৰ্ণয়ৰ বাবে এখন ইয়াৰ্ণ প্ৰাইচ ফিক্সেচন কমিটি গঠন কৰি দিছে। চেণ্ট্ৰেল চিল্ক বৰ্ডে অসমক ১৫০০ কিলোগ্ৰাম চাইনিজ চিল্ক ইয়াৰ্ণ দিবলৈ মান্তি হৈছে। এই সুতাখিনি আৰ্টফেডে যথা শীঘ্ৰে আনি বিতৰণ কৰিব।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই যি কেইটা প্ৰশ্নৰ উত্তৰ বিচাৰিছো মন্ত্ৰী মহোদয়ে সঠিক ভাবে দিব পৰা নাই। মই জানিব বিচাৰিছো যে ব্যক্তিগত খণ্ডত কাক কাক দিয়া হৈছে তাৰ নাম লাগে। এন, চি, ডি, চিৰ লগত চৰকাৰে যোগাযোগ কৰিছেনে নাই ? দুখীয়া শিপিনী সকলক পাট সুতা দিয়াৰ কাৰণে চৰকাৰে কি কি ব্যৱস্থা লৈছে ? বাঙ্গালোৰত আৰ্টফেডৰ ভড়ালৰ কথা সোধা নাই।

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী, হস্ততাত আৰু বস্ত্ৰ শিল্প বিভাগ) : মাননীয় অধ্যক্ষ মহোদয়, ব্যক্তিগত খণ্ডত দিয়া হৈছে। আৰ্টফেড আৰু এ, জি, এম, চিৰ লগত যোগাযোগ এতিয়াও কৰা নাই, এইটো পৰীক্ষা কৰি চোৱা হব। বাকী-খিনিৰ ব্যৱস্থা লোৱা হব।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, মই যি কেইটা প্ৰশ্ন মন্ত্ৰী মহোদয়ক আগতে কৰিছো তাৰ উত্তৰ দিব লাগে, মই উত্তৰ পোৱা নাই।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, হয়, প্ৰশ্ন কেইটাৰ উত্তৰ দিব লাগে।

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ দিছোৱেই, তেখেতসকলে বুজাতহে অসুবিধা পাইছে বোধকৰো। ব্যক্তিগত খণ্ডত কাক

* Speech not corrected.

কাক দিয়া হৈছে বুলি যি প্ৰশ্ন কৰিছে তাৰ কাৰণে চেপাৰেট নোটিচ লাগিব। ডিটেলচ লিষ্ট মোৰ হাতত বৰ্ত্তমান নাই, প্ৰয়োজন হলে মই পিচত জনাম। ২য় কথা হৈছে এন, চি, ডি, চিৰ এতিয়াও যোগাযোগ কৰা নাই।

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, শ্ৰীকলিতা ডাঙৰীয়াই প্ৰশ্ন কৰিছে যে শোৱালকুছিত পাট সুতাৰ এটা ভড়াল চৰকাৰে কৰিবনে নাই? শোৱাল-কুছিৰ পাট শিল্পৰ উদ্যোগ ৰক্ষা কৰাৰ কাৰণে চৰকাৰে তাত এটা ভড়াল পাতিবনে নাই? পাট সুতাৰ দাম কমোৱাৰ কাৰণে চৰকাৰে চেষ্টা কৰিছেনে নাই? লগতে এই দুখীয়া শিপিনী সকলক চাবছিদি দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছেনে?

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, শোৱালকুছিৰ মাৰ্জিনেল ৱেভাৰ সকলক চাবছিদি চৰকাৰে দিছে। প্ৰতিগৰাকী শিপিনীক ৫ কেজিকৈ সুতা দিয়াৰ ব্যৱস্থা আছে।

* শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই ৫ কে, জি সুতা শিপিনীক বছৰত দিয়ে নে মাহত, নে দিনত দিয়ে, মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰতি বছৰত দিয়া হয়।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয় শোৱালকুছিত পাট সুতাৰ ভৰাল কৰিবনে নাই?

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, পাট সুতাৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা ক্ষীপ্ৰতাৰে নললে এই পাট সুতাক এদিন মিউজিয়ামত ৰাখিব লাগিব।

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থা আগৰ পৰাই এনেকৈ চলি আহিছে। এতিয়া আমাৰ চৰকাৰে পাট শিল্পৰ উন্নতিৰ কাৰণে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে ইয়াক মিউজিয়ামত ৰাখিব লগা নহয়। শোৱালকুছিত ভড়াল পতাৰ বিষয়ে চৰকাৰে পৰীক্ষা কৰি চাব।

Mr. Speaker: Starred Question No. 136.

বিষয়: কেন্দ্ৰৰ দ্বাৰা আবন্টিত ধন।

শ্ৰীজীউৰাম বড়োয়ে সুধিছে ঃ

* Speech not corrected.

* ১৩৬ মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দৰং, কামৰূপ আৰু শোণিতপুৰ জিলাত ইং ১৯৯১-৯২ চনৰ বাবে গ্ৰামোন্নয়নৰ বাবে আবণ্টন ধন সম্পূৰ্ণভাৱে কেন্দ্ৰৰ পৰা নোপোৱাটো সঁচানে ?

(খ) যদি সঁচা, ইয়াৰ কাৰণ কি, আৰু কিমান ধন পাৰ লাগিছিল ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় সঁচা ।

(খ) ১৯৯০-৯১ চনত ধাৰ্য্য কৰা ধন সম্পূৰ্ণ খৰচ নোহোৱাৰ কাৰণে ৰাহি হোৱা ধন নিৰ্দ্ধাৰিত পৰিমানতকৈ অধিক হোৱা আৰু বিভিন্ন আঁচনিৰ লক্ষ্য পুৰণ ১৯৯১-৯২ চনৰ আগভাগত সময়মতে নোহোৱাৰ বাবে জৱহৰ ৰোজগাৰ যোজনাত এই তিনিখন জিলাৰ বাবে ১৯৯১-৯২ চনৰ ধাৰ্য্য কৰা ৭২১'৩৩ লাখ টকাৰ পৰা ২৬৮'৩৩ লাখ টকা আৰু সমন্বিত গ্ৰামিন বিকাশ কাৰ্যসূচীৰ মুঠ ১২১'৩৫১ লাখৰ পৰা ৩০'৫৫২ লাখ টকা কাটি ৰখা হৈছে ।

* শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, অসম এখন দুখীয়া দেশ । তাৰ ভিতৰত দৰং এখন অতি পিচপৰা জিলা। ইয়াত কোৱা হৈছে যে ১৯.০-৯১ চনত সম্পূৰ্ণ টকা খৰচ কৰা নহল। কিয় খৰচ কৰা নহল মন্ত্ৰী মহোদয়ে জনাবনে ? দ্বিতীয় প্ৰশ্ন হৈছে— এইটো সঁচানে যে ইয়াৰ পৰা পঠোৱা আঁচনি সমুহ দিল্লীত হেৰাল ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ) : অধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যিখিনি ধন ধাৰ্য্য কৰিছিল, সেই ধন যোৱা বছৰটোত বহুত কমকৈ খৰচ হ'ল। আবন্টিত ধনৰ শতকৰা ২৫ ভাগ খৰচ কৰি ৰাকীখিনি মানে শতকৰা ৭৫ ভাগ খৰচ কৰিব নোৱাৰিলে কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্ত্তী বছৰত ধন কমাই দিয়ে। আৰু যদি শতকৰা ৭৫ ভাগ খৰচ কৰিব পাৰে তেন্তে পৰৱৰ্ত্তী বছৰত ধন বঢ়াই দিয়ে। এতিয়া কথা হল ১৯৯০-৯১ চনত ধন ৰাহী হৈছে ১১২'৭১ লাখ টকা, প্ৰায় আধা টকা। দৰঙত ১৯৪'৮৭ লাখ, শোনিতপুৰত ১৪৩'৪২ লাখ টকা ইও প্ৰায় আধা টকা। ১৯৯০-৯১ চনত টকা খৰচ কৰিব নোৱাৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে এই

* Speech not corrected.

টকাখিনি কাটি ৰাখিছে। এই আঁচনিৰ টকা কিয় খৰচ কৰিব পৰা নহল সেই বিষয়ে তদন্ত কৰি চোৱা হৈছিল সেই সময়ত গোটেই অসমতে আলফা সমস্যা আৰু অন্যান্য অশান্তিকৰ অৱস্থা চলি থকাৰ কাৰণে আঁচনিসমূহৰ কাম কৰিবলৈ বিভাগে সুযোগ সুবিধা পোৱা নাছিল।

* শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আঁচনিবোৰ কাৰ্য্যকৰী কৰাৰ পদ্ধতি ভুল হৈছে। মই বি, ডি, অ'ৰ পৰা জানিব পাৰিছো যে শিল, বালি, ইটা, চিমেণ্ট ইত্যাদি সামগ্ৰীবোৰ বেলেগ বেলেগ মানুহে দিয়াৰ কাৰণে আঁচনি ৰূপায়ণত অসুবিধাই দেখা দিয়ে। এতিয়া ৰৌবাৰীত ৩০০ বেগ চিমেণ্ট দিয়া হৈছে কিন্তু ইটা, শিল, দিয়া হোৱা নাই। এনে ব্যৱস্থাৰ কাৰণেই এইবোৰ কাম কৰিব পৰা হোৱা নাই। ১৯৯১-৯২ চনৰ কাৰণে অসমৰ পৰা যোৱা আঁচনি দিল্লীত হেৰাইছে এই কথা সঁচানে ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী). মাননীয় অধ্যক্ষ মহোদয় আমাৰ ইয়াত পোষ্টেল ষ্ট্ৰাইক হোৱাৰ কাৰণে পোষ্টেল ডিলেৰ কাৰনে আঁচনিবোৰ দিল্লীত পোৱাত দেৰি হৈছিল।

* Shri Parameswar Brahma : Sir, for removal of backwardness in the rural areas, the Government have taken certain steps. Now I would like to know who is actually responsible for this and whether the Government will take action against those who are responsible and involved in the matter ?

* শ্ৰীআফজালুৰ ৰহমান, মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, এই টকাটো ১৯৯০-৯১ চনৰ কিন্তু আমাৰ চৰকাৰে ১৯৯১-৯২ চনৰ জুন মাহতহে আসন গ্ৰহণ কৰিছে।

Mr. Speaker : The Question Hour is over. For zero hour, I have received...............

Shri Zoii Nath Sarmah : We have short notice questions. After Question Hours, short notice question is to

* Speech not corrected.

come. Short notice questions are part of the Question Hour.

মাননীয় অধ্যক্ষ : এতিয়া কুৰেচন আৱাৰ অৰ্ডাৰ।

( Starred Question Nos. 137, 138, 139 & 140 could not be taken up as the Question Hour was over. However the written replies deemed to have been laid on the table of the House. )

বিষয় : ন-দুৱাৰ ব্লকৰ বি, এল, চি, চি কমিটি।

* প্ৰশ্ন নং— ১৩৭

শ্ৰীকুশল চাহুয়ে সুধিছে :

* ১৩৭। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) এইটো কথা সঁচানে যে চতিয়া সমষ্টিৰ ন-দুৱাৰ ব্লকৰ বি, এল, চি, চি, কমিটিখন এতিয়াও বিধিগত অনুমোদন জনোৱা নাই ?

(খ) যদি সঁচা ইয়াৰ কাৰণ কি আৰু অতি সোনকালে উক্ত কমিটিখন অনুমোদন জনোৱাৰ ব্যৱস্থা লবনে ?

শ্ৰীআফজালুৰ ৰহমান, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) উত্তৰ দিছে :

(ক) জাননী নং আৰু ডি, ডি, ৩১৭।৯১।৯৯ তাং ১১।১১।৯১ মৰ্মে সমূহ উন্নয়ন খণ্ডৰ বি, এল, চি, চি সমিতি গঠন কৰা হয়।

(খ) ন-দুৱাৰ ব্লকৰ বাবে স্থানীয় সভ্য বোৰৰ নাম পোৱাত পলম হোৱা বাবে উক্ত উন্নয়ন খণ্ডৰ বি, এল, চি, চি, পলমকৈ গঠন কৰা হয়।

শ্ৰীনিজামুদ্দিন খান য়ে সুধিছে :

বিষয় : ডাঃ ভুৱনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানটো চৰকাৰী কৰণ।

* ১৩৮। মাননীয় স্বাস্থ্যবিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডাঃ ভূৱনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানটি চৰকাৰী কৰণ কৰা হৈছে নে ?

(খ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

---

* Speech not corrected.

(গ) উক্ত অনুষ্ঠানটি চৰকাৰী কৰণ কৰা সম্পৰ্কত চৰকাৰৰ কিবা ঘোষণা আছিল নে ?

(ঘ) যদি আছিল, সেই ঘোষণা কাৰ্য্যকৰী কৰা হব নে ?

শ্ৰীগৌতম বৰা, (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) আৰু (খ) হোৱা নাই। কিন্তু প্ৰতিষ্ঠানখন চৰকাৰৰ অধীনলৈ অনা হৈছে আৰু স্বায়ত্ব শাসিত কৰি ৰখা হৈছে।

(গ) চৰকাৰী কৰণ কৰাৰ সম্পৰ্কত কোনো ঘোষণা কৰা হোৱা নাছিল।

(ঘ) প্ৰযোজ্য নহয়।

বিষয় : শংকৰদেৱ নগৰত চিকিৎসালয়।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে :

*১৩৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৰনে :

(ক) হোজাই মহকুমাৰ শংকৰদেৱ নগৰত ১০০ খন বিচনাযুক্ত অসামৰিক চিকিৎসালয় নিৰ্ম্মানৰ কাম চৰকাৰে কেতিয়া হাতত লব ?

(খ) যদি হাতত লয় কিমান দিনৰ ভিতৰত ই সম্পূৰ্ণ হৈ উঠিব ?

(গ) যদি এতিয়াও হাতত লোৱা নাই, অতিশীঘ্ৰে উক্ত চিকিৎসালয়ৰ নিৰ্ম্মাণৰ কাম হাতত লবনে ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হোজাই মহকুমাৰ শংকৰদেৱ নগৰত ১০০ খন বিচনাযুক্ত চিকিৎসালয় নিৰ্মানৰ বাবে আঁচনি আৰু প্ৰাক্‌কলন ইতিমধ্যে গড়কাপ্তানি বিভাগৰ পৰা বিচৰা হৈছে। কিন্তু এই ক্ষেত্ৰত উপযুক্ত মাটি নোপোৱা বাবে গড়কাপ্তানী বিভাগে এতিয়ালৈকে প্ৰাক্‌কলন প্ৰস্তুত কৰিব পৰা নাই।

(খ) প্ৰশাসনীয় অনুমোদন দিয়াৰ পাছত পুজি সাপেক্ষে নিৰ্মানৰ অগ্ৰগতিৰ ওপৰত ই নিৰ্ভৰ কৰিব।

(গ) গড়কাপ্তানী বিভাগৰ পৰা প্ৰাক্‌কলন পালে পুজি সাপেক্ষে প্ৰশাসনীক অনুমোদন প্ৰদান কৰি নিৰ্মানৰ কাম হাতত লৰ পৰা হব।

---

* Speech not corrected.

বিষয়: জাহাজ ঘাট।

শ্ৰীযতীন মালীয়ে সুধিছে:

*১৪০। মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কামৰূপ জিলাৰ ভিতৰত কত কত আৰু কিমানটা জাহাজ ঘাট আছে?

(খ) উক্ত জাহাজ ঘাটবোৰত স্থায়ী ভাৱে কাম কৰা স্থায়ী পদৰ কৰ্মচাৰী কিমানজন আছে? (বিতং তথ্য দিব)

(গ) জাহাজ ঘাটবোৰত নিয়ম বৰ্হিভূত ভাবে যথেষ্ট সংখ্যক মাষ্টাৰবোল কৰ্মচাৰী নিয়োগ কৰা কথাটো সঁচানে?

(ঘ) যদি সচা হয় তেন্তে নিয়ম বৰ্হিভুত ভাবে নিয়োগ কৰা অস্থায়ী মাষ্টাৰ-ৰোল কৰ্মচাৰী বোবৰ ওপৰত ব্যৱস্থা লোৱাৰ লগতে নিয়োগ কাৰী বিষয়া সকলৰ ওপৰতো বিভাগীয় ব্যৱস্থা লবনে?

শ্ৰীশিৱশম্ভু ওজা, (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯ টা

কুকুৰা, চুনচালী, গুৱাহাটী (৫ টা) কিবাকাৰা, হজাদুৱাৰ, মধ্যম-হও, শুৱালকুছি, পাণ্ডু, আমিনগাওঁ, পলাশবাৰী, গুইমাৰী, মহমাৰী, শিয়ালমাৰী উত্তৰ গুৱাহাটী, উমানন্দ।

(খ) ৫৭ জন

গ্ৰেড (III) ৩৭ জন

গ্ৰেড (IV) ২০ জন।

(গ) নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(Unstarred Questions and Answers)

**Re : Plying of A. S. T. C. Buses.**

Shri Dewan Jaynal Abedin, asked :

168. Will the Minister of Transport be pleased to state :

* Speech not corrected.

(a) The number of ASTC buses plied to North Bengal daily and to which places ?

(B) The number of buses of North Bengal State Transport Corporation enters Assam daily and to which places ?

Shri Shio Shambhu Ojha ( Minister, Transport ) replied :

(a) Total 18.

To Siliguri

To Coach Bihar

To Dinhata

To Alipur duar

To Madhupur

(b) Total 20

To Guwahati

To Bongaigaon

To Dhubri

To Nagoan

To Tezpur

বিষয়ঃ কৰ্মচাৰী নিয়োগ আৰু বেতন।

শ্ৰীনিজামুদ্দিন খানয়ে সুধিছে :

১৬৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা অক্টোবৰ মাহত ঘোষিত পঞ্চায়ত কৰ্মচাৰীৰ চাকৰী চৰকাৰীকৰণৰ পিছত নিয়মিয়াকৈ দৰ্মহা দি থকা হৈছে নে ?

(খ) চৰকাৰীকৰণৰ আগৰ বকেয়া দৰ্মহা দিয়া হৈছিল নে ?

(গ) যদি হোৱা নাই, কিমান দিনৰ ভিতৰত দিয়া হ'ব ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নাই হোৱা। কৰ্মীসকলৰ দৰমহাৰ গাঠনি চুড়ান্ত কৰণৰ সাপেক্ষে দৰমহা আংশিক ভাৱে দি থকা হৈছে।

(খ) চৰকাৰীকৰণৰ আগৰ ৰকেয়া দৰ্মহা দিয়া চৰকাৰৰ দায়িত্ব নহয়। তথাপিও আংশিকভাৱে দিয়া হৈছে।

(গ) প্ৰশ্ন নুঠে।

**Re : Casting of vote.**

Shri Karendra Basumatary, asked :

107. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) Whether the Government is aware that 365 Nos. of Voters of Nanaikhas basti under Bamunjuli Gaon Panchayat of Panery Constituency have been dropped from the list of voters in the last Panehayat Election ?

(b) If so, who is responsible for such act ?

Shri Afzalur Rahman, ( Minsster of Panchayat and Rural Development ) replied :

(a) 358 voters were dropped in draft roll.

(b) As the voters were included to the final electoral roll fixation of responsibility does not arise.

বিষয়: অনাদায়ী দৰমহা।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে:

১৭১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) পঞ্চায়ত কৰ্মী সকলৰ অনাদায়ী দা-দৰমহা আদায় দিয়া হৈছে নে ?

(খ) যদি হোৱা নাই. কেতিয়া দিয়া হব ?

(গ) পঞ্চায়ত কৰ্মী সকলৰ চাকৰী চৰকাৰী কৰণৰ পিছৰে পৰা দা-দৰমহাৰ নিৰিখ ওৰভেদে কিদৰে থিবাং কৰা হৈছে।

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) চৰকাৰীকৰণ কৰাৰ আগৰ অনাদায়ী দা-দৰমহা আংশিক ভাবে দিয়া

হৈছে, আৰু চৰকাৰীকৰণৰ পিছৰ সময়ছোৱাৰ বাবে ৩,৪৮,৩৫,০০০ টকাৰ মঞ্জুৰী দিয়া হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) চৰকাৰীকৰণ কৰা কৰ্মচাৰী সকলৰ দা-দৰমহাৰ নিৰিখ স্তৰভেদে চৰকাৰৰ প্ৰচলিত দৰমহা নিৰিখত কৰা হৈ আছে।

শ্ৰীজয়নাথ শৰ্মায়ে সুধিছে:

বিষয়: পুল কাৰৰ বাবদ তেল মবিলৰ খৰচ।

১৭২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) পৰিবহন বিভাগৰ অধীনস্থ পুল কাৰ সমূহৰ বাবদ ১৯৯০-৯১ চনত সৰ্বমুঠ কিমান টকাৰ তেল-মবিল আদিৰ ব্যয় হ'ল।

(খ) পুল-কাৰ সমূহত ১৯৯১ চনৰ জুন মাহৰ পৰা চলিত ফেব্ৰুৱাৰী মাহলৈ কোন খন গাড়ীৰ বিপৰীতে কিমান টকাৰ তেল আদি খৰছ হৈছে?

(গ) উক্ত সময় ছোৱাত গাড়ী সমুহ মেৰা-মতিৰ বাবদ প্ৰতিখন গাড়ীৰ বাবদ কিমান ব্যয় হ'ল আৰু সৰ্ব্বমুঠ কিমান টকা পৰিশোধ কৰিবলে বাকী আছে?

শ্ৰীশিৱশম্ভু ওজায়ে উত্তৰ দিছে।

(ক) ৩'২০ লাখ।

(খ) মুঠ ৩'৩৫ লাখ টকা খৰছ হৈছে। বিতং বিবৰন সংগ্ৰহ কৰি থকা হৈছে।

(গ) মুঠ ৪'৫২ লাখ টকাৰ কাম কৰা হৈছে কিন্তু এই টকাখিনি পৰিশোধ কৰিব পৰা হোৱা নাই। বিতং বিৱৰণ সংগ্ৰহ কৰি থকা হৈছে।

বিষয়: চৰ উন্নয়ন।

শ্ৰীলিয়াকত আলীখানয়ে সুধিছে:

১৭৩ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্ত্তমান চৰকাৰ দিনত চৰ অঞ্চলৰ মানুহৰ চিকিৎসাৰ কাৰণে কোনো বিশেষ ব্যৱস্থা লোৱা হৈছে নেকি?

(খ) চৰ এলেকাত ভ্ৰাম্যমান চিকিৎসাৰ ব্যৱস্থা কৰ্বাৰ ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হৈছে ।

(খ) এতিয়ালৈকে ব্যৱস্থা লোৱা নাই নাই যদিও বিবেচনা কৰি থকা হৈছে ।

বিষয় : শিশু খাদ্য ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰে সুধিছে :

১৭৪ মাননীয় সমাজ কল্যাণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি :

(ক) অঙ্গনাদি শিশুখাদ্য বৎসরে কত দিন দেওয়া হয়?

(খ) ঐ সব শিশুখাদ্য শিশুদের খাদ্যের উপযুক্ত কি ?

(গ) ঐ সব শিশুখাদ্য কোন খাদ্য পরিদর্শক দ্বারা পরীক্ষা করানো হয় কি ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) সাধাৰণতে শিশুখাদ্য বছৰত ৩০০ দিন দিয়া হয় ।

(খ) নিশ্চয় ।

(গ) খাদ্য সম্পৰ্কে কোনো অভিযোগ হলে স্থানীয় খাদ্য পৰিদৰ্শকৰ দ্বাৰা খাদ্য সমুহ পৰীক্ষা কৰোৱা হয় ।

বিষয় : চেনিটাৰী ইন্সপেক্টৰ

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

১৭৫ । মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আমাৰ ৰাজ্যত Sanitary Inspector ৰ পদ সমুহ কেনেকুৱা লোকৰ দ্বাৰা পূৰণ কৰা হয় ?

(খ) এনেবোৰ পদত Delhi public Health and Hygine Institutcৰ পৰা উত্তীৰ্ণ হোৱা অসমৰ ছাত্ৰ-ছাত্ৰীক স্বাস্থ্য শিক্ষা সঞ্চালকালয়ে নিযুক্তি দিব নোৱাৰে কথাটো সঁচা নেকি ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাথাচা (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) আমাৰ ৰাজ্যৰ Sanitary Inspector পদ সমূহ তলৰ পৰ্য্যায়ৰ Rural Health Inspector পদ সমূহৰ পৰা প্ৰচলিত নিয়ম অনুসৰি যোগ্যতা আৰু জ্যেষ্ঠতা ভিত্তিত পদোন্নতি দি পূৰণ কৰা হয়।

(খ) সচা।

বিষয়ঃ ফাৰ্মাচিষ্টৰ খালি পদ।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

১৭৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্ত্তমান ফাৰ্মাচিষ্ট আৰু প্ৰধান ফাৰ্মাচিষ্টৰ পদ কিমান খালী হৈ আছে ?

(খ) এই পদসমুহ পুৰনৰ ক্ষেত্ৰত ৰাজ্যচৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(গ) অসমৰ বৰ্ত্তমান ঔষধ নিয়ন্ত্ৰক জনৰ শিক্ষাগত অৰ্হতা কি ? তেখেত ফাৰ্মাচী বিষয়ৰ লোক হয়নে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমত বৰ্ত্তমান ১৬০ টা ফাৰ্মাচিষ্ট আৰু ১০ টা প্ৰধান ফাৰ্মাচিষ্ট পদ খালি হৈ আছে।

(খ) এই খালী হৈ থকা পদ সমুহ অনতি পলমে পুৰন কৰাব বাবে ব্যৱস্থা লোৱা হৈছে।

(গ) অসমৰ বৰ্ত্তমান ঔষধ নিয়ন্ত্ৰক জনৰ শিক্ষাগত অৰ্হতা এম, বি, বি, এছ, ডি, পি, এইচ.। তেখেত ফাৰ্মাচী বিষয়ৰ লোক নহয়।

বিষয়ঃ ভকতপাৰা ৰাজ্যিক চিকিৎসালয়।

শ্ৰীজীউৰাম বড়োয়ে সুধিছে :

১৭৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কালাই সমষ্টিৰ কালাই গাওঁ, কুবেৰ আলি আৰু মঙ্গলদৈ সমষ্টিৰ অন্তৰ্গত ভকতপাৰা ৰাজ্যিক চিকিৎসালয়ৰ ঘৰ কেইটা মেৰামতিৰ ব্যৱস্থা কৰা হৈছেনে ?

(খ) এই চিকিৎসালয় বোৰত প্ৰয়োজন অনুসৰি ডক্টৰ ষ্টাফ আৰু চিকিৎসালয় সা-সজুলি, ঔষধ, পথ্য যোগান ধৰা হৈছেনে ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্যমন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) মেৰামতিৰ ব্যৱস্থা কৰা হৈছে।

(খ) কলাইগাওঁ, ভকতপাৰা ৰাজ্যিক চিকিৎসালয়ত ডাক্টৰ, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰীৰ নিযুক্তি দিয়া হৈছে। আৰু পুজি অনুপাতে প্ৰয়োজন অনুসাৰে চিকিৎসাৰ সা-সজুলি, ঔষধ পথ্য যোগান ধৰা হৈছে।

বিষয় : লালা উন্নয়ন খণ্ডে শিশু খাদ্য কেন্দ্ৰ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰে সুধিছে :

১৭৮। মাননীয় সমাজ কল্যাণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) হাইলাকান্দি জেলার লালা উন্নয়ন খণ্ডে জনসংখ্যা অনুপাতে প্ৰায় ১৪০ টি শিশু খাদ্য বণ্টন কেন্দ্ৰ হওয়া উচিত ছিল, কিন্তু আজ পৰ্য্যন্ত মাত্ৰ ৮৯ টি কেন্দ্ৰ চালুকরা হয়েছে তাহার কারণ কি ?

(খ) বাকী ৫১ টি কেন্দ্ৰ কবে চালু করা হবে ?

শ্ৰীকুলবাহাদুৰ ছেত্ৰী (সমাজ কল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কেন্দ্ৰীয় চৰকাৰে ১৯৮৪-৮৫ চনৰ জনসংখ্যাৰ ভিত্তিত ৮৯ টা কেন্দ্ৰহে মঞ্জুৰী দিছিল আৰু সেই মতে উক্ত কেন্দ্ৰ কেইটা চলি আছে।

(খ) অতিৰিক্ত কেন্দ্ৰ দিয়া বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰীৰ ওপৰত নিৰ্ভৰ কৰে।

বিষয় : অঙ্গনাদি কৰ্মীদের মাসিক ভাতা।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰে সুধিছে :

১৭৯। মাননীয় সমাজ কল্যাণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) অঙ্গনাদি কৰ্মীদের মাসিক ভাত্তা বর্ত্তমান দ্রব্যমূল্য অনুপাতে পর্য্যাপ্ত কি ?

(খ) ঐ কর্মীদের মাসিক ভাত্তা বৃদ্ধির কোন পরিকল্পনা সরকারের আছে কি ?

(গ) যদি থাকে তাহা কবে রূপায়ন করা হবে ?

শ্ৰীকুলবাহাদুৰ ছেত্ৰী (সমাজ কল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰন কৰি দিয়া নিৰিখ মতে ১-৭-৮৬ তাৰিখৰ পৰা অঙ্গনৱাদী কৰ্মী সকলে মাহিলি মাননি তলত উল্লেখ কৰা ধৰণে পাই আছে ।

(১) প্ৰৱেশিকা অৱতীৰ্ণ সকলে নিৰ্দ্ধাৰিত মাননি ২২৫ টকা পায় । ৫ বছৰ কাম কৰাৰ পিছত ২৭৫ টকালৈ বৃদ্ধি পায় ।

(২) প্ৰৱেশিকা উত্তীৰ্ণ সকলে নিৰ্দ্ধাৰিত মাহেকীয়া মাননী ২৭৫ টকা পায় । ৫ বছৰ কাম কৰাৰ পিছত তেওঁলোকৰ মাননী ৩০০ টকালৈ আৰু ১০ বছৰ কাম কৰাৰ পিছত ৩২৫ টকালৈ বৃদ্ধি হয় ।

(খ) মাহেকীয়া মাননী বৃদ্ধি কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে ।

(গ) কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পালেহে মাননি বৃদ্ধি কৰিব পৰা যাব । কাৰণ অঙ্গনাৱাদী কৰ্মী সকলৰ মাননীৰ সমুদায় খৰছ কেন্দ্ৰীয় চৰকাৰে বহন কৰে ।

**Re : Koch Khatriya Rajbanghi SC/ST.**

Shri Karendra Basumatary asked :

180. Will the Minister WHT & BC be pleased to state :

(a) Whether the Government have communicated to the Central Government for inclusion of the Koch Khatriya Rajbanshi community of Assam in Scheduled Caste and Scheduled Tribe list '

Shri Borga Ram Deori, (Minister of WPT and BC) replied :

(a) Not yet.

**Re : Digboi A.S.T.C. Bus Station :**

Shri Rameswar Dhanowar, asked :

181. Will the Minister of Transport be pleased to state :

(a) Whether the Government is aware that a plot of land has been purcheased at Digboi Town for a A.S.T.C. Bus Station ?

(b) If so is there any proposal to construct the ASTC Bus Station at Digboi ?

(c) How long it will take to materialise the propose Bus Station ?

Shri Shio Shambhu Ojha (Minister, Transport) replied :

(a) Yes.

(b) Yes.

(c) Depending upon availability of funds construction will be taken of the Bus Station.

বিষয় : উন্নয়ন খণ্ড স্থাপন।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১৮২। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া জিলাত কিমানটা নতুন উন্নয়ন খণ্ড স্থাপন কৰিবলৈ চৰকাৰৰ আঁচনি আছে ?

(খ) চলিত বছৰত উক্ত উন্নয়ন খণ্ড সমূহৰ কোন উন্নয়ন খণ্ড আগতে স্থাপন কৰিব ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়া জিলাৰ ধেজালতলী, পেডেৰী আৰু ৰৰবিলত নতুন উন্নয়ন খণ্ড স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে।

(খ) এতিয়ালৈ এই বিষয়ে একো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় : বাচক্ৰয় ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১৮৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) চৰকাৰে কিমান খন বাছ এই বছৰ কিনিছে ?

(খ) কিমান খন বাছৰ বডি স্থানীয় যুৱকক বনাবৰ বাবে দিয়া হৈছে, আৰু কিমান খন বাহিৰত বনাবলৈ দিয়া হৈছে ?

শ্ৰীশিৱশম্ভু ওজা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক পৰিবহন নিগমে ১৯৯১-৯২ চনত (পচাশী) ৮৫ খন বাছ কিনিছে ।

(খ) ইয়াৰে ৫৪ (চৱন্ন) খন অসমৰ স্থানীয় ক্ষুদ্ৰ উদ্যোগক বডি বনাবৰ বাবে দিয়া হৈছে । অসমৰ বাহিৰত এখনো দিয়া হোৱা নাই ।

বিষয় : সংৰক্ষণ বিধি ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ।

১৮৪। মাননীয় গ্ৰামোদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম অনুসুচীত জাতি আৰু জনজাতি সংৰক্ষন আইন ১৯৭৮ আৰু ১৯৮৩ চনৰ সংৰক্ষন বিধিৰ আধাৰত চৰকাৰী নিৰ্দ্দেশাৱলী খাদী আৰু গ্ৰামোদোগ বৰ্ডে প্ৰয়োগ কৰিছেনে ?

(খ) যদি কৰিছে, আইন আৰু বিধি প্ৰয়োগ হোৱা দিনৰে পৰা কিমান জন চৰকাৰী বিষয়া আৰু কৰ্মচাৰীক ৰোষ্টাৰ অনুসৰি খাদী আৰু গ্ৰামোদ্যোগ বৰ্ডত পদোন্নতি আৰু নিযুক্তি দিয়া হৈছে। তেওঁলোকৰ নাম আৰু বৰ্ডৰ সৰ্বমুঠ পদৰ বিপৰীতে জিলা ভিত্তিত অনুসুচীত জাতি আৰু জনজাতি বিষয়া আৰু কৰ্মচাৰী সংখ্যা শ্ৰেণীগত ভাবে জনাবনে ?

(গ) বৰ্ডত বৰ্ত্তমান কিমানটা খালি পদ আছে আৰু পদসমূহ কি কি ?

(ঘ) খালি পদসমুহৰ ভিতৰত অনুসুচীত জাতি আৰু অনুসুচীত জনজাতিৰ বাবে কিমানটা পদৰ আছুতীয়া সংৰক্ষণৰ ব্যৱস্থা আছে ?

(ঙ) পদসমূহ পুৰনৰ ব্যৱস্থা লোৱা হৈছেনে ?

শ্ৰীশিৱশম্ভু ওজা (খাদী আৰু গ্ৰামোদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কৰা হৈছে ।

(খ) অসম খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডত কোনো চৰকাৰী বিষয়া বা কৰ্মচাৰীক পদোন্নতি আৰু নিযুক্তি দিয়া নহয় । গতিকে তেওঁলোকৰ তালিকা দিয়াৰ প্ৰশ্ন নুঠে ।

(গ) বৰ্ডত বৰ্ত্তমান নিযুক্তিৰ বাবে ২৭ টা আৰু পদোন্নতিৰ বাবে ২১ টা পদ খালী আছে ।

(১) লগত ১ নং তালিকা গাঠি দিয়া হ'ল ।

( See the Annexure — II )

(ঘ) অনুসুচীত জাতি আৰু অনুসুচীত জন-জাতিৰ বাবে নিযুক্তিৰ কাৰনে ২২ টা আৰু পদোন্নতিৰ কাৰণে ২১ টা পদ সংৰক্ষন কৰা হৈছে ।

বিতং বিৱৰণৰ বাবে ১ নং তালিকা দ্ৰষ্টব্য ।

(ঙ) বোৰ্ডৰ আৰ্থিক দুৰবস্থাৰ বাবে বৰ্ত্তমান নিযুক্তি আৰু পদোন্নতিৰ ব্যৱস্থা সম্পুৰ্ণ কৰিব পৰা হোৱা নাই ।

বিষয় : অনুসূচীত জাতি উন্নয়ন পৰিষদ ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

১৮৫। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মহকুমা অনুসুচীত জাতি উন্নয়ন পৰিষদ গঠনৰ ক্ষেত্ৰত দল নিৰ্বিশেষে স্থানীয় বিধায়ক সকলৰ লগত আলোচনা কৰা হয় নে ?

(খ) যদি নহয় কিয় ?

শ্ৰীবৰ্গৰাম দেউৰী (ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যান মন্ত্ৰী ) ।

(ক) সাধাৰণতে কৰা নহয় ।

(খ) প্ৰশ্ন নুঠে ।

বিষয়: পৰিবহন নিগমক ব্যক্তিগত খণ্ডলৈ নিয়াৰ প্ৰস্তাৱ।

শ্ৰীগহীন চন্দ্ৰ দাসে, সুধিছে:

১৮৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) পৰিবহন নিগম ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ প্ৰস্তাৱ চৰকাৰে লৈছে নেকি?

(খ) যদি লৈছে, তাৰ কাৰণ কি?

শ্ৰীশিৱশম্ভু ওজায়ে উত্তৰ দিছে:

(ক) বৰ্ত্তমানে নাই।

(খ) প্ৰশ্ন নুঠে।

Re: **Ticketless Travellers.**

Sri Dewan Jaynal Abedin, asked:

187. Will the Minister of Transport be pleased to state:

(a) Whether the Government is aware of the problem of ticketless travelling in A.S:T.C. Buses?

(b) If so, what measures the Government is contemplating to stop this menace?

Shri Shio Shambhu Ojha (Minister, Transport) replicd:

(a) Yes.

(b) A.S.T.C. has a vigilance wing which is entrusted with the task of detecting ticketless travelling and penalising the passengers without tickct. Action against our own staff found guilty in this regard is also taken for time to time.

Sub : **Categorywise number of posts.**

Shri Dependra Rongpi, asked :

188. Will the Minister of health and F.W. be pleased to state :

(a) The total number of posts in the following categories for Karbi Anglong District ?

(i) M & HOI,

(ii) Sr. M & H.O.

(iii) S.D.M. & H.O.

(iv) Addl. C.M. & H.O.

(v) C.M. & H.O.

(vi) Joint Director of Health & F.W. for Hill Areas ?

(b) The actual number of officers referred to above presently working in the above categories ?

(c) Is there any vacancy in the above categories and if so, since when and the reasons for the vacancy ?

Shri Gobinda Chandra Langthasa (Minister, Health & F.W.) replied :

| | | |
|---|---|---|
| (a) | (i) M and HOI | 96 |
| | (ii) Sr. M and H.o. | 27 |
| | (iii) SDM and H.O. (Hamren/Diphu) | 2 |
| | (iv) Addl. C.M. H.O. | 1 |
| | (v) C.M. & H.O. | 1 |
| | (vi) Jt. Director of Health & F.W. | 1 |
| | | Total 128 Nos |

| | | |
|---|---|---|
| (b) | M and H.O.I. | 70 |
| | Sr. M and H.O. | 12 |
| | S.D.M. and H.O. (Hamren/Diphu) | 2 |
| | C.M. and H.O. | 1 |
| | | Total 85 Nos. |
| (c) | Yes, Jt D.H.S. (Hills) | 1 |
| | Addl. C.M. and H.O. | 1 |
| | Sr. M and H.O. | 16 |
| | M and H.O.I. | 26 |
| | | Total 44 Nos. |

Vacancies have arise due to promotion, transfer, retirement and creation of posts. Date from which the posts are vacant is shown in Annexure-I.

See the Annexure-III

ৰিষয়: সমন্বয় ৰক্ষী সমিতিৰ সদস্যৰ নাম ।

ডা: কমলা কলিতায়ে সুধিছে:

১৮৭। মাননীয় গ্ৰামোন্নয়ন ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ছয়গাওঁ উন্নয়ন খণ্ডৰ সমন্বয়ৰক্ষী সমিতিৰ সদস্য সকলৰ নাম কি ?

(খ) তেওঁলোকৰ ঠিকনা আৰু শিক্ষাগত অৰ্হতা জনাব ?

শ্ৰীআফজালুৰ ৰহমান, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ছয়গাওঁ উন্নয়ন খণ্ডৰ সমন্বয়ৰক্ষী সমিতিৰ সদস্য সকলৰ নাম, ঠিকনা আৰু পদৱী:

১। স্থানীয় বিধায়ক— সভাপতি ।

২। শ্ৰীজয় কুমাৰ জৈন,— সদস্য ।
কেদাৰ ৰোড, গুৱাহাটী- ১

৩। শ্ৰীহৰেশ্বৰ সাউদ— ঐ
গাওঁ ও পোঃ অঃ ছয়গাওঁ ।

৪। শ্ৰীবিপিন শৰ্ম্মা— ঐ
গাওঁ : নাওপাৰা, পোঃ অঃ ছয়গাওঁ ।

৫। মোঃ আৰ বক্কৰ চিদ্দিক,— ঐ
গাওঁ- শিঙ্গীমাৰী, পোঃ অঃ আলিকাষ

৬। ডাঃ ফাইজুল্লা চৌধুৰী,— ঐ
গাওঁ ও পোঃ অঃ গৰৈমাৰী ।

৭। শ্ৰীৰামেশ্বৰ ৰাভা,— ঐ
গাওঁ- আগছিয়া, পোঃ অঃ ৰামুনিগাওঁ ।

৮। মঃ ৰাদশাহ মিঞা,— ঐ
গাওঁ ও পোঃ অঃ চামফুপাৰা ।

৯। মঃ আব্দুল ওৱাহিদ,— ঐ
গাওঁ- কালাটলি, ঐ
পোঃ অঃ আলিকাষ ।

১০। মঃ আফাজুদ্দিন খান,— ঐ
গাওঁ- চৰৈমাৰী,
পোঃ অঃ আলিকাষ ।

১১। মঃ মেমো শ্বেখ,— ঐ
গাওঁ ও পোঃ অঃ গুমি ।

১২। শ্ৰীৰতি ৰাম বড়ো, ঐ
গাওঁ— চোলামুখ ।

১৩। শ্ৰীআনন্দ বড়ো— ঐ
গাওঁ- টাটানপুৰ ।

১৪। শ্ৰীমতী হেমপ্ৰভা কলিতা,— ঐ
ছয়গাওঁ ।

১৫। জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া,/সদস্য/সচিব, খণ্ড উন্নয়ন বিষয়া,—

১৬। শ্ৰীহিৰেণ ঠাকুৰীয়া— সদস্য
গাওঁ- মাজপাৰা ।

১৭। সূৰ্য্য কান্ত কলিতা,— ঐ

শিক্ষাগত অৰ্হতা :

১। স্থানীয় বিধায়ক, ডাঃ কমলা কলিতা, এম, বি, বি, এছ,
২। শ্ৰীজয় কুমাৰ জৈন, মেট্ৰিকুলেট।
৩। শ্ৰীহৰেশ্বৰ সাউদ, আন্দাৰ মেট্ৰিক।
৪। শ্ৰীবিপিন শৰ্মা সংস্কৃত শাস্ত্ৰী
৫। মঃ বক্কৰ ছিদ্দিক, আন্দাৰ মেট্ৰিক।
৬। ডাঃ ফজলুল হক চৌধুৰী, পি, ইউ।
৭। শ্ৰীৰামেশ্বৰ ৰাভা, মেট্ৰিকুলেট।
৮। মঃ বাদশাহ মিঞা, আন্দাৰ মেট্ৰিক।
৯। মঃ আব্দুল ওৱাহিদ, এম, এ,
১০। মঃ আফাজুদ্দিন খান, বি, এ,
১১। মঃ মেমো শ্বেখ, আন্দাৰ মেট্ৰিক।
১২। শ্ৰীৰতি ৰাম বড়ো, আন্দাৰ মেট্ৰিক।
১৩। শ্ৰীআনন্দ বড়ো, আন্দাৰ মেট্ৰিক
১৪। শ্ৰীমতী হেমপ্ৰভা কলিতা, আন্দাৰ মেট্ৰিক।
১৫। শ্ৰীহিৰেণ ঠাকুৰীয়া, মেট্ৰিকুলেট।
১৬। জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া শ্ৰীপ্ৰদীপ চন্দ্ৰ দাস, বি, এ,
১৭। সূৰ্য্যকান্ত কলিতা, আন্দাৰ মেট্ৰিক।

বিষয় : যাত্ৰীবাহী বাচ।

শ্ৰীনজমুল হকে সুধিছে :

১৯০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পৰিবহন বিভাগৰ যাত্ৰীবাহী বাছ যাত্ৰা পথত গৈ অচল হৈ পৰিলে যাত্ৰী সকলৰ টিকটৰ পইচা ঘূৰাই দিয়াৰ ব্যৱস্থা আছে। যদি নাই ইয়াৰ ব্যৱস্থা কৰিবনে ?

(খ) ৰাজ্যিক পৰিবহন নিগমৰ (Supper Delux আৰু (Supper Express) সকলো বাছক সাধাৰণ শ্ৰেণীৰ বাছলৈ ৰূপান্তৰ কৰাৰ প্ৰস্তাৱ আছে নেকি ?

শ্ৰীশিৱশম্ভু ওজা, (পৰিবহন মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) তেনে ব্যৱস্থা নাই ।

(খ) বৰ্ত্তমানে এনে কোনো প্ৰস্তাৱ নাই ।

বিষয় : প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ।

শ্ৰীনজমুল হকে সুধিছে :

১৯১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত চুনাৰী জয়পুৰ দ্বাৰকা আৰু মাৰকুলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্ম্মানৰ বাবে স্বাস্থ্য বিভাগে মুঠ কিমান টকা ধাৰ্য্য কৰিছে ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) গোৱালপাৰা জিলাৰ জয়পুৰ প্ৰথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্ম্মানৰ বাবদ মুঠ ১১,২৮,৫০০ (এঘাৰ লাখ আঠাইশ হাজাৰ পাচশ) টকা ধাৰ্য্য কৰি প্ৰশাসনীক অনুমোদন দিয়া হৈছে ।

এই জিলাৰ চুনাৰীত এখন ৩০ খন বিচনাযুক্ত হস্পিতাল স্থাপনৰ অৰ্থে গড়কাপ্তানী বিভাগে ৪৫,০৫,১০০ (পনচল্লিচ লাখ পাচ হাজাৰ এশ) টকাৰ প্ৰাক্-কলন স্বাস্থ্য বিভাগক প্ৰদান কৰিছে। কিন্তু বৰ্ত্তমানলৈকে পুজিৰ অভাৱত প্ৰশাসনীক অনুমোদন দিব পৰা হোৱা নাই। দ্বাৰকা আৰু মাৰকুলাত প্ৰাথমিক স্বাস্থ্য-কেন্দ্ৰৰ গহ নিৰ্ম্মানৰ বাবে পুজিৰ নাটনি হোৱা হেতুকে এতিয়ালৈকে কোনো টকা ধাৰ্য্য কৰা হোৱা নাই ।

বিষয় : চাৰি দুৱাৰ ব্লক নিৰ্ম্মাণ ।

শ্ৰীকুশল চাহুয়ে সুধিছে :

১৯২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সৰহ সংখ্যক জনজাতি লোকৰ বসতিপুৰ্ণ চতিয়া সমষ্টিৰ অন্তৰ্গত চাৰি-দুৱাৰত এখন সুকীয়া ব্লক স্থাপন কৰিবনে ?

(খ) যদি কৰে সোনকালে কাৰ্য্যকৰী ব্যৱস্থা লবনে ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ ৬।৪ ৯০ৰ নং পি, দি, ৰি, ৭০।৮৫।২৩৫ তাৰিখৰ অধি সূচনা যোগে চতিয়া বিধান সভা সমষ্টিৰ চাৰি দুৱাৰত এটা নতুন উন্নয়ন খণ্ড স্থাপনৰ দিদ্ধান্ত লোৱা হয়।

(খ) পুজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

বিষয় : কয়াকুছিত স্বাস্থ্য কেন্দ্ৰ স্থাপন।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

১৯৩। মাননীয় স্বাস্থ ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰৰপেটা জিলাৰ কয়াকুছিত স্বাস্থ্য বিভাগে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এটি স্থাপন কৰাৰ প্ৰস্তাৱ দিয়াটো সঁচানে ?

(খ) যদি সঁচা, উক্ত প্ৰস্তাৱিত স্বাস্থ্য কেন্দ্ৰৰ আঁচনি আৰু প্ৰাক্ কলন (Plan estimate) আদি প্ৰস্তুত কৰা হৈছেনে ?

(গ) যদি হৈছে, কয়াকুছিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কেতিয়া স্থাপন কৰা হব ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা।

(খ) হয়, কিন্তু গড়কাপ্তানী বিভাগৰ পৰা এই প্ৰাক্কলন স্বাস্থ্য বিভাগে এতিয়ালৈকে পোৱা নাই।

(গ) গড়কাপ্তানী বিভাগৰ পৰা প্ৰাক্কলন পোৱাৰ পিছত পুজি সাপেক্ষে প্ৰশাসনিক অনুমোদন দি এই স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা লোৱা হব।

বিষয় : আবাস গৃহ নিৰ্মাণৰ আঁচনি।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

১৯৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসক সকলৰ কাৰণে আবাস গৃহ আছেনে ?

(খ) যদি নাই আবাস গৃহ নিৰ্মাণৰ আঁচনি লোৱা হব নে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) আঁচনি লোৱা হৈছে।

বিষয় : চিকিৎসা সেৱা।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

১৯৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ শালমাৰা মহকুমাত নতুনকৈ নিৰ্ম্মান কৰা ডুমেৰগুৰি, আমগুৰি, কচুতলা, ধনতলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবোৰ কেতিয়া খোলা হব আৰু চিকিৎসা সেৱা আৰম্ভ কৰিব ?

(খ) অভয়াপুৰী চহৰত ১০০ খন বিচনাযুক্ত চিকিৎসালয় খোলাৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে নেকি ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (স্বাস্থ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কচতুলা আৰু ধনতলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ দুটা ৰোগীৰ বাবে ইতিমধ্যে মুকলি কৰা হৈছে। ডুমেৰগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সোনকালে মুকলি কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। সেইদৰে আমগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হলে প্ৰয়োজনীয় চিকিৎসক আৰু কৰ্ম্মচাৰীৰ নিযুক্তি সাপেক্ষে ৰোগীৰ বাবে মুকলি কৰা হব।

(খ) এতিয়ালৈকে প্ৰস্তাৱ হাতত লোৱা নাই।

Re : **Proposal to construct a T.B. Hospital.**

Shri Babu Rangpi asked :

196. Will the Minister Health & Family Welfare be pleased to state :

(a) Whether there is a proposal to construct a T.B. Hospital at Diphu.

(b) If so, the progress of the work.

Shri Gobida Chandra Langthasa : (Minister Health and Family Welfare) replied ;

(a) Yes.

(b) The Plan and Estimate for an amount of Rs. 2,00, 14000.00 already received and will be taken up subject to availabilty of funds.

* শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কিবিলাক চৰ্ট নটিচ প্ৰশ্ন আছে সেই বিলাক আনিব লাগে। আমি বহুদিন আগতে দিয়া প্ৰশ্ন এতিয়াও আহি পোৱা নাই। বিভাগৰ তৰফৰ পৰা আমাক জনোৱা হৈছিল যে তাৰিখ এটা ধৰি দিব লাগে। সেইমতে আমি দিছিলো কিন্তু আজিলৈ অহা নাই। কিন্তু যিবিলাকে তাৰিখ ধৰি দিয়া নাছিল সেইবিলাক আহি আছে।

Mr. Speaker : I have received one zero hour notice from the Honourable Member, Shri Hiteswar Deka today on a news item published in 'Ajir Asom' under the caption "অসমৰ কয়লা ব্যৱসায়ত অসৎ চক্ৰৰ প্ৰতিপত্তি"।

## DISCUSSION DURING ZERO HOUR

* শ্ৰীহিতেশ্বৰ ডেকা . মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব ৰিচাৰিছো। এই বিষয়টো বাতৰি হিচাবে আজিৰ অসম কাকতত যোৱা ১৮ তাৰিখে প্ৰকাশিত হৈছিল। অসমৰ কয়লাৰ ব্যৱসায়ীয়ে অসমৰ কয়লা বাহিৰলৈ পঠায়, "শীৰ্ষক বাতৰি প্ৰকাশিত হৈছিল। এইটো গোটেই বাতৰিটো সদনত পঢ়ি দি মই আজিৰ শুকুৰবৰীয়া সদনৰ বহুমূলীয়া সময় নষ্ট নকৰো। অসমৰ কয়লা সম্পদৰ ওপৰত ৰাজ্যিক চৰকাৰে চোৱা দৃষ্টি নিদিয়াৰ ফল স্বৰূপে অসমৰ কয়লা বাহিৰলৈ পঠোৱা হয়। বেলতলাত থকা কয়লা ব্যৱসায়ৰ ওপৰত কোনো ৰাজনৈতিক ব্যক্তিত্বৰ খোচ মৰা কথা আৰু বিশেষ কোনো উল্লেখ নথকাৰ বাবেহে মই এইদৰে কবলৈ বাধ্য হৈছো। যোৱা কিছুদিন আগতে কমলপুৰ বাইহাটাত এটা কয়লাৰ ডিপু খোলা হৈছিল। এই কয়লা ডিপুটো খোলাৰ পাছত তাত ১২/১৫ শ্ৰমিকে কাম কৰিবলৈ লৈছে। তাৰোপৰি ২৫/৩০ জনমান শিক্ষিত যুবকেও তাত কাম কৰিবলৈ লৈছে। সেইদৰে মোৰ সমষ্টিৰ প্ৰায় ১৫ শ টা মান পৰিয়ালে

* Speech not corrected.

কৰ্মসংস্থানৰ জৰিয়তে কিছু সকাহ এটা পাইছে। আগতে শ্ৰমিকসকলে দিন হাজিৰা ৩০ টকাকৈ পাইছিল। এতিয়া ৫০/১০০ টকাকৈ পাইছে। এইদৰে মোৰ সমষ্টিৰ ভালেমান পৰিয়াল ৰক্ষা পৰিছে। ইয়াত আকৌ তিনিগৰাকী অসমৰ ব্যৱসায়ী আছে। শ্ৰীগোৰেল, শ্ৰীমিত্তাল আৰু এগৰাকী কোনোবা গান্ধী নে মহাত্মা গান্ধী।

* শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী) :এজন ব্যৱসায়ীক মহাত্মা গান্ধী বুলি কিয় কৰ। জাতিৰ পিতা মহাত্মা গান্ধীক অবমাননা কৰা হৈছে।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, সেই দিনা জগন্নাথ শৰ্ম্মাক মহাত্মা গান্ধী বুলি কোৱা কাৰণে মই মহাত্মা গান্ধীক অবমাননা কৰা বুলি উংথাপন কৰিছিলো কিন্তু গোটেই সদন মনে মনে থাকিল। কিন্তু আকৌ সেই একেটা কথাকে পুনৰ আবৃত্তি কিয় হ'ল।

* শ্ৰীহিতেশ্বৰ ডেকা : শ্ৰীগোৱেল বোলা মানুহ জনৰ নাম বাতৰি কাকতৰ সদায়ে শিৰোনামাত থাকে। বেলওৱে শ্লীপাৰৰ কেলেঙ্কাৰী, ষ্টেটফেড আদিৰ নানা কেলেঙ্কাৰীৰ কথা বাতৰি কাকতত প্ৰকাশ পোৱা দেখা গৈছে। আমাৰ কয়লাডিপুৰ ব্যৱসায়ী কেইজনক কোৱা হয় যে শ্ৰীগান্ধীয়ে প্ৰত্যেক ট্ৰেনটে ১০ লাখকৈ গুণ্ডা টেক্স বিছাবিছে। এইদৰে মাহত ৪০/৫০ লাখ টকা তেওঁ আদায় কৰে, গুণ্ডা টেক্সৰ নামত। তেওঁ কৈছে তাৰ আধা টকা কোনোবা ৰাজনৈতিক ব্যক্তিক দিব দিলে পুলিচৰ জৰিয়তে। এই কথাত বাধা দিয়া নহলহেতেন যদিহে শ্ৰমিক সকলৰ ওপৰত কোনো প্ৰকাৰৰ হেচা নপৰিল হেতেন। কিন্তু ইয়াত বাধা জন্মোৱাত পুলিচে মাৰ পিত কৰি গোৱেল, মিতটালৰ ৰাহিৰে সকলোকে মাৰ পিট কৰি কেইজনমানক ৰান্ধিলৈ যায়। তাৰ পিচত গোটেই থানা তিনি ঘণ্টা শ্ৰমিক সকলে ঘেৰাও কৰি ৰখায পাচত ৰাকী কেইজনক এৰি দিয়া হয়। অলপ পাচত এ, কে, চাহু ডি, আই, জি, এচ,পি সৰহ সংখ্যক বাহিনী লৈ তালৈ গৈ মাৰ পিত কৰে। এই বিষয়ে এটা তদন্ত কৰি দোষীক শাস্তি ৰিহিৰ লাগে। নহলে গোৱেল, মিটালৰ নিচিনা মানুহক আমাৰ পৰা খেদি পঠোৱা সাহস আমাৰ আছে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ৰিষয়ে তদন্ত কৰি মই ব্যৱস্থা গ্ৰহণ কৰিম।

---

* Speech not corrected.

Mr. Speaker : I have Received another zero hour notice from the Honourable Member, Shri Nizamuddin Khan today on a news item published in Ajir Asom dated 20.3,92 under the caption—" বেলতলাত শিখ যুবক হত্যা খালিস্তানী জড়িট "।

* শ্ৰীনিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, যোৱা আজিৰ বাতৰিত ৬ জন শিখ যুবক হত্যা নামৰ শীৰ্ষক বাতবিটো প্ৰকাশ পাইছে। গোটেই ৰাতৰিটো মই পঢ়ি দিব বিচৰা নাই যিহেতু সদনত সময়ৰ নাটনি। বশিষ্ঠ চাৰি আলিত কুণ্ডীল নগৰ নামৰ ঠাইত এজন ফৌজী নামৰ শিখ যুবকক তিনিজন মটৰচাইকেলধাৰী লোকে গুলিয়াই হত্যা কৰে। কিন্তু পুলিচত খবৰ দিয়াৰ পাচতো তেওঁলোকৰ তৰফৰ পৰা তদন্তৰ বাবে কোনো প্ৰস্তুতি দেখা যোৱা হোৱা নাই।

অধ্যক্ষ মহোদয়, আমি আচৰিত হৈছো যে সন্ধিয়া আঠ বজাত এনে-দৰে গুলি কৰা হৈছে। প্ৰায় পঞ্চাশ জঁাই মান গুলি কৰা হৈছে আৰু তাত বুলেটো পোৱা হৈছে। কিন্তু ওচৰতে আৰক্ষী থানা থকা স্বত্বেও কোনো তৎপৰ ব্যৱস্থা লোৱা নাই। বাহিৰৰ পৰা বিভিন্ন কাৰণত বা ব্যৱসায় আদি কৰিবলৈ মানুহ আহে যদিও আমি ইয়াত নিৰাপত্তা দিব পৰা নাই। আমাৰ অসম চৰকাৰ নিৰাপত্তা দিয়াত ব্যৰ্থ হৈছে। বেলতলাৰ এই ঘটনাও এটা উদাহৰণ মাত্ৰ। মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰি জনাব বিচাৰিছো যে আমাৰ ইয়াত থকা বাহিৰৰ মানুহক যদি আমি নিৰাপত্তা দিব নোৱাৰো তেনেহলে আমাৰ ইয়াত এটা অৰাজকতাৰ সৃষ্টি হব। বাতৰি কাকত বিলাকতো সঘনে লুট-পাত হত্যা আদি ঘটনা ওলায়েই আছে। অপহৰনৰ ঘটনা ঘটিয়েই আছে। সেইবিলাক যদি বন্ধ কৰিব পৰা নহয় তেনেহলে কেৱল শান্তি সম্প্ৰীতিৰ কথা কলেই বা আলফাৰ লগত আলোচনা কৰি শান্তি সম্প্ৰীতি গঢ়ি তুলিবলৈ চেষ্টা কৰিলেই তেনে শান্তি সম্প্ৰীতি গঢ় লৈ নুঠিব। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে এনে ধৰণৰ ঘটনা বিলাকৰ প্ৰতি চকু দি শীঘ্ৰে এই বিলাক নাইকীয়া কৰাৰ কাৰণে ব্যৱস্থা লয়।

* Speech not corrected.

* শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, 'আজিৰ বাতৰি' ২০ মাৰ্চত প্ৰকাশিত বেলতলাত শিখ যুৱক হত্যা শীৰ্ষক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। যোৱা তিনিমাহৰ পৰা কিছু খালিস্তানী সদস্য অসমৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানত আশ্ৰয় লৈ শিখ সম্প্ৰদায়ৰ লোকৰ পৰা খালিস্তানৰ বাবে ধন সংগ্ৰহ কৰাৰ বাতৰি চৰকাৰৰ দৃষ্টিগোচৰ হয়। এই সন্দৰ্ভত কোনো ব্যক্তিৰ পৰা অভিযোগ নোপোৱাত অনুসন্ধানত অসুবিধাৰ সৃষ্টি হয়। কিন্তু আৰক্ষী বাহিনীৰ চোৰাংচোৱা বিভাগত এনে কাৰ্য্যকলাপৰ ওপৰত সতৰ্ক দৃষ্টি ৰখা হয়।

যোৱা ১৮ মাৰ্চ তাৰিখে বেলতলাৰ কুণ্ডিলনগৰত ভূপিন্দৰ সিং নামৰ এজন ট্ৰাক ড্ৰাইভাৰৰ ঘৰত এজন সন্দেহযুক্ত খালিস্তানী যুৱকে ৰাতিটোৰ বাবে আশ্ৰয় লয়। সেই সময়ত ঘৰত কেৱল ট্ৰাক ড্ৰাইভাৰৰ পত্নী আৰু তেওঁৰ কেচুৱাহে আছিল। ৰাতি চাৰে দহ বজাত তিনিজন অচিনাকী শিখ যুৱকে স্কুটাৰত আহি দুৱাৰত ঢকিয়াই আৰু আশ্ৰয় লোৱা যুৱক জনক বাহিৰলৈ মাতি নিয়ে। যুৱক জন ওলাই যোৱাৰ লগে লগে স্কুটাৰত অহা যুৱক কেইজনে তেওঁক গুলীয়াই হত্যা কৰে। বশিষ্ঠ থানাৰ পুলিচে ঘটনাৰ খবৰ পাই ৰাতি প্ৰায় ১১ বজাত ঘটনা স্থলীত উপস্থিত হয়, আৰু তদন্ত আৰম্ভ কৰে।

অলপ পাছতে গুৱাহাটী মহানগৰীৰ আৰক্ষী অধীক্ষকো ঘটনা স্থলীত উপস্থিত হয়। আৰু তদন্তৰ ভাৰ লয়। তদন্তত এ, কে ৪৭ ৰাইফলৰ গুলী পোৱা হয় আৰু মৃতদেহ চিনাক্ত কৰণৰ আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠিওৱা হয়।

পুলিচে ইতিমধ্যে তিনিজন সন্দেহযুক্ত খালিস্তানীকে আটক কৰিছে। তেওঁলোক হল সংপাল সিং সাট্ৰা, জাৰ্ণাইল সিং আৰু সুখৰাজ সিং। মৃত ব্যক্তিজনক খালিস্তানী সদস্য শ্ৰীসুখদেউ সিং মান ওৰফে ফৌজী বুলি লি চিনাক্ত কৰা হৈছে তদন্তমতে তেওঁ খালিস্তানী আন্দোলনৰ বাবে শিখ সম্প্ৰদায়ৰ লোকৰ পৰা টকা পইচা সংগ্ৰহ কৰিছিল। আটক হৈ থকা যুৱক কেইজনক জেৰা কৰি থকা হৈছে। পুলিচে এই বিষয়ত চোকা নজৰ ৰাখিছে।

---

* Speech not corrected.

## ADJOURNMENT MOTION

Mr. Speaker : I have received a notice of adjournment motion under Rule 156 tabled by Honourable Members Shri Promode Gogoi, Shri Parameswar Brahma, Shri Sasha Kamal Handique, Shri Pani Ram Rabha, Shri Karendra Basumatary, Shri Jew Ram Boro, Shri Derhagra Mochahary about "the situation arising out of the killing of Police personnel on March 18, 1992 and subsequent killing of two civiline by Police on 19.3.92 at Seraikhola under Kokrajhar P. S. and District." Now I call upon Shri Promode Gogoi to speak about the admissibility of their Adjournment Motion.

Shri Promode Gogoi : Mr. speaker Sir, the Motion for adjournment of the House under Rule 56 must fulfill two conditions accord ng to our rule. The rule says. It must be definite matter and the must be of urgent public importance. Speaker Sir, only this is the first occasion, because there were two holidays and this incident took place only recently at Saraikhola under Kokrajhar police Station in the Kokrajhar District. Speaker Sir, the incident took place on 18th March when certain extrimists attacked police personnel on duty when they were guarding the bridge and snatched away the LMG rifle and some other weapons. On the next day, i.c. on yesterday, the police personnel in retaliation they shot the motor cyclists and one of them Babul Musahary died on the spot and the second rider Tapan Nurzary has been hospitalised and he is in serious condition. Therefore, it is a definite matter

which took place only yesterday and day before yesterday and in the same place, and secondly, the matter is of urgent public importance because as a result of this incident there were retaliation from the side of police personnel. They are raiding the villages, they are harassing the innocent persons unnecessarily. For your information Sir, the Operation Rhino is still continuing in the District of Kokrajhar. They are giving harassment to the innocent people of that locality. Therefore if there is no intervention from the House, the situation may unnecessarily go out of control. Therefore it is a fit case to be discussed in the House through an adjournment motion. And secondly Sir, according to Rule 57 it must overcome certain restriction. The restrictions are not more than one such mosion shall be made at the same sitting. This is the only motion for adjournment of the House in the sitting. Today Assembly, there is no other motion moved by any Honourable members. Secondly, restriction not more than one matter can be discussed on the same motion, and the motion must be restricted to a specific matter of recent occurrence. As yon know sir, this is a matter of recent occurrence which took place on the same place on two days i.e. on 18th and 19th and this is the only matter because the location is the same location i.e. the Saraikhole area and on the :same place. Thirdly, the motion must not revive discussion on a matter which has been discussed in the same session. The matter was not discussed in the House' therefore this is the first occasion we have raised this matter in the House. The fourth rest-

rictions, the motion must not anticipate a matter which has been previously appointed for consideration or with reference to which a notice of motion has been previously given, regard being had to the probability of the matter anticipated being brought before the House within a reasonable time. And according to the provisions there was no notice for the discussion of the matter and there is no possibility of moving resolution to discuss the matter. Therefore, it also does not bar the restriction under Sub-Rule 56 in which a resolution cannot be taken. Speaker Sir, I have already said that there is no possibility of moving a resolution of such a matter because the matter is a definite and urgent public importance and therefore intervention of the House is necessary. Sub-Rule (vi) said that the motion shall not deal with any matter which is under adjudication by a Court of Law having jurisdiction in any part of India. The matter is not subjudice. There is no case pending in any court of law. Sub-Rule (vii) says, the motion shall not raise a question of privilege, and the sub-Rule (viii) says that it must not relate a matter which not primarily the concern of the Government of the State. Therefore Sir, our motion fulfilled all the conditions that have been put under Rule 56 and 57 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly and also does not bar by any restrictions of the provisions. Therefore, Sir, the matter might worsen and therefore the intervention of the Houes is necessary and it is a fit case to be discussed through the adjournment of the House.

Shri Parameswar Brahma : We have got this adjournment motion and I request your honour to consider the matter because the points of admissibility have been spoken elaborately. This is an matter of urgent public importtance as this has involved the Bodo community and some Government officials. In this incident Shri Bullal Basumatary, son of Shri A. Basumatary and Shri Tapan Narzary, son of Jamini Narzary a pharmacist have been injured and hospitalised. Now the fact is that the Government is maintaining double standard role because the Government is provoking Bodo people to create law and order situation so that the negotiation between the Centre and the State Government is hampered. I cannot say any reason why the State Government cannot contain the law and order situation which has happened only half a kilometre away from the 7th Assam Police Battalion camp at Adabari. There are many police pockets in the area and killing of police personnel could not take place. Till today the police personnel of district authority has not taken any initiative to nab the extremists. On the other hand, they are creating rain of terrors amongst the innocent people. The district authority, particularly the Kokrajhar district police authority has not taken any measure to nab the culprits. Now my concern is that if this matter has not been intervened by the House, its consequence will be very far reaching and it will create an explosive situation in the Kokrajhar and adjoining areas. So from the points of admissibiliiy of the motion already spoken elaborately I endorse the same and I request the Honourable Speaker to intervene considering the gravity

of the situation. Let the House take up the matter for discussion and you may give your ruling on the matter.

শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, এই সভা স্থগিতৰ প্ৰস্তাৱটোৰ ওপৰত মই কেইটামান কথা কবলৈ ওলাইছো। যোৱা ১৮/১৯ তাৰিখৰ ঘটনাক কেন্দ্ৰ কৰি যোৱা ১৯ তাৰিখে দুজন বড়ো যুবকক পুলিচে গুলিয়াই হত্যা কৰিছে ১৮ তাৰিখে কিছুমান দুস্কৃতিকাৰীয়ে কৰ্ত্তব্যৰত পুলিচক আক্ৰমণ কৰি হত্যা কৰি লগত থকা অস্ত্ৰ-শস্ত্ৰ লুণ্ঠন কৰি নিয়ে। ঘটনাস্থলীৰ ৩ কি: মি: আতৰত আদাবাৰীত এটা পুলিচ বেটেলিয়ান আছিল। সেই বেটেলিয়ানৰ জোৱান সকলে গোটেই অঞ্চলটো ঘেৰী ধৰা হলে হয়তো দুস্কৃতিকাৰী সকলক ধৰা পেলাব পাৰিলেহেতেন আৰু তেওঁলোকে লুণ্ঠন কৰি নিয়া অস্ত্ৰ-শস্ত্ৰখিনি উদ্ধাৰ কৰিব পাৰিলেহেতেন। কিন্তু পুলিচে তাকে নকৰি দুস্কৃতিকাৰীসকলক ধৰাৰ নামত ১৯ তাৰিখে দুজন জনজাতীয় নিৰপৰাধ যুবক শ্ৰীঅশিন্ত বসুমতাৰী আৰু তপন নাৰ্জাৰীক মটৰ চাইকেলেৰে ঘৰলৈ ঘুৰি আহোঁতে পুলিচে বৰ্বৰভাবে হত্যা কৰিলে যাৰ কাৰণে গোটেই অঞ্চলতে গোটেই কোকৰাঝাৰ জিলাতে জনজাতি লোকসকলৰ মাজত সন্ত্ৰাস আৰু হতাশাৰ সৃষ্টি হৈছে। অধ্যক্ষ মহোদয় এই সদনত বাৰে বাৰে আমি বড়ো ৰাইজৰ, বড়ো যুৱকৰ মনৰ কথা আলোচনা কৰি আহিছো বড়ো যুবক সকলে আজি চৰকাৰৰ কাম কাজত ক্ষোভ প্ৰকাশ কৰি আহিছে তাতে আকৌ এনেবোৰ ঘটনাই তেওঁলোকক আৰু হতাশ কৰি আৰু বেছি আতৰলৈ ঠেলি দিব আৰু বড়ো সমস্যাটো সমাধান হোৱাত জটিলতাৰ সৃষ্টি কৰিব। পুলিচে দুস্কৃতিকাৰীক ধৰাৰ নামত এনে কাৰ্য্য কৰিলে সমস্যাটো সমাধান হোৱাত আৰু বেছি বাধা হৈ পৰিব আৰু জনজাতীয়সকলে মুল সুতিৰ পৰা আৰু বেছি আতৰি যাব। গতিকে গোটেই বিষয়টো বৰ গুৰুত্বপূৰ্ণ আৰু অতি সম্প্ৰতি ঘটিছে। সেয়ে মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই সভাস্থগিত প্ৰস্তাৱ উংথাপন কৰিছে সেই প্ৰস্তাৱটোৰ নীতি নিয়মৰ ভিতৰতে উত্থাপন কৰিছে প্ৰয়োজনীয় কপি অধ্যক্ষ মহোদয়ক দিয়া হৈছে, বিভাগীয় মন্ত্ৰীক কপি দিয়া হৈছে আৰু সচিবকো কপি দিয়া হৈছে এই গোটাইখিনি নীতি পালন কৰা হৈছে আনহাতে বিষয়টোও অতি গুৰুত্বপূৰ্ণ। গতিকে অগ্ৰাধিকাৰ ভিত্তিত সদনৰ বাকী কাৰ্য্যসুচী বাতিল কৰি সভা স্থগিত প্ৰস্তাৱ গ্ৰহন কৰিব বুলি অনুৰোধ জনালো।

* শ্ৰীপানীৰাম ৰাভা : মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজহুৱা স্বাৰ্থৰ খাতিৰত কবলৈ ওলাইছো। যিসময়ত আমি সকলোৱে শান্তি বিচাৰিছো, আলফা সমস্যা সমাধান কৰাৰ কাৰণে আমি সকলোৱে একমত প্ৰকাশ কৰিছো। আজি কাৰ্বি সমস্যা সমাধান কৰাৰ কাৰণে, বড়োলেণ্ড সমস্যা সমাধান কৰাৰ কাৰণে আমি সকলোৱে ঐক্যবদ্ধ ভাৱে উপনীত হৈছো। এনেকুৱা এটা পৰিস্থিতিত কোনোবাই যদি পুলিচ বিভাগে নিৰাপত্তাৰ কাৰণে কাৰোবাক হত্যা কৰিব সেইটো কোনেও সহ্য কৰিব নোৱাৰে। সেই কাৰণে মই ভাবো যে আজি যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে সেইটোৰ ওপৰত বিতং ভাৱে আলোচনা কৰাৰ কাৰণে সময় দি এই পবিত্ৰ সদনত দায়িত্ব পালন কৰি এই প্ৰস্তাৱটো গ্ৰহণ কৰে তাৰ ওপৰত আশা ৰাখিছো।

* Karendra Basumatary : Mr. Speaker, Sir, I extend my support to the adjournment motion moved by the honourable member Shri Promode Gogoi, I do not understand why series of killings of innocent people has been made by the miscreants. Sir, in the recent occurence which has taken place only day before yesterday Shri Kamal Basumatari at Thelamara has been killed. Sir, the law and order situation is very much worsening in the Kokrajhar district day by day . I, therefore, feel that is a fit matter to admit for discussion through adjournment motion because the police administration has totally faild in the discharge of its duties. Sir through this adjournment motion we can formulate our views as to how to crush such inhuman killing of innocent people. I, therefore, request the Honourable Speaker to allow us to discuss this crucial matter because it is a definite matter and has very public importance. Sir, the honourable Chief Minister was requested by us in this regard because now negotiation is going on

* Speech not corrected.

to solve the ULFA and Bodo problem both by the Centre and State. Sir, if at this crucial juncture such a negotiation is frustrated and if atrocities by miscreants are allowed to continue the whole process of emerging a settlement politically will be defeated. I requests that this adjournment motion be allowed so that we can resolve this crucial problem. Thank you, Sir.

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয় শ্ৰীগগৈ ডাঙৰীয়া আৰু আৰু ব্ৰহ্ম ডাঙৰীয়াই যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে সেইটোত মই সমৰ্থন জনাইছো। কাৰণ ৰোল ৫৬ৰ সভা স্থগিত যিটো চৰ্ত্ত সেইটো পূৰণ কৰিছে। যোৱা ১৮ তাৰিখে ঘটনা সংঘটিত হৈছে আৰু এই ঘটনাৰ সন্দৰ্ভত ১৯ তাৰিখে পুলিছে ২ জন জনজাতীয় বড়ো যুৱকক হত্যা কৰিছে। ১৮ আৰু ১৯ তাৰিখে ঘটা ঘটনা। আজি ২০ তাৰিখ। জনজাতীয় বড়ো যুৱক সকলৰ জীৱনৰ নিৰাপত্তা নোহোৱা হৈছে। বিষয়টো আইন শৃঙ্খলাৰ লগত জৰিত। সভা স্থগিত বিষয়টোৱে সকলো বিলাক চৰ্ত্ত পূৰণ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো যে আজি সকলো বিলাক সদনৰ কাৰ্য্যসূচী স্থগিত ৰাখি এই এই বিষয়টো আলোচনা কৰিবলৈ দিব লাগে। আবচু আৰু বি পি এ চিয়ে আন্দোলনৰ কাৰ্য্যসূচী স্থগিত ৰাখিছে। জনজাতীয় বড়ো সকলৰ মাজত আজি শান্তি বিৰাজ কৰিছে আৰু ৩১ মাৰ্চৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে বড়োলেণ্ডৰ সম্পৰ্কত প্ৰতিবেদন দাখিল কৰা কথা আছে। আজি জনজাতীয় বড়ো অঞ্চলত শান্তি বিৰাজ কৰাৰ সময়তে এটা চক্ৰই অশান্তি সৃষ্টি কৰাৰ কাৰণে চেষ্টা চলাই আছে। এই ক্ষেত্ৰত চৰকাৰে কাৰ্য্য ব্যৱস্থা হাতত লব লাগে। বৰঞ্চ নিৰাপত্তা অবলম্বন কৰাৰ ক্ষেত্ৰত কিছু কিছু ঘটনা একপক্ষীয় ভাৱে দৃষ্টিভঙ্গী লোৱা দেখা গৈছে। চৰকাৰে ৩১ মাৰ্চৰ ভিতৰত অশান্তি হোৱাটো বিচাৰে। যোৱা ১৮ তাৰিখে দুষ্কৃতিকাৰীয়ে পুলিচৰ পৰা এল এম জি আৰু ৰাইফল কাঢ়ি লৈ গল। ১৮ তাৰিখৰ দিনটো আৰু ৰাতিও দুষ্কৃতিকাৰীক বিচাৰি নেপালে। কিন্তু ১৯ তাৰিখে পিচদিনা মটৰ চাইকেলেৰে

* Speech not corrected.

গৈ থকা অৱস্থাতে পুলিচে এজনক মাৰি পেলালে আৰু এজনক হস্পিতেলাইজ কৰিবলগীয়া হল। ওদালগুৰি আৰু কোকৰাঝাৰ জিলাত পুলিচে মটৰ-চাইকেলত উঠিব নোৱাৰা অৱস্থা সৃষ্টি কৰিছে। আপোনালোকে নিজেই কৈ আহিছে অসমীয়া সমাজৰ পৰা বড়ো সকল আতৰি গল। সেই কথা পুলিচেও কয়, অসমীয়া সমাজেও কয়, ৰাজনৈতিক নেতা সকলেও কয়। যিসকলে কয় বড়ো জাতি আজি অসমীয়াৰ পৰা আতৰি গল সেই সকলেই আজি নিবৱতা অৱলম্বন কৰিছে। ১৯ তাৰিখৰ ঘটনাটো মুখ্যমন্ত্ৰীয়ে নিৰৱভাৱ অৱলম্বন কৰিছে। চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাত আলফাই সৃষ্টি কৰা শান্তি এতিয়া নিবিচাৰে। অশান্তি সৃষ্টি হলে তেওঁলোকৰ সুবিধা হয়। চাৰ, এইটো এটা আৰজেণ্ট মেটাৰ। আপুনি অন্য দিনা এনে প্ৰস্তাৱ আনিলে বিজাৰ্ভত ৰাখে। আজি মই অনুৰোধ কৰিছো যে আজি এই সভা স্থগিত প্ৰস্তাৱটো ৰিজাৰ্ভত নেৰাখে। এই বিষয়টো আলোচনা কৰাৰ কাৰণে আধাঘণ্টা বা এঘণ্টা সময় দিয়ক। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Monsigh Rongpi : Sir, I support the adjournment motion moved by the honourable member Shri Gogoi and others. In thts regard, I would like to say that since the matter is very serious and attach very big public importance, we, Sir, of the ASDC also support this adjournment motion may please be granted and discussed in the August House.

* শ্ৰীনজমূল হক : অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই যিটো সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱটো মই সমৰ্থন কৰি কৰ খুজিছো যে বৰ্ত্তমান অসমত শান্তি প্ৰতিস্থাৰ কাৰণে সকলো শ্ৰেণীৰ মানুহে অহৰহ চেষ্টা কৰি আছে আৰু ঠিক এনেকুৱা এটা সময়তে যোৱা ১৯ তাৰিখে যিটো ঘটনা ঘটিল সেইটোত অসমৰ পুলিচ বাহিনীয়ে নিজৰ ব্যৰ্থতা ঢাকিবৰ কাৰণে "খুনকা বদলা খুন" লোৱাৰ নীতি গ্ৰহন কৰা দেখা গৈছে। ইয়াৰ ফলত অসমৰ জনসাধাৰনৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে আৰু সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা কব খুজিছো যে অসমৰ শান্তি

* Speech not corrected.

ৰক্ষাৰ কাৰণে পুলিচ বাহিনীক ভৰণ-পোষণ দিয়াৰ কাৰণে যি মোটা টকাৰ বাজেট অনা হৈছে সেই টকা বাজেটত ধৰাৰ কোনো লাভ নাই। এই পুলিচ বাহিনীয়ে অসমৰ শান্তি প্ৰতিষ্ঠা কৰাত কোনো অবিহনা যোগাব পৰা নাই। আজি অসমৰ আলফা সমস্যাকে ধৰি যিবোৰ জলন্ত সমস্যাই অসমক জুৰুলা কৰি আছে সেই সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত অসমৰ পুলিচ বাহিনীৰ লগতে চৰকাৰো বিফল হৈছে। সেই কাৰণে আজি যিটো সভা স্থগিত প্ৰস্তাৱ অনা হৈছে এইটো এটা বৰ জৰুৰী বিষয় আৰু এই বিষয়টো যাতে খৰচি মাৰি আলোচনা কৰিব পাৰি তাৰ বাবে কমেও আধা ঘণ্টা সময় দিব বুলি অনুৰোধ কৰিলো।

( ভইচ )

মাননীয় অধ্যক্ষ : এই বিষয়ত এতিয়ালৈকে ৮ জনে কলে। গতিকে আৰু বেছি কৰলৈ এলাউ কৰিব নোৱাৰি।

* Shri Zoii Nath Sarma : When a question is thrown to the House it becomes of the property of the house and every member has the right to speak on it.

Mr. Speaker : Now, the honourable Minister, Parliamentary Affairs. ( at this juncture honourable members Shri Chandra Mohan Patowary, Shri Ramendra Narayan Kalita stood on the their feet to speak )

Mr. Speaker : Shri Chandra Mohan Patowari.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আজি সদনত শ্ৰীপ্ৰমোদ গগৈ আৰু শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে সেই বিষয়টো অতি গুৰুত্বপূৰ্ণ, এই বিষয়টোত পাব্লিক ইম্পৰটেন্স আছে। এই ক্ষেত্ৰত মই এটা কথা আপোনাক অনুৰোধ কৰিব খুজিছো যে কিছুমান কথা আমি সদনত আলোচনা কৰিবলৈ সময় কিছু বেছি লাগিলেও সেই ক্ষেত্ৰত যেন অলপ সময় দিয়ে। এই ঘটনাটো মানুহৰ জীৱনৰ নিৰাপত্তাৰ লগত জড়িত। এই ঘটনাৰ ক্ষেত্ৰত পুলিচ আৰু চৰকাৰে যে এখন তামাচা

* Speech not corrected.

খেলিছে সেই বিষয়ে অলপ আলোচনা বিলোচনা কৰিব লাগে। আজি অসমত আলফা সমস্যাকে ধৰি বড়ো সমস্যা, এ, এচ, ডি, চি, ৰ সমস্যা আদি জলন্ত সমস্যা হৈ থকা সময়ত্তে আকৌ পুলিচৰ সমস্যাই দেখা দিছে। এজন ফাৰ্মাচিষ্টৰ নিৰীহ পুত্ৰই বজাৰ কৰি ঘৰলৈ ঘুৰি আহোতে তেওঁক হত্যা কৰা হৈছে। গতিকে এই বিষয়টো বৰ জৰুৰী বুলি ভাবিছো আৰু এই বিষয়ত আলোচনা কৰিবলৈ আমাক অলপ সময় দিলে অসমৰ ৰাইজে আপোনাক ভাল পাব। যোৱা বছৰ দিপিলা চকৰ ঘটনা সম্পৰ্কতো আপুনি এখন সদন কমিটি পাতি দিছিল আৰু সেই কাৰণে দিপিলা অঞ্চলৰ ৰাইজে আপোনাক আপোনাৰ জিন্দাবাদ দিছিল। Rules and procedure of conduct of Business in Assam Legislative Assembly.

অৱশ্যে এইখন চৰকাৰক ৰুলৰ কথা কৈ লাভ নাই। আপুনিও যদি ৰুল নামানে তেনেহলে আমাৰ উপায় নাই। এতিয়া বিধান সভা চলি থকা অৱস্থাতে আমি এনে বিষয়বোৰ আলোচনা কৰিব নোৱাৰিলে বিধান সভা শেষ হোৱাৰ পিচত আমাক কোনেও পাত্তা নিদিব। এইখিনিতে মই বঙালীত এষাৰ কথা কওঁ — যজ্ঞ শেষ, মণ্ডপ খালি, ব্ৰাহ্মণ হলো চোখেৰ বালি। গতিকে এই বিধান সভাখন শেষ হোৱাৰ পিচত আমাৰো কোনো ইম্পৰটেন্স নাইকীয়া হব। গতিকে এই বিষয়টো আলোচনা কৰিবলৈ সময় দিব লাগে। এই বিষয়টো আলোচনা কৰিবলৈ সুবিধা দিলে কোকৰাঝাৰ ৰাইজে আপোনাক জিন্দাবাদ দিব। গতিকে এই ক্ষেত্ৰত মই পুনৰ আপোনাক অনুৰোধ কৰিলো যাতে বিষয়টো আলোচনা কৰিবলৈ সুবিধা দিয়ে।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা: অধ্যক্ষ মহোদয়, শ্ৰীপ্ৰমোদ গগৈ আৰু শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই বিটো সভাস্থগিত প্ৰস্তাৱ আজি সদনত উত্থাপন কৰিছে সেই এটা অতি গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্য্যপূৰ্ণ বিষয়। ৰুল ৫৬ মতে ইয়াত যি কেইটা কণ্ডিচন ফুলফিল কৰিব লাগে সেই কেইটা ইয়াত ফুলফিল হৈছে। আজি অসমৰ সকলো শ্ৰেণীৰ মানুহে অসমত শান্তি প্ৰতিস্থা হোৱাটো বিচাৰিছে। ইতিমধ্যে আবচু আৰু বি, পি, এ, চিয়ে শান্তি প্ৰতিস্থা কৰিবৰ কাৰণে তেওঁলোকৰ আন্দোলনৰ কাৰ্য্যসুচী প্ৰত্যাহাৰ কৰিছে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া কমিটিয়েও অহা ৩১ মাৰ্চত তেওঁলোকৰ

* Speech not corrected.

প্ৰতিৰেদন দাখিল কৰাৰ কথা আছে। গতিকে এই সময়খিনি বৰ গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত যদি আলোচনা বিলোচনাবোৰ কিবা কাৰণত বাধাপ্ৰাপ্ত হয় তেনেহলে বৰ ডাঙৰ কথা হব আৰু তাৰ বাবে চৰকাৰেই দায়ী হব। আজি বড়ো অধ্যুষিত অঞ্চল সমূহত শান্তিৰ বাতাবৰণ সৃষ্টি হোৱাৰ সময়তে দুজন নিৰীহ লৰাক গুলিয়াই হত্যা কৰা হৈছে। পুলিচ পাৰ্চনেলৰ পৰা এটা এল, এম, জি, আৰু এটা ৰাইফল উগ্ৰপন্থীয়ে কাঢ়ি লৈ গৈছে। কিন্তু এই ঘটনাটো যি ঠাইত সংঘটিত হৈছিল তাৰ পৰা মাত্ৰ দুই কিলোমিটাৰ দুৰত আদাবাৰীত এটা পুলিচ কেম্প আছিল। এই পুলিচ কেম্পৰ পৰা ঘটনাস্থলিলৈ যদি পুলিচ লগে লগে গৈ অঞ্চলটো কৰ্ডন কৰিলেহেতেন তেনেহলে নিশ্চয় উগ্ৰপন্থিক ধৰা পেলাব পাৰিলেহেতেন। এই ঘটনাটো পুলিচৰ নিস্ক্ৰিয়তাৰ কাৰণেই হ'ল আৰু পুলিচৰ নিস্ক্ৰিয়তা ঢাকিবৰ কাৰণে এই নিৰীহ লৰা দুজনক হত্যা কৰা হ'ল। গতিকে এই বিষয়টো আজিয়ে আলোচনা কৰিবলৈ অধ্যক্ষ মহোদয়ে সুবিধা দিব লাগে।

* শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী): অধ্যক্ষ মহোদয় ৰুল ৫৬ মতে সভা স্থগিত প্ৰস্তাৱ অনাৰ এটা উদ্দেশ্য থাকে। এই উদ্দেশ্য হ'ল—

"A motion for adjournment of the business of the Assembly for the purpose of discussing a definite matter of urgent public importance may be made with the consent of the Speaker." So the purpose is to discuss it.

গতিকে মই ঘটনাটোৰ গুনাগুন বিষয়ত কবলৈ নাযাও। এই বিষয়টো আলোচনা কৰিবলৈ হলে আমি সদনৰ অন্যান্য গুৰুতপুৰ্ণ কাম বিলাক বাদ দি এই বিষয়টো আলোচনা কৰিব লাগিব। আজিৰ এই সভা স্থগিত প্ৰস্তাবটো উত্থাপন নকৰাকৈও বিষয়টো আলোচনা কৰিবলৈ পৰা গলহেঁতেন, কিয়নো ইয়াৰ পিচতে আমাৰ বাজেটৰ ওপৰত আলোচনা আছে। এই আলোচনাত পুলিচ, আইন শৃংখল আদি সকলো বিষয়েই আছে। গতিকে বাজেটৰ বিষয়ে আলোচনা কৰোতে এনে বিষয়বোৰ আলোচনা কৰাৰ বহুতো সুবিধা আছে। সেই ক্ষেত্ৰত সভা স্থগিত প্ৰস্তাৱ অনাৰ প্ৰয়োজন নাছিল।

* Speech not corrected.

* শ্ৰীনগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, বাজেট ডিচকাচন থাকিলে সেই আলোচনাত এনে বিষয়বোৰ আলোচনা কৰিব পাৰি বুলি কোনো উল্লেখ নাই।

* শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী) ; মই আগতে কৈছিলো যে যদি বাজেট ডিচকাচন থাকে তেনেহলে সভা স্থগিত প্ৰস্তাৱ আহিব নোৱাৰে। এইটো মই আগতেই কৈছিলো। It is a matter of convenience of the honourable member. মই কব খুজিছো যে সভা স্থগিত প্ৰস্তাৱ উংথাপন কৰি তেওঁলোকে দেৰি কৰিছে। সভা স্থগিত প্ৰস্তাৱ উংথাপন নকৰাহেতেন বিষয়টো আদিব পৰা আলোচনা কৰিব পাৰিলেহেতেন। এই সুবিধাটো আছে There is no purpose to bring in this adjournment motion.

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে যি কলে তাৰ ওপৰত মোৰ অলপ কৰলগীয়া কথা আছে। Point of clarification. তাৰ ওপৰতেই মই কম।

Mr. Speaker .... .... He had expressed his views. I shall express my views. Please take your seat.

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই আপোনাক অনুৰোধ কৰিছো মোক অলপ কবলৈ দিয়ক। মাননীয় মন্ত্ৰী মহোদয়ে যিটো পইণ্ট কৈছে এইটো ভুলকৈ কৈছে। এইটো জেনেৰেল আলোচনা, বাজেট আলোচনাৰ কথা নহয়। আজি কৰ্ত্তন প্ৰস্তাৱ নাই। জেনেৰেল আলোচনা আছে। হোজাই আৰু কোকৰাঝাৰৰ ঘটনাৰ কাৰণে এটা শান্তি মিশ্বন পঠোৱাৰ দায়িত্ব আছে। শান্তি মিশ্বন পঠাব পাৰে। ৰাজ্যখনৰ জনসাধাৰণৰ প্ৰতি দায়িত্ব আছে। সেই দায়িত্ব পালনৰ কাৰণে মই অনুৰোধ কৰিছো। এতিয়া এপিল আনিবও পাৰে বা নানিবও পাৰে। সদন স্থগিত ৰাখিব লাগে। হোজাই আৰু কোকৰাঝাৰলৈ এটা শান্তি মিশ্বন পঠাব লাগে আৰু এই শান্তি মিশ্বনত সকলো দলৰ সদস্যকে লব লাগে। সকলো মানুহে শান্তি বিচাৰে। আজি এই ৰাতৰি কাকতখনত ওলাইছে যে বড়ো উগ্ৰপন্থীয়ে কৰিছে। ইয়াৰ দ্বাৰাই গোটেই বড়ো সকলক অপমান কৰা হৈছে। ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আমাৰ দায়িত্ব পালন কৰাৰ কাৰণে হোজাইত আৰু কোকৰাঝাৰত কি হৈছে সেইটো চাবলৈ আপোনাৰ

* Speech not corrected.

নেতৃত্বত এটা দল পঠাওক। গোটেই বিষয়টো সদন স্থগিত কৰি আলোচনা কৰক। কাৰণ ৰুল ৫৮ আৰু ৫৯ত আছে আলোচনা কৰাটো উচিত হ'ব।

Mr. Speaker : It is not in my own interest, it is for the interest of all honourable members on the Adjournment motion, I have already heared as good as 10 members including the mover and I had also allowed them to speak in detail; I have also heard the replies of the honourable Minister for Parliamentary Affairs. After hearing both of them, I reserve my ruling. Now I proceed to item No. 2' Dr. Kamala Kalita to call the attention of the Minister MAD under Rule 54.

## CALL ATTENTION NOTICE

*ডা: কমলা কলিতা: মাননীয় অধ্যক্ষ মহোদয় মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত, ১৯৯২ চনৰ ১৩ মাৰ্চ তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত "একেদিনাই দুবাৰ টেক্স।" শীৰ্ষক বাতৰিটোৰ প্ৰতি মই পৌৰ প্ৰশাসন মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, এই বাতৰিটোত গোটেই কথাখিনি উল্লেখ কৰিছে সেয়েহে মই দীঘলীয়াকৈ ব্যাখ্যা কৰিব খোজা নাই। কাৰণ গুৱাহাটীখন চাৰমাৰ্চ কৰিবৰ কাৰণে নতুনকৈ চাফাই কৰ প্ৰয়োগ কৰা হৈছে। কিন্তু চাফাই কৰ প্ৰয়োগ কৰাৰ পিছতো গুৱাহাটীখন চাফ-চিকুন হোৱা দেখা নাই। বৰঞ্চ ইয়াৰ দ্বাৰা পৌৰ প্ৰশাসন বিভাগৰ এচাম কৰ্ম্মচাৰীৰ দুৰ্নীতিৰ পথহে মুকলি কৰি দিছে। এই বাতৰিটোত সংবাদ দাতাই কৈছে যে সম্পুৰ্ণ জোৰ-জবৰদস্তি কৰি দিনত দুই তিনিবাৰকৈ কৰ সংগ্ৰহ কৰা দেখা গৈছে। আজি যদি ৰাস্তাত এটা কুকুৰো মৰি থাকে তেন্তে পৌৰ প্ৰশাসন বিভাগৰ তালৈ কাণসাৰ নাই। আজি ৰাস্তাৰ কাষে কাষে বিভিন্ন দোকান-পোহাৰ খুলিবলৈ দিয়া হৈছে আৰু ইয়াৰ ফলত গোটেই গুৱাহাটীখনতে এটা

* Speech not corrected.

অপৰিস্কাৰ পৰিৱেশৰ সৃষ্টি হৈছে। চাফাই কৰ প্ৰয়োগৰ ক্ষেত্ৰত আমি গুৱাহাটীৰ পৰিৱেশ উন্নত হ'ব বুলি আশা কৰিছিলো কিন্তু উন্নত হোৱাৰ পৰিবৰ্ত্তে বেয়াৰ ফালেহে যোৱা দেখিবলৈ পাইছো। এই বিষয়টোৰ ওপৰত মই পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

* শ্ৰীদেবানন্দ কোৱৰ (মন্ত্ৰী) : Mr. Speaker, under the Provisions of Seetion 152 of Gauwahati Municipal Corporation. বিশেষকৈ চাফাই কৰ যোৱা ১৫ ফেব্ৰুৱাৰী তাৰিখৰ পৰা পৰীক্ষামূলক ভাৱে সকলো ৱাৰ্ডকে অন্তৰ্ভুক্ত কৰি বলবৎ কৰা হৈছে। এই কৰ বিশেষকৈ অনুষ্ঠান আৰু প্ৰতিষ্ঠান সমূহৰ ওপৰত শ্ৰেণীগত হিচাবে দৈনিক হাৰত নিৰ্দ্ধাৰণ কৰি আৰোপ কৰা হৈছে। অৱশ্যে ঘৰৰ মালিক সকলক এই কৰৰ পৰা ৰেহাই দিয়া হৈছে। কাৰণ ঘৰৰ গৰাকী সকলে ইতিমধ্যে শতকৰা ৩ টকা হিচাবে চাফাই কৰ সম্পত্তি কৰৰ লগত এই কৰ পৰিশোধ কৰি আহিছে। এই বিশেষ চাফাই কৰ on experimental basis পৰীক্ষা মুলকভাৱে ৪৫ দিনৰ কাৰণে বলবৎ কৰা হৈছে। বৃহত্তৰ গুৱাহাটীত ব্যক্তিগত ব্যৱসায়িক বজাৰ গঢ়ি উঠিছে। এই বজাৰ বিলাকৰ ভিতৰত বিশেষকৈ যেনে— হোটেল, চাহৰ দোকান, ফলমুলৰ দোকান, শাক-পাচলিৰ দোকান চেলুন, দৰবৰ দোকান, কাপোৰ আৰু সূতাৰ দোকান, মাছ আৰু মাংসৰ দোকান হাৰ্ডৱেৰৰ দোকান, গেলামালৰ দোকান ইত্যাদি ইত্যাদি দোকানবোৰ অন্তৰ্ভুক্ত। এই দোকান বিলাকৰ পৰা দৈনিক সকল ব্যৱসায়িক এলেকা সমূহতে প্ৰায় ২০০ মেট্ৰিক টন জাৱৰ জোঠৰ ওলায়। এই জাৱৰ জোঠৰ চাফা কৰা আৰু উঠোৱাৰ বাবদ নিগমৰ মাহিলি ৪৫ লাখ টকা খৰছ হয়। ইয়াৰ পৰিৱৰ্ত্তে নিগমে ঘৰৰ মালিক সকলৰ পৰা শতকৰা ৩ টকা হিচাবে চাফাই কৰ বাবদ বছৰি ১৫ লাখ টকাৰ কিছু অধিক টকাহে কৰ হিচাবে পায়। অন্য-হাতেদি পৌৰ নিগমে বছৰি চাফাই কামত ৩ কোটি টকা খৰছ কৰিব লগা হয়।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি 'নিউজ আইটেম' কথা উল্লেখ কৰিছে. তাত একে দিনাখনতে ২ বাৰ 'টেক্স' লোৱা বুলি উল্লেখ কৰিছে। একে দিনাখনতে দুবাৰ লোৱা হোৱা নাই। যি দুবাৰ টেক্স আদায় কৰা হৈছে এটা টেক্স আনটো টেক্স সময়তে নিদিয়াৰ কাৰণে 'ফাইন' There is a difference between top and fine বাতৰি কাকতৰ সংবাদ দাতা জনে সেইটো অনুধাৰণ কৰিব পৰা নাই বাৱে সেইটো স্পষ্টকৈ লিখিব পৰা নাই।

* Speech not corrected.

১৯৮৮ চনত গুৱাহাটী পৌৰনিগমত নিয়োজিত প্ৰশাসক মণ্ডলীৰ সিদ্ধান্ত-মতে ৰাষ্টা পতুলীত বা নলা নৰ্দমাৰ ওচৰত ব্যৱসায় কৰি থকা ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ কথা, দৈনিক দুই টকা হাৰত জৰিমনা আদায়ৰ ব্যৱস্থা কৰে। ১৯৮৮ চনত যি সকলৰ পৰা কৰ লোৱা হৈছিল সেইটো যোৱা ১৪ মাৰ্চলৈ বলবৎ কৰা হৈছিল। এই 'ডবল টেক্সেশ্যনৰ পৰা সকাহ দিবৰ বাবে এই জৰিমনা যোৱা ১৫ মাৰ্চৰ পৰা উঠাই দিয়া হৈছে। সেই বাবে যোৱা ১৫/৩/৯২ তাৰিখে বিশেষ চাফাই কৰৰ ঠিকাদাৰ আৰু জৰিমনা আদায়কাৰীয়ে এই কৰ আদায়ত জড়িত হব পাৰে। ইতিমধ্যে ১৫ মাৰ্চৰ পৰা সেই কৰ বাতিল কৰা হৈছে। গতিকে আজি ২ টা টেক্স আদায় কৰি একে সময়তে জৰিমনা কৰাটো নাইকিয়া হৈছে। ইতিমধ্যে পল্টন বজাৰ ট্ৰেড এচোচিয়েচন মহামান্য গুৱাহাটী উচ্চ ন্যায়লয়ত কেচ ৰুজু কৰিছে। সেয়ে এতিয়া বিষয়টো 'চাব জুদিশ' হৈ আছে সেই কাৰণে ৪৫ দিন এক্সপেৰিমেণ্ট বেচিশৰ ব্যৱস্থা আছে। ইয়াৰ পিচত ব্যৱস্থা লব পৰা হবনে নহয় সেই বিষয়ে মহামান্য আদালতে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব মহামান্য আদালতৰ ৰায়ৰ পিচত এটা সিদ্ধান্ত গ্ৰহণ কৰিব পৰা হব। গুৱাহাটী মহা-নগৰিখন পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে। এই কথাখিনি মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো। যিকোনো ব্যৱসায়ীয়ে বিনা-অনুমতিত ঘৰবান্ধি দোকান পোহাৰ কৰি পৌৰ নিগমৰ কৰ নিদিয়ে। অথচ বিভিন্ন কৰৰ দুই তৃতীয়াংশ টকা ব্যৱসায়ী সকলে অন্য কামত খৰচ কৰি আছে। এই ব্যৱসায়ী সকলে দি অহা কৰৰ লগত চাফাই কৰৰ কোনো সম্পৰ্ক নাই। অনুজ্ঞা পত্ৰৰ দ্বাৰা ব্যৱসায়ীজনৰ ব্যৱসায়টো যথাস্থানত চলোৱাৰ অনুমতি দি ব্যৱসায়টোক স্বীকৃতি দিয়া হব। অন্য হাতে বিশেষ চাফাই কৰ নিৰ্দিষ্ট সেৱাৰ পৰিবৰ্ত্তে হে লোৱা হয়। গতিকে যিহেতু গোটেই বিষয়টো বৰ্ত্তমান উৰ্চ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে, এই কথাখিনি মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে জনাইছো।

Mr. Speaker : Now, I proceed to Item No. 3— Shri Hitendra Nath Goswami to draw the attention of the Chief Minister by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Ajir Batori' dated 6th March, 1992 relating to "অসম নগালেণ্ড সীমা বিবাদ : সশস্ত্ৰ নগাৰ আক্ৰমণ।"

# MATTER UNDER RULE 301

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত ১৯৯২ চনৰ ৬ মাৰ্চ তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত 'অসম নাগালেণ্ড সীমা বিবাদ : সশস্ত্ৰ নগাৰ আক্ৰমণ।' বাতৰিৰ সম্পৰ্কত কিছু কথা উত্থাপন কৰিবলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয় এইটো আমি সকলোৱে জানো যে অসমৰ পৰা ফালি ১৯৬৩ চনতে নাগালেণ্ডক নতুন ৰাজ্য হিচাবে স্বীকৃতি দিয়া হৈছিল। ১৯৬২ চনত পাৰ্লিয়ামেণ্টে নাগালেণ্ড গঠনৰ বাবে দিয়া অনুমোদনৰ দ্বাৰা অসম আৰু নাগালেণ্ডৰ সীমা নিৰ্দ্ধাৰণ কৰিছিল। অসমে সেই সাংবিধানিক সীমা মানি আহিছে। নাগালেণ্ড চৰকাৰে এই সীমা নামানি অসমৰ সীমাৰ ভিতৰত থকা মাটি দাবিকৰি আহিছে আৰু পৰিমাণ হৈছে প্ৰায় ৫০ হেজাৰ বৰ্গ কিলোমিটাৰ। ১৯২৫ চনতে যি সীমা শিৱসাগৰ আৰু নাগা-পাহাৰৰ জিলাৰ আছিল সেই সীমাই হৈছে সাংবিধানীক সীমা। ১৯৬২ চনত পাৰ্লিয়ামেণ্টত এই সীমাৰ ভিত্তিত সাংবিধানিক সীমা নিৰ্ণয় কৰা হৈছিল। বৰ্ত্তমানে নাগালেণ্ডে যি অঞ্চলসমূহ তেওঁলোকৰ বুলি কৈছে সেই অঞ্চলৰ দ্বাৰা সমগ্ৰ উত্তৰ কাছাৰ পাহাৰ জিলা, কাৰ্বি আংলং, শিৱসাগৰ, যোৰহাট, গোলা-ঘাট জিলাৰ বনাঞ্চল সমূহৰ এক বৃহৎ অংশক সামৰি লব বিচাৰিছে। ১৯৭১ চনত সীমা বিবাদ দূৰ কৰিবৰ কাৰণে দুয়ো ৰাজ্যৰ সন্মতি সাপেক্ষে সুন্দৰম কমিটি গঠন কৰিছিল। ১৯৭৬ চনত সুন্দৰম কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছিল। কিন্তু নাগালেণ্ড চৰকাৰে প্ৰতিবেদন গ্ৰহণ নকৰাটো দুখৰ কথা। তেওঁলোকে কৰ বিচাৰে যে বুৰঞ্জী আৰু ট্ৰেডিচন সীমা সমস্যাৰ মীমাংসাৰ ভিত্তি হব লাগে। সুন্দৰম কমিটিৰ প্ৰতিবেদনত এইখিনি উল্লেখ আছে যে এনে ভিত্তি গ্ৰহণ কৰিলে নাগালেণ্ডৰ ডিমাপুৰ আদিকে ধৰি নাগালেণ্ডৰ সীমাৰ ভিতৰৰ এক অংশ অসমৰ ভিতৰলৈ আহিব। অৱশ্যে অসমৰ ভিতৰৰ প্ৰায় ৩০০০ কিঃ মিঃ এক অঞ্চল নাগালেণ্ডক দিয়াৰ প্ৰস্তাৱ কমিটিয়ে দাখিল কৰিছিল।

অধ্যক্ষ মহোদয় ১৯৭৯ চনত সীমা বিবাদ লৈ প্ৰথমে চুঙাজানত যি সংঘৰ্ষ হৈছিল তাত বহুতো লোকৰ প্ৰাণ হানি হয়। ইয়াৰ পাছত মেৰাপানীত ১৯৮৫

চনত সংঘৰ্ষ হয় আৰু ১৯৮৯ চনত ৰজাপুখুৰী গাওঁত সংঘৰ্ষত প্ৰায় ২৪ জন লোক নিহত হয়। শেহতীয়াকৈ যোৱা ২০ ফেব্ৰুৱাৰীত চেক্টৰ 'এ' ত অৱস্থিত লুকাটো গাড়ীত ৩ জন মণিপুৰী লোকক হত্যা কৰা হয়। তাত ৪০ খন গাওঁ আছে তাৰে ৩৯ খন নগা ১ খন মনিপুৰী গাওঁ। অসমৰ যোৱা সাধাৰণ নিৰ্ব্বাচনত এইখন মণিপুৰী গাঁৱে ভোট দান কৰিছিল। এই ভোট দান কৰাৰ বাবে মণিপুৰী লোক কেইজনক হত্যা কৰা হৈছে। ইতিমধ্যে নগালেণ্ডে ১০ লাখ বিঘা মাটীতকৈ অধিক মাটি বেদখল কৰিছে। ইতিমধ্যে তেওঁলোকে বিবাদমান অঞ্চলত দুটা মহকুমা গঠন কৰিছে। ১৯৮৭ চনত নিউলেণ্ড আৰু ১৯৯১ চনত ৰহুতবু নামৰ দুটা মহকুমা চেক্টৰ এ আৰু বিত গঠন কৰিছে এতিয়া চেক্টৰ 'চি' ত উৰিয়ামখাই মহকুমা গঠনৰ যোজা চলাইছে। ভবিষ্যতে এই তিনিটা মহকুমা লৈ তেওঁলোকে জিলা গঠন কৰিবলৈ পৰিকল্পনা কৰিছে। মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত সীমা সমস্যা আছে বুলি মানি লৈছে। মেঘালয় আৰু অৰুনাচলৰ লগত থকা সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰ আগবঢ়া বুলি কৈছে কিন্তু নগালেণ্ডৰ ক্ষেত্ৰত সমস্যা সন্মুখীন হোৱাটো স্বীকাৰ কৰিছে। অসম নাগালেণ্ড সীমান্তত শান্তি ৰক্ষাৰ বাবে Assam Rifles ১০ টা কোম্পানী নিয়োগ কৰা হৈছে। কিন্তু এই ব্যৱস্থাই মানুহখিনিক নিৰাপত্তা দিব পাৰিছেনে ? চৰকাৰ এই দিশত সম্পূৰ্ণ ব্যৰ্থ হৈছে। সীমান্তত বাস কৰা ৰাইজ আজি নিৰাপত্তাহীন।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : (ক্ৰমশ:) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে হোৱা ঘটনাত নগালেণ্ড সীমান্তত নগালেণ্ডৰ মানুহে অসমৰ ৩ জন লোকক হত্যা কৰিছে। অসমৰ মানুহে নিজৰ ৰাজ্যত থাকিও নিৰাপত্তাৰ বাবে নগালেণ্ড চৰকাৰক কৰ-কাটল আদি দি থাকিব লগীয়া হৈছে। ১৯৭৯ চনত মোৰাৰজী দেশাই প্ৰধান মন্ত্ৰী হৈ থকাৰ সময়ত উভয় ৰাজ্যৰ সীমাৰ স্থিতাৱস্থা বাহাল ৰখাৰ বাবে চুক্তি কৰা হৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা আজিলৈকে এই সমস্যাৰ স্থায়ী সমাধানৰ চুক্তি ৰূপায়ণ কৰা নহল। ১৯৮৫ চনৰ ২২ জানুৱাৰীত বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মেৰাপানীত দিয়া ৰাজহুৱা ভাষণত কৈছিল— অসমীয়া ৰাইজে কৌৰৱৰ ভাৱ ত্যাগ কৰি দুই ইঞ্চি মাটি নাগালেণ্ডক দিব লাগে। অসমীয়া ৰাইজে সদায় দুৰ্ব্বল হৈ থাকিবনেকি ? এইবাৰ ৰাজ্যপালৰ ভাষণত অসম নাগালেণ্ড সীমা নিৰ্দ্ধাৰণ কৰা সম্পৰ্কে

কোনো কথাৰ ইঙ্গিত দেখা পোৱা নগল। ১৯৭৯ চনত আৰু ১৯৭২ চনত কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত যি চুক্তি হৈছিল সেই চুক্তিমতে অসম নাগালেণ্ড সীমান্তত নিৰাপক্ষে নিৰাপত্তা বাহিনী ৰাখিব লাগে কিন্তু সেই ব্যৱস্থা প্ৰকৃতাৰ্থত কাৰ্য্যকৰী নকৰাত অসমৰ মানুহৰ দুৰ্বলতাৰ সুযোগ লৈ নাগা সকলে অত্যাচাৰ চলাইছে।

মাননীয় অধ্যক্ষ মহোদয়, মই যোৰহাটৰ পৰা যোৱা জানুৱাৰী মাহত স্পেচিয়েল ব্ৰাঞ্চৰ এচ পিয়ে, দিয়া ৰিপৰ্ট এটা পঢ়ি দিছো।

"I am to report that during the last couple of months there has been a marked increase in activities like illegal construction of houses encroachment of forest land, illegal felling of trees, all perpetrated by Naga in the so-called disputed areas of A.B.C. and D. sectors along Assam-Nagaland border, which has caused misgivings in the minds of non-Naga settlers of the area as similar activities by Nagas in the past had culminated in large scale massacre of non-Nagas in chungajan, Merapani and Rajpukhuri in the years **1979,** 1985 and 1989 respectively. What is more alarming is the fact that non-Naga population of a few villages in the disputed border, of late have been frequently threatened by the Nagas with dire consequence under one pretex or the other. Cases of suspected arson rape burglaries have also been reported from different parts of disputed areas where victims are invariably non-Nagas. While apparently most of these illegal activities are being perpetrated by the Naga settelers of the disputed area, direct involvement of Nagaland Government machinary in atleast two recent illegal constructions in the disputed area indicates that Nagaland Government is

tacitly encouraging the Naga settlers to go ahead with activities like illegal construction, encroachment of forest land etc. in the disputed area in furtherance to its now obvious plan of making the entire disputed territory part of Nagaland by settling up as many Naga villages as possible which would later justify the entry of Nagaland administration machinery in the area."

মাননীয় অধ্যক্ষ মহোদয়, যোৱা জানুৱাৰী মাহত দিয়া এই ৰিপৰ্ট মতে নাগালেণ্ড চৰকাৰে অসমৰ মাটি দখল কৰাৰ যে অভিপ্ৰায় কৰিছে তাৰ স্পষ্ট প্ৰমাণ পোৱা গৈছে। তাৰ পিচত গোলাঘাটৰ ডিচিয়ে যোৱা ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখে অসম চৰকাৰৰলৈ যি বাৰ্ত্তা পঠাইছে তাৰ পৰাই স্পষ্ট কৰি জানিব পৰা গৈছে যে নাগালেণ্ড সীমান্তত উপযুক্ত প্ৰতিৰক্ষা ব্যৱস্থা লোৱা হোৱা নাই। কিন্তু বৰ্ত্তমান চৰকাৰৰ ফালৰ পৰা সীমান্তত নিৰাপত্তাৰ বাবে কি ব্যৱস্থা লৈছে মই এতিয়ালৈ নাজানো। সেয়ে মই এই কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক স্পষ্টকৈ অনুৰোধ কৰো যে সীমা সমস্যাৰ এটা গুৰুত্বপুৰ্ণ বিষয় বুলি যেন তেখেতে গণ্য কৰে। এই সম্পৰ্কত আটাইতকৈ গুৰুত্বপুৰ্ণ এটা বিষয় যিটো যোৱা সোমবাৰৰ নাগালেণ্ড বিধান সভাত দিয়া ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে তাৰ প্ৰতি মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। নাগালেন্দৰ ৰাজ্যপালৰ এই ভাষনত অসম চৰকাৰক দোষাৰোপ কৰি কোৱা হৈছে যে অসম চৰকাৰে সীমা সমস্যা সমাধানত প্ৰতিবন্ধকৰ সৃষ্টি কৰিছে। অধ্যক্ষ মহোদয়, ইয়াৰ পৰাই স্পষ্ট প্ৰমাণ হয় যে নগালেন্দ চৰকাৰে সীমা ক্ষেত্ৰত অসম চৰকাৰৰ প্ৰতি যি দৃষ্টি ভঙ্গি লৈছে ই শুভ নহয়। অসম চৰকাৰে কি প্ৰতিবন্ধকৰ সৃষ্টি কৰিছে আৰু এই ক্ষেত্ৰত নাগালেণ্ড চৰকাৰৰ দৃষ্টি-ভঙ্গিনো কি তাক স্পষ্ট কৈ জানিব লাগে। এই গুৰুত্বপুৰ্ণ বিষয়টো বৰ্ত্তমানৰ প্ৰধান মন্ত্ৰীয়ে কিয় অৱহেলা কৰিছে চৰকাৰে বৰনে এই খেত্ৰত তেখেতে কি দৃষ্টিভঙ্গি লৈছে আমি জানিব পৰা নাই।

অধ্যক্ষ: বক্তৃতা অলপ চমু কৰিব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী: মাননীয় অধ্যক্ষ মহোদয়, মোক আৰু দুই মিনিট সময় লাগে। লই কব বিচাৰিছো অসম আৰু নাগালেণ্ড সীমাত

আসনৰ মানুহে খিনিৰ যি নির্য্যাতন হৈছে সেই নিৰ্য্যাতনৰ পৰা ৰক্ষা পাবলৈ নিৰাপত্তা ব্যৱস্থা কৰিব লাগে আৰু যোৱা ২০ জানুৱাৰীৰ ঘটনাত আহত হোৱা লোক সকলক উপযুক্ত সাহায্য আদি দি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে আৰু যি সকলৰ মৃত্যু হৈছে তেওঁলোকৰ পৰিয়ালক ক্ষতি পুৰণ দিয়াৰ দিহা কৰিব লাগে। অসম নাগালেণ্ডৰ যিটো সমস্যা এইটো কেৱল অসমৰে সমস্যা নহয়, এই সমস্যা সমাধানৰ বাবে কেন্দ্ৰও আগবাঢ়ি আহিব লাগিব। আৱশ্যক হলে বৰ্ত্তমানৰ পৰিস্থিতি অধ্যায়ণৰ বাবে এটা সদন কমিটি গঠন কৰি দিব লাগে। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

*শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কৈ যোৱা বক্তব্যৰ ওপৰত সমৰ্থন কৰি মই অকণমান কব বিচাৰিছো। এই গোটেই কথাটো ৰাজ্যখনৰ নিৰাপত্তাৰ কথা জৰিত হৈ আছে। গতিকে অসম চৰকাৰে এই সম্পৰ্কত কি দৃষ্টি ভঙ্গি লব সেইটো জানিলে ভাল হয়। কাৰণ আজি নাগালেণ্ড, মেঘালয়, আৰু অৰুণাচল চৰকাৰে যেনে ধৰণে সীমান্তৰ সমস্যাত গুৰুত্ব আৰোপ কৰি নিৰাপত্তাৰ ব্যৱস্থা কৰিছে অসম চৰকাৰেও এই বিষয়ত গুৰুত্ব দিব লাগে, অধ্যক্ষ মহোদয়, মই এটা টি-ভিৰ বাতৰিত পালো যে অসম চৰকাৰে হেনো এটা সিদ্ধান্ত লৈছে যে অসমৰ সীমাৰ পৰা ১০ মাইল দুৰৈত আহি উন্নয়নৰ কাম আৰম্ভ কৰিব আৰু এইটো মাননীয় সীমান্ত বিভাগৰ মন্ত্ৰীৰ সিদ্ধান্ত অনুসৰি হৈছে। কাৰণ ১০ মাইল দুৰলৈ আহিলে তেওঁৰ সমষ্টি গোলাঘাটত পৰি যায় আৰু তেতিয়া সমষ্টিৰ উন্নয়নৰ কাম তাৰ টকাৰে কৰাত সুবিধা হব। গতিকে আমি বিচাৰো এই সিদ্ধান্ত মতে কৰিলে নাগালেণ্ডৰ চৰকাৰে অসমৰ মাটিত অন্যায়ভাৱে অনুপ্ৰবেশ কৰিবলৈ সুবিধা পাব।

মাননীয় অধ্যক্ষ মহোদয়, অসম আৰু নাগালেণ্ডৰ যিটো সীমা সেই সীমাৰ পৰা ১০ মাইল অসমৰ ভিতৰলৈ পিচুৱাই আহিলে উন্নয়নমূলক কাম কৰিব পাৰিব বুলিয়েই তেখেতে এই পলিচিটো কৰিছে। যিহেতু সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ সমষ্টি কাৰণেই এই ব্যৱস্থা কৰিছে। ডিফুনদী পাৰ হৈ নগা-ৰাজ্য পায় তাত এটা ফৰেষ্ট কেম্প আছে। সেই কেম্পত দুজন বিষয়া আছে। এজন ফৰেষ্ট বিষয়া আছে আৰু আনজন লাঠিধাৰী ফৰেষ্ট গাৰ্ড আছে। আমি ১২ জন মান বিধায়ক সেই ঠাইলৈ গৈছিলো। তেখেতে আমাক কলে আমি

* Speech not corrected.

কালি আপোনালোকৰ মেচেজ পাইছো। আগৰ অৰ্ডাৰ থকা সত্বেও আমি আকৌ এখন অৰ্ডাৰ পাইছো যে আমি আপোনালোকক এচকৰ্ট দিব নোৱাৰো। তেখেত সকলে আমাক প্ৰায় ১ ঘণ্টা বহুৱাই থলে। গোলাঘাটৰ পৰা মেজিষ্ট্ৰেট আহিছিল। তেখেতে অনুমতি দিয়াতহে আমি এচকৰ্ট পালো। এ, জি, পি বিধায়ক যোৱাৰ কাৰণে নকি এচকৰ্ট নাপায় বুলি অৰ্ডাৰ দিছিল কাৰণ কংগ্ৰেছ আইৰ মন্ত্ৰীও অন্য এখন ঠাইত উপস্থিত আছিল। ১৯৬২ চনৰ পৰাই অসমৰ মাটিৰ সমস্যা হৈ আহিছে। অসমৰ বসাল মাটি এৰি দি নিৰপেক্ষ নগা সকলৰ কেছি উচটনিহে দিছে। অসমৰ বনাঞ্চলত কাঠ কাটি বগৰাই দি কম দামত বিক্ৰী কৰিছে।

দ্বিতীয়তে, ২৮ নবেম্বৰত যেতিয়া মহকুমা গঠন কৰাৰ কথা ওলাল মন্ত্ৰী মহোদয়ে সেই কথা শুনাৰ পিচতো ডিচেম্বৰ মাহলৈকে একো সিদ্ধান্ত নললে। ডিচেম্বৰ মাহৰ পিচত সান্ধ্য বাতৰিত ফটো সহ ওলাল, নৰ্থ ইষ্টাৰ্ণত বাতৰি ওলাল যদিও চৰকাৰৰ কোনো প্ৰতিক্ৰিয়া নহল। উক্ত বিভাগটো মন্ত্ৰী মহোদয়ৰ হাতত থকা কাৰণে নিজ স্বাৰ্থ ৰক্ষাৰ কাৰণে ৰাজনৈতিক ক্ষেত্ৰত ৰাজ্যখনৰ সমগ্ৰ অধিকাৰ কৰ পৰা পালে ? এতিয়া ফৰেষ্টৰ বিষয়ে কক বিচাৰিছো—

মাননীয় অধ্যক্ষ ঃ আপুনি বহুত কলে। বাকী সকলকো কবলৈ সুবিধা দিব লাগে।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আমি বিৰোধী পক্ষৰ বিধায়ক হৈ নিৰবে থাকিব নোৱাৰো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দায়িত্ব আছে। মন্ত্ৰী সভাৰ দায়িত্ব আছে। চৰকাৰৰ দায়িত্ব আছে। সেই কাৰণে আমি বাধা দিব লাগিব।

মাননীয় অধ্যক্ষ : মই কথাটো বুজিছো। Under Rule 301 only you can draw the attention of the minister.

* শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত মাটি নাথাকিলে সদনত অন্য বিষয়ে পেচ কৰিলে কি হয় ? গতিকে অধ্যক্ষ মহোদয়, বিষয়-টোৰ ওপৰত মোক অলপ কবলৈ দিয়ক। ফৰেষ্ট বিভাগটোক অৱহেলা কৰিছে। বনাঞ্চল সংৰক্ষণ কৰিবৰ কাৰণে সেই ঠাইত মহকুমা এটা নহয় দুটা গঠন কৰিব

* Speech not corrected.

লাগে। মাননীয় সদস্য শ্ৰীবিনোদ গোৱালা দেৱে সীমান্ত অঞ্চলত এটা মহকুমা দিয়াৰ কথা উল্লেখ কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিত অৱস্থিত সেই কাৰণে আপোনাৰ জৰিয়তে মই কওঁ যে নগা সীমান্ত অঞ্চলত নিৰপেক্ষ নহৈ গুৰুত্ব দিব লাগে। অলপো অনিহা কৰিব নালাগে। নহলে সমস্যাটো এটা জলন্ত সমস্যা হৈ থাকিব। গতিকে এই বিষয়ে এটা সিদ্ধান্ত আহিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজে ব্যৱস্থাৰ লৈ দায়িত্ব লব লাগে।

Mr. Speaker : Now Honourable Chief Minister will reply.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, "অসম নগালেণ্ড সীমাবিবাদ সশস্ত্ৰ নগাৰ আক্ৰমণ" এই শীৰ্ষক 'আজিৰ বাতৰি' কাকতৰ ৬ মাৰ্চৰ সংখ্যাত প্ৰকাশিত বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। বাতৰিত কোৱা মতে লোষ্ট মনিপুৰী গাওঁখন অসম নগালেণ্ড সীমান্তৰ ডিফু সংৰক্ষিত বনাঞ্চলৰ ভিতৰত বিবাদমান এলেকাৰ অনাগা প্ৰধান এখন গাওঁ। যোৱা ২৩।২।৯২ তাৰিখৰ পুৱাতে নগা দুৰ্বৃত্তই এই গাওঁখনলৈ আহি দুজন পুৰুষ আৰু এগৰাকী মহিলাক গুলিয়াই হত্যা কৰা কথাটো সঁচা। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ২১।১২।৯২ তাৰিখে সৰুপথাৰ মহকুমাৰ মহকুমাধিপতি মহকুমা আৰক্ষী বিষয়া সীমান্ত দণ্ডাধীশ আৰু বনসংমণ্ডল বিষয়া ঘটনাৰ বুজ লবলৈ ঘটনাস্থলীলৈ যায় আৰু তাত থকা অসম ৰাইফলচৰ বিষয়া সকলক এনে ঘটনাৰ পুনৰাবৃত্তি যাতে নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ চোকা নিৰ্দেশ দিয়ে।

যোৱা ১৭ মাৰ্চ তাৰিখে এই অঞ্চলৰ কেইজনমান নেতৃস্থানীয় লোকে মাননীয় বিধায়ক শ্ৰীবিনোদ গোৱালাৰ সৈতে মোক এই বিষয়ে পুনৰ অৱগত কৰিছে আৰু মই ততালিকে শ্ৰীগোৱালাক সীমান্ত আৰক্ষী মহাপৰিদৰ্শকৰ লগত সেই অঞ্চল ভ্ৰমণ কৰি এই বিষয়ে যাৱতীয় পৰামৰ্শ দাঙি ধৰিবলৈ অনুৰোধ জনাওঁ।

চৰকাৰে তেখেতসকলৰ পৰামৰ্শ পোৱাৰ লগে এই বিষয়ত বিহিত ব্যৱস্থা লব।

অসম নগালেণ্ড সীমা-বিবাদ এতিয়াৰ কথা নহয়। বৰঞ্চ ১৯৬৩ চনত

* Speech not corrected.

নগালেণ্ড ৰাজ্য গঠন হোৱা দিনৰ পৰাই এই সীমা বিবাদৰ সূত্ৰপাত হয়।

১৯২৫ চনৰ ২৫ নবেম্বৰত দিয়া নগা-পাহাৰ জিলাৰ নিৰ্দ্ধাৰিত সীমামৰেই ১৯৬৩ চনত স্থাপিত নগালেণ্ড ৰাজ্যৰ সীমা বুলি সংবিধানত দিয়াৰ পাচতো নগালেণ্ড চৰকাৰে বিভিন্ন পৰ্য্যায়ত অসমৰ বৃহৎ বনাঞ্চল নগালেণ্ড ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা চলাই আহিছে। অসমৰ বিস্তৃত বনাঞ্চল নগা লোক সকলে বেদখল কৰিছে। ফল স্বৰূপে নগালেণ্ড চৰকাৰে অসমত এতিয়ালৈকে প্ৰায় ১ লাখ এক হাজাৰ সাতশ পঞ্চাশ হেক্টৰ মাটি বেদখল কৰিছে।

এই বিবাদৰ নিষ্পত্তি কৰিবলৈ ভাৰত চৰকাৰে সেই সময়ৰ আইন আয়োগৰ সভাপতি শ্ৰী কে, ডি, কে, সুন্দৰমক লৈ ১৯৭১ চনত এখন এজনীয়া কমিটি গঠন কৰে। দুয়ো পক্ষৰ শুনানীৰ পিছত শ্ৰীসুন্দৰম কমিটিয়ে অসমৰ মাটিৰ ওপৰত থকা নগালেণ্ডৰ দাবী অগ্ৰাহ্য কৰে। কিন্তু নগালেণ্ড চৰকাৰে এই প্ৰতিবেদন মানিবলৈ অস্বীকাৰ কৰে। যদিও সেই সময়ত দুয়ো ৰাজ্যৰ মাজত স্থিতাবস্থা আৰু শান্তি শৃংখলা ৰাখিবলৈ কেবাখনো অন্তৰ্বৰ্ত্তী চুক্তি সম্পাদন কৰা হৈছিল তথাপিও এই চুক্তি ভঙ্গ কৰি নগা দুৰ্বৃত্তই নগালেণ্ড চাকাৰৰ উচটনিত চুঙ্গাজান, মেৰাপানী আৰু ৰজাপুখুৰীত আক্ৰমন চলাই বহুতো সা-সম্পত্তি ধ্বংস কৰাৰ উপৰিও বহুতো লোকক নৃশংস ভাৱে হত্যা কৰাৰ কথা মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে।

১৯৮৫ চনত হোৱা মেৰাপানীৰ ঘটনাৰ পাছত কেন্দ্ৰীয় চৰকাৰে ঘটনাৰ তদন্ত কৰিবলৈ শাস্ত্ৰী আয়োগ গঠন কৰে, এই আয়োগেও অসমৰ মাটিৰ ওপৰত নগালেণ্ডে কৰা দাবী অগ্ৰাহ্য কৰে। আয়োগৰ পৰামৰ্শমতে বিবাদমান অঞ্চলৰ পৰা দুয়োৰাজ্যৰ আৰক্ষী বাহিনী আঁতৰাই নিয়া হয় আৰু তাৰ ঠাইত নিৰপেক্ষ বাহিনীৰ হাতত বিবাদমান অঞ্চলৰ দায়িত্ব দিয়া হয়। প্ৰথমতে চি, আৰ, পিয়ে এই দায়িত্ব লয় বৰ্ত্তমানে অসম ৰাইফলছে নিৰপেক্ষ বাহিনীৰ দায়িত্ব বহন কৰিছে। নিৰপেক্ষ বাহিনীৰ চকুৰ আগতে বিবাদমান অঞ্চলত নগালেণ্ড চৰকাৰে আৰক্ষী চকী, উন্নয়ন খণ্ড কাৰ্য্যালয়, মহকুমাধিপতিৰ কাৰ্য্যালয় আদি স্থাপন কৰি বেদখল স্থায়ী কৰাৰ চেষ্টা চলাই আছে। ১৯৮৭ চনত বেঙ্গমা বনাঞ্চলত নগালেণ্ড চৰকাৰে "নিউলেণ্ড" (Newland) মহকুমা স্থাপন কৰে। যোৱা নবেম্বৰ মাহত ডিফু বনাঞ্চলত কহুবটো (Kuhoboto) নামে ঠাইত অন্য এটা মহকুমাৰ আধাৰশিলা স্থাপন কৰিছে বুলি জনা গৈছে।

এই সকলোবোৰ বেআইনী কামৰ তীব্ৰ প্ৰতিবাদ অসম চৰকাৰে নগালেণ্ড চৰকাৰক কৰি আহিছে আৰু ভাৰত চৰকাৰকো জনাইছে। লগতে এই সীমা বিবাদৰ ওপ পেলাবলৈ মাননীয় উচ্চতম ন্যায়ালয়তো গোচৰ তৰা হৈছে।

যোৱা ২১-১২-৯১ তাৰিখে সীমান্ত অঞ্চলৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই সীমান্তবৰ্তী জিলা কিখনৰ উপায়ুক্ত. আৰক্ষী অধীক্ষক আৰু অন্যান্য বিষয়া-সকলৰ লগত গোটেই পৰিস্থিতিটো আলোচনা কৰে আৰু উপযুক্ত নিৰ্দেশ দিয়ে। উজনি অসমৰ আয়ুক্তৰ নেতৃত্বত সীমান্ত আৰক্ষী মহা পৰিদৰ্শক আৰু প্ৰধান মুখ্য বনসংৰক্ষক লৈ এটা কমিটি গঠন কৰা হয়। এই কমিটিয়ে গোটেই অঞ্চল ভ্ৰমণ কৰি চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদন বৰ্ত্ত-মান চৰকাৰৰ বিবেচনাধীন।

এই সংক্ৰান্তত মাননীয় সদস্য সকলক মই অনুৰোধ কৰিব খোজো যে এই সীমা সমস্যা সমাধান কৰোতে আমি সকলোৱে ধৈৰ্য্য আৰু সংযমেৰে আগবঢ়া উচিত হব। শক্তি প্ৰয়োগৰ দ্বাৰা এই সমস্যা সমাধান কৰিবলৈ গলে সমস্যা জটিলহে হব।

মই আশা কৰো দুয়োখন ৰাজ্যৰ এই সীমা বিবাদ বুজাপৰাৰ মাজেৰে সমাধান কৰিব পৰা যাব।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও আজি সদনত মাননীয় সদস্য সকলে কেৰাটাও প্ৰস্তাৱ উত্থাপন কৰিছে। এটা কথা হৈছে, চেণ্ট্ৰেল ফোৰ্চৰ সম্পৰ্কত এটা অভিযোগ আহিছে, এই ডোগৰা ৰোলাজনক চৰকাৰে কৰায়ত্ব কৰিছে। ইয়াৰ উপৰিও বিভিন্ন সম্পৰ্কত মাজে মাজে চিফ চেক্ৰেটাৰী লেভেলত সভা-সমিতি বহি আছে আৰু তাত এই কথাবিলাক বিশ্লেষণ কৰা হয় আৰু এই গোটেই কথাবিলাক বিশ্লেষন কৰি তাৰ ওপৰত প্ৰতিবেদন তৈয়াৰ কৰি কাৰ্য্য ব্যৱস্থা হাতত লবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জনোৱা হৈ আছে। ইতিমধ্যে কেৰাটাও কমিটি কৰা হৈছে আৰু তেওঁলোকৰ অনুমোদন গ্ৰহণ কৰি-বৰ কাৰণে চৰকাৰলৈ পঠোৱা হৈছে। কিছুদিন আগতে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে যাতে এই বিষয় বিলাকৰ এটা মোকামিলা কৰা হয়। সীমান্ত এলেকাত আমাৰ লোক সকলে যাতে নিৰাপত্তা পাই তাৰ কাৰণে যথা-বিহিত ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে তাৰ পিছত মাননীয় বিধায়ক

ডাঙৰীয়াই উল্লেখ কৰা বিষয়টো তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী: মাননীয় অধ্যক্ষ মহোদয়, ক্ষতিপূৰণ দিয়া হ'ব নে নহয় এই ক্ষেত্ৰত স্পষ্টিকৰণ দিব নেকি ? তাৰোপৰি তেওঁলোকৰ ৰাজ্যপালৰ ভাষণৰ প্ৰতিবাদ কৰা নাই আৰু ১৯৮৫ চনত যিটো ভাষণ দিছিল সেইটো সঁচা নেকি এইবিলাক সম্পৰ্কত স্পষ্টিকৰণ দিব লাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় বিধায়ক বিনোদ গোৱালা ডাঙৰীয়াই এটা প্ৰতিনিধি দল লৈ মোক দেখা কৰিছিল; মই গোৱালা ডাঙৰীয়াকে নিৰ্দেশ দিছো তেখেতে এজন আই, জি, পি, লগত লৈ তালৈ যাব আৰু সেই বিষয়ে প্ৰতিবেদন দিয়া হ'ব। বিধায়ক মহোদয়ে সোধামতে মই কি কৈছিলো সেইটো চাব লাগিব কিয়নো এতিয়া মোৰ মনত নাই। ৰাজ্যপালৰ ভাষণ সম্পৰ্কত চাব লাগিব।

মাননীয় অধ্যক্ষ: Now I Proceed to general discussion on the Budget.

* শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, সদনৰ ভিতৰত আমি যি সকল বিধায়ক বা দৰ্শক আছো সাধাৰণতে আমি কোনেও কলাবেজ সদনৰ ভিতৰত পৰিধান কৰিব নোৱাৰো কিন্তু অধ্যক্ষ মহোদয় আপোনাৰ নিশ্চয় চকুত পৰিছে আজি সদনত সাংবাদিকৰ গেলাৰীত সাংবাদিক সকলে কলাবেজ পৰিধান কৰি আহিছে। গতিকে এই সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা বিবৃতি আজি সদনত আবেলি দিব লাগে কি কাৰণত সাংবাদিক সকলে কলাবেজ পৰিধান কৰিছে। সাংবাদিক সকলৰ যদি প্ৰিভিলেজ দিয়া হয় ইয়াৰ পিচত সকলোয়েই কলাবেজ পৰিধান কৰি আহিব। গতিকে তেখেত সকলৰ নিশ্চয় কিবা এটা ক্ষোভ আছে, সেই ক্ষোভ লৈয়েই তেখেত সকলে এটা ধাৰণাৰ পথ লৈছে, গতিকে এই বিষয়টো বিবেচনা কৰি কি হৈছে সেই সম্পৰ্কত এটা বিবৃতি ডাঙি ধৰিব লাগে।

মাননীয় অধ্যক্ষ: তেখেত সকলে দৰ্খাস্ত এখন এই মৰ্মে দিলে সেইটো চাব পৰা হ'ব।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী: সদনৰ ভিতৰতে যেতিয়া তেখেত সকলে কলাবেজ পৰিধান কৰি বহি আছে তেনে ক্ষেত্ৰত দৰ্খাস্ত দিয়াৰ কথা নাহে।

* Speech not corrected.

গতিকে এই ৰিষয়ত এটা ৰিবৃতি দিব লাগে।

* শ্ৰীৰমেন কলিতা : সদনত এটা বিবৃতি দিব লাগে। (সদনত হুলস্থূল পৰিবেশ সৃষ্টি হয়)

মাননীয় অধ্যক্ষ : বিধান সভাত কিছুমান নিয়ম আছে, এটা হৈছে অধ্যক্ষ থিয় হলে মাননীয় সদস্য সকলে ৰহিব লাগে। সদনৰ চৌহদত যি কোনো বিষয়লৈ কোনো ধৰণৰ ষ্ট্ৰাইক বা অন্যান্য প্ৰোগ্ৰেম ললে অধ্যক্ষক জনাব লাগে।

* শ্ৰীজয়নাথ শৰ্মা : তেখেত সকলৰ যেতিয়া এটা ক্ষোভ আছে সেইটো সদনত ক্লিয়াৰ কৰি মুখ্যমন্ত্ৰীয়ে কিয় এটা ৰিবৃতি দিব নোৱাৰে, দিলে কি লোকচান হয়।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মোৰ পিচফালেদি কি কৰিছে মই নাজানো আৰু এই সম্পৰ্কত মোক কোনো নটিচো দিয়া হোৱা নাই, মই একো নাজানো।

শ্ৰীজয়নাথ শৰ্মা : মুখ্যমন্ত্ৰী যিহেতু লিডাৰ অব দি হাউচ, তেখেত সকলে ক'লাৰেজ পিন্ধি যিটো ক্ষোভ প্ৰকাশ কৰিছে সেইটো বুজ লৈ সদনত এটা বিবৃতি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে এটা উত্তৰ দিয়াত কি আপত্তি থাকিব পাৰে আজি সাংবাদিক সকলে কি কাৰণে ট্ৰাইক কৰিছে তাৰ উত্তৰ চৰকাৰৰ হাতত নাই নেকি। মুখ্যমন্ত্ৰী সম্পৰ্কত আজি এখন কাকতত ৰাতৰি ওলাইছে যে মুখ্যমন্ত্ৰীৰ উত্তৰ প্ৰকৃততে সঁচা নহয়। আজি মুখ্যমন্ত্ৰীৰ হাতত খবৰ নাইনেকি যে কি কাৰণে সাংবাদিক সকলে আজি ক্ষোভ প্ৰকাশ কৰিছে। এই কথাটো সদনত জনোৱাত কি আপত্তি থাকিব পাৰে ? আজি সাংবাদিক সকলে ক'লা-বেজ পিন্ধি ক্ষোভ প্ৰকাশ কৰিছে। তাৰ উত্তৰ চৰকাৰৰ হাতত নাইনেকি ?

গণ্ডগোল কেইৰাজনো সদস্যই একেলগে কৰলৈ ধৰে—

মাননীয় অধ্যক্ষ : শ্ৰীপাটোৱাৰী আপুনি এগৰাকী চিনিয়ৰ বিধায়ক, আপুনি সদনৰ নিয়ম জানে, আপুনি ৰহক, মোক কবলৈ দিয়ক। এতিয়া কথাটো হৈছে মই জনাত আজি অসমৰ সাংবাদিক সকলে ক'লাৰেজ পৰিধান কৰি অসম জুৰি ক্ষোভ প্ৰকাশ কৰিছে। তেওঁলোকে কি কাৰণে এনে ক্ষোভ প্ৰকাশ কৰিছে

* Speech not corrected.

সেই বিষয়ে কোনো অনুষ্ঠানৰ জৰিয়তে মুখ্যমন্ত্ৰীক জনোৱা নাই আৰু এই সদনকো জনোৱা নাই আৰু অনুমতিও লোৱা নাই। অফিচাৰ্চ গেলেৰী বা প্ৰেছ গেলাৰী লৈ আমি চাব নেলাগে।

* শ্ৰীজয়নাথ শৰ্মা: আমি চকুমুদি থাকিম নেকি, অধ্যক্ষ মহোদয়?

মাননীয় অধ্যক্ষ: Please let me conduct the Business of the House.

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী: মাননীয় অধ্যক্ষ মহোদয়, (সদনত গণ্ডগোল)— শ্ৰীবসুমতাৰী বহিল।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: মাননীয় অধ্যক্ষ মহোদয়, আমাক পইণ্ট অৰ ৰুলিং দিয়ক। সাংবাদিক সকলৰ কথাখিনি আমি জানিব লাগে। অধ্যক্ষ মহোদয়, আপুনি নিজে এখন বাতৰি কাকতৰ সম্পাদক। আপুনিও তেওঁলোকব কথা বুজিব লাগে। মুখ্যমন্ত্ৰীয়ে সাংবাদিক সকলৰ বিষয়ে একো নকলে তেওঁলোকে বেয়া পাব।

## GENERAL DISCUSSION ON THE BUDGET

(at 11-15 A. M. Honourable Speaker vacated the Chair and the Chairman Shri Kosheswar Barua occupied it)

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী: মাননীয় অধ্যক্ষ মহোদয়, মই ২য় বাৰ কবলৈ উঠিছো। মই কৈছো এই বাজেট ভাষণটো আমাৰ কাৰণে গ্ৰহণ যোগ্য নহয়। মুখ্যমন্ত্ৰীৰ বাজেট ভাষণৰ ওপৰত সংশোধনী আনিব বিচাৰিছো। বাননিয়ন্ত্ৰণৰ ওপৰত যিটো ভাষণ ৰাখিছে আমাৰ বাননিয়ন্ত্ৰণ কৰিবৰ কাৰণে অসম চৰকাৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীক লৈ এখন বোৰ্ড গঠন কৰিছে— কিন্তু বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোনো সমাধান চৰকাৰে উলিয়াব পৰা নাই। ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ উপৰিও অসমত আৰু বহুতো সৰু সৰু খৰস্ৰোতা নদী আছে। এই নদীবোৰ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে চৰকাৰে সুকীয়া বোৰ্ড গঠন কৰিব লাগে।

* Speech not corrected.

ধনশিৰি নদী ভৈৰৱকুণ্ডৰ পৰা ওলাই অহা এখন খৰস্ৰোতা নদী। ই বহুতো ধাননি পথাৰ, ঘৰ-দুৱাৰ মাটি আদি খহাই নি জনসাধাৰণৰ বহুতো ক্ষতি কৰিছে। শোৱনশিৰি, পগলাদিয়', কালদিয়া আদি সৰু সৰু নদী আছে যিবোৰৰ কাৰণে বাননিয়ন্ত্ৰণৰ বাবে সুকীয়া ব্যৱস্থা লোৱাৰ প্ৰয়োজন আছে। দ্বিতীয়তে চৰকাৰে জলসিঞ্চনৰ জৰিয়তে খেতিৰ মাটিৰ পানীৰ সমস্যাও দ্ৰুত ভাবে সমাধান কৰিব পৰা নাই। আজি ধনশিৰি ইৰিগেচন প্ৰজেক্ট আৰম্ভ হোৱা বহুত বছৰ হৈ গ'ল। ই ওডালগুৰি মহকুমাৰ ট্ৰাইবেল আৰু এচ, চি এৰিয়াৰ মাজত অৱস্থিত। কিন্তু এই প্ৰজেক্টটো আজিও সম্পূৰ্ণ হৈ নুঠিল। এই মানুহখিনিয়ে ট্ৰেডিচনেল উপায়েৰে খেতিত পানী যোগানৰ ব্যৱস্থা কৰিছিল যদিও এতিয়া পানীয়ে সেইবোৰ খলাই নিয়াতে অসুবিধা হৈছে। চৰকাৰে যি খিনি কৰিব লগা কাম বাকী আছে সেইবোৰৰ বিষয়ে বাজেট ভাষণত উল্লেখ কৰিব লাগে।

অধ্যক্ষ মহোদয়, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা চৰকাৰে যি দুই টকীয়া কিলোৰ চাউল যোগান ধৰিছো বুলি কৈ আছে সেই চাউল মোৰ সমষ্টিত দিয়া বুলি মোৰ দৃষ্টি গোচৰ এতিয়াও হোৱা নাই। মোৰ পানেৰী সমষ্টিত দুটকীয়া চাউল এতিয়াও বিতৰণ হোৱা নাই। চৰকাৰে এই ক্ষেত্ৰত পক্ষপাত কৰাটো অতি দুৰ্ভাগ্যজনক। এই বিতৰণ নিউট্ৰেল হব লাগে।

অধ্যক্ষ মহোদয়, চৰকাৰৰ প্ৰতি সমষ্টিতে দুটাকৈ ব্লক সৃষ্টি কৰাৰ কথাটো ভাল হৈছে এইটো আগৰ চৰকাৰৰ সিদ্ধান্ত। মোৰ সমষ্টিৰ ভেৰগাওঁত এ, জি, পি চৰকাৰৰ দিনত এটা নতুন ব্লক সৃষ্টি কৰা হৈছিল। কিন্তু ই এতিয়ালৈকে সম্পূৰ্ণ ভাবে কাৰ্যকৰী হোৱা নাই। ঘৰ-দুৱাৰ হৈছে, উন্নয়ন খণ্ড বিষয়া দিয়া হৈছে কিন্তু তেওঁৰ ষ্টাফ নাই— গতিকে তাত একো কাম হোৱা নাই। মোৰ সমষ্টিৰ ডিমাকুছিত আৰু এটা ব্লক পাতিব লাগে। অসমৰ প্ৰত্যেক সমষ্টিত দুটাকৈ ব্লক স্থাপনৰ যি চৰকাৰী সিদ্ধান্ত সি সোনকালে কাৰ্য্যকৰী কৰিব লাগে। স্বাস্থ্যৰ বিষয়ত মই কব খোজো যে আমাৰ যিবোৰ ৩০ খন বিচনা যুক্ত হস্পিতেল আছে সেইবোৰ ৫০ খন বিচনাযুক্ত হস্পিটেললৈ উন্নীত কৰিব লাগে। (সময় সংকেত)। অধ্যক্ষ মহোদয়, অকনমান সময় লৈছো। এই চৰকাৰে ৫০০ খন এম, ই স্কুল প্ৰাদেশিকৰণ কৰিলে। কিন্তু হৰিশিঙাত থকা স্কুল এখনত অসমীয়া আৰু বড়ো দুয়োটা মাধ্যম আছিল। তাত কিন্তু কেৱল অসমীয়া মাধ্যমকহে লোৱা হল। বড়ো মাধ্যমৰ শিক্ষকৰ পদ নগল। মই কিছুদিনৰ আগতে শিক্ষা

ৰাজ্য মন্ত্ৰীক এখন হাইস্কুললৈ নিমন্ত্ৰণ কৰিছিলো, তেখেত যাম বুলিও কথা দিছিল, সকলো যা-যোগাৰ কৰা হৈছিল। কিন্তু মুৰকত তেখেত নগল ১২ ঘণ্টা আগতে তেখেতে টেলিগ্ৰাম দি যাব নোৱাৰাৰ বিষয়ে জনাই দিলে মোক। মই নিজে তেখেতৰ অফিচত লগ কৰি তাৰিখ লৈ গৈছিলো, তেখেতে যাম বুলিও কৈছিল কিন্তু নগল এইটো বেয়া কথা। ৰাইজে বেয়া পাইছে। মই তেখেতক এটা গড়কাপ্তানী ৰাস্তা দেখুৱাব কথাও আছিল, ৰাস্তাটো অতি বেয়া অৱস্থান। তেখেতক মতা হৈছিল এখন এম, ই স্কুলক হাইস্কুললৈ উন্নীত কৰণৰ অনুষ্ঠানলৈ। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে প্ৰত্যেক বিধায়ক আৰু মন্ত্ৰীয়ে সমষ্টিলৈ মাহত ১-২ বাৰকৈ যাব লাগে। আৰু এই ক্ষেত্ৰত স্থানীয় বিধায়কৰ লগত যোগাযোগ কৰিব লাগে। (সময় সংকেত)। মন্ত্ৰী সকল কোনো সমষ্টি বা অঞ্চললৈ যোৱাৰ আগতে স্থানীয় বিধায়কৰ লগত যোগা-যোগ কৰিব লাগে। তেওঁ বিৰোধী পক্ষৰ বিধায়কেই হওক বা নিজ দলৰ বিধায়কেই হওক তেওঁৰ লগত যোগাযোগ ৰক্ষা কৰা উচিত বুলি মই ভাবো। (সময় সংকেত)। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

.* শ্ৰীঅঞ্জন দত্ত: মাননীয় চেয়াৰমেন মহোদয়, আমাৰ এইবাৰ ১৯৯২-৯৩ চনৰ বাজেট ভাষণত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই আৰ্থিক, সামাজিক বিকাশৰ ক্ষেত্ৰত সকলো দিশকে সামৰি লৈ এটা সম্পূৰ্ণ গতিশীল বাজেটৰ দাবী কৰা বুলি আমি ভাৱো। এই বাজেটত উল্লেখযোগ্য দিশটো হৈছে নতুন কৰৰ যি ব্যৱস্থা কৰিছে তাৰ পৰা প্ৰায় ৪০ কোটি টকা বৃদ্ধি পাব। সেইদৰে ৭৬ কোটি টকা ৰাহি হব বুলি মই ভাবো। গতিকে এই বাজেট সম্পূৰ্ণ গতিশীল হব বুলি মই ভাৱো। এই বাজেটত বিশেষকৈ গুৰুত্ব দিছে শিক্ষাৰ ওপৰত। আৰু আমি ৰাজ্যপালৰ ভাষণতো অংশ গ্ৰহণ কৰোতে শৈক্ষিক পৰিবেশত গুৰুত্ব আৰোপ কৰাটোহে দেখিছিলো। আজিও এই বাজেটত দেখা গৈছে, শিক্ষাৰ মানদণ্ড গুণগত উন্নতি কৰিবলৈ চেষ্টা কৰা হৈছে। ১৯৯২/৯৩ চনৰ বাজেটত বহুত প্ৰাথমিক আৰু হাইস্কুল প্ৰাদেশিকৰণ কৰা হৈছে। আৰু নতুনকৈ ৪০ হাজাৰ শিক্ষকৰ পদ নতুনকৈ উলিওৱা হৈছে। ইয়াৰ দ্বাৰা দুখীয়া শিক্ষিত নিবনুৱা সমস্যাৰ ক্ষেত্ৰত সমাধানৰ পথত কিছু আগবাঢ়ি যাব। ইয়াৰ উপৰিও মাষ্টাৰ ডিগ্ৰী থকা সকলৰ বাবে কলেজত নতুন শিক্ষকৰ পদ সৃষ্টি কৰি শিক্ষিত নিবনুৱা সমস্যাৰ সমাধান কৰিবলৈ

* Speech not corrected.

চৰকাৰৰ তৰফৰ পৰা চেষ্টা কৰা হৈছে। শিক্ষা ক্ষেত্ৰত আগবঢ়োৱা যি অৱদান আৰু শৈক্ষিক দিশত যি গুৰুত্ব দেখুৱাই ই সঁচাকৈ প্ৰশংসনীয়। ইতিমধ্যে ১২ খন স্কুল ডেফিচিট দিয়া হৈছে। ইয়াৰ ওপৰিও স্কুলসমূহত যিমানখিনি পৰা যায় সকলো ধৰণৰ সা-সুবিধা দিয়া হৈছে। ডিচট্ৰিক্ট এলিমেণ্টৰী বোৰ্ডৰ শিক্ষক বাচনি ক্ষেত্ৰত অৰ্হতাৰ যোগ্যতা অনুসৰি যি ব্যৱস্থা লোৱা হৈছে সি অতি প্ৰশংসনীয়। কিন্তু আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে এই ক্ষেত্ৰত কিছু আপত্তি কৰা দেখা গৈছে। তেখেত সকলে হয়তো ভাবিছে যে এই সুবিধাটো তেওঁলোকে নাপালে। তেওঁলোকে আমোৱাহ আনিছে যে শিক্ষক বাচনিৰ ক্ষেত্ৰত টকা পইচা লোৱাৰ কিছু খেলি মেলি হৈছে। কিন্তু মই জনাত এজন বিধায়কৰ ওচৰলৈ টকা লৈ বাচনি পোৱাৰ বাবে যোৱাত তেওঁ টকাটো নোলোৱাত এইদৰে আক্ষেপ কৰে যে আগৰ বিধায়ক সকলে এইদৰে ললেহেঁতেন। (সদনত কিছু গুন গুণনিৰ ৰোল উঠে) ইয়াৰ ওপৰিও শিক্ষাৰ মানদণ্ড বঢ়োৱাৰ অৰ্থে অংকৰ শিক্ষকৰ পদ বেচিকৈ সৃষ্টি কৰাটো সঁচাকে প্ৰশংসনীয়। এই দৰে দেখা যায় চৰকাৰে অন্যান্য ক্ষেত্ৰতো যথেষ্ট প্ৰশংসামূলক কাম হাতত লৈছে। কৰ্মচাৰী সকলক যি মৰগীয়া বানচ দিয়াৰ কথা উঠিছিল সেই বিলাকো দিছে। চলিত বছৰত সকলো চৰকাৰী চাকৰিয়ালৰ বাবে মৰগীয়া বানচৰ দুটা কিস্তি মুকলি কৰি দিয়া হৈছে। পেঞ্চনভোগী সকলোলৈকো এটা সুবিধা দিয়া হৈছে। প্ৰথম কিস্তিত খৰচৰ পৰিমাণ হৈছে ৮৪ কোটি টকা আৰু দ্বিতীয় কিস্তিৰ ধনৰ পৰিমাণ হব ৪৮ কোটি টকা। তাৰ ওপৰিও কৰ্মচাৰী সকলৰ চিকিৎসা ভাট্টা ২০০ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ বাবে ২০ কোটি টকা আগবঢোৱা হৈছে। ইয়াৰ উপৰিও এটা এককালীন সাহায্য এটা কৰ্মচাৰীসকলৰ বাবে মঞ্জুৰ কৰা হৈছে বুলি বাজেটত জনোৱা হৈছে। আৰু এখন অহা বছৰৰ আগতে আদায় দিয়া হব বুলি জনোৱা হৈছে। তাৰোপৰি নতুন কৰৰ যোগেদি ৪০ কোটিৰ অধিক টকা ৰাজ ভৰালৈ অনাৰ ব্যৱস্থা কৰিছে। কিন্তু এইখিনিতে এটা কথা মই আগ বঢ়াব বিছাৰো যে ধানৰ ওপৰত আৰু চাউলৰ ওপৰত যি শতকৰা ২ টকাকৈ কৰ লগোৱা হৈছে অৱশ্যে তাৰ ওপৰত লগোৱা কৰটো উঠাই দিয়া হৈছে। কিন্তু চাউলৰ ওপৰত শতকৰা ২ কৈ কৰ লগোৱা হৈছে। এই কৰ সাধাৰণ চাউলৰ ওপৰত নলগাই জহা বা বাচমতি আদিত হে লগাব লাগে। ধনী মানুহে ব্যৱহাৰ

কৰা চাউলৰ ওপৰত কৰ তাতোকৈ বেচিকৈ লগোৱাত মোৰ কোনো আপত্তি নাই। কিন্তু সৰ্বসাধাৰন মানুহে ব্যৱহাৰ কৰা চাউলৰ ওপৰত লগোৱা কৰ ৰেহাই দিব লাগে। অথবা ৰেহাই দিয়া উচিত বুলি মই ভাবো। এই কৰ ৰেহাই দি অন্যান্য সা-সামগ্ৰী ওপৰত লগোৱা কৰ আৰু জহা/বাচমতী চাউলৰ কৰ বঢ়াই দিলে অধিক কৰ সংগ্ৰহ হয়।

Mr. Speaker : It is now 11.30 Honourable Member Shri Anjan Dutta will resume his speech on monday the 23rd March, 1992. The House stands adjourned till 9 a.m. on 23rd March, 1992.

## ADJOURNMENT

The House then stood adjourned at 11-30 A. M. till 9 A. M. on Monday the 23rd March, 1992.

Dispur
The 20th march, 1992

S. N. Deka
Secretary
Assam Legislative Assembly.

# ANNEXURE I

## EXTRECT TAKEN FROM THE MANUAL FOR IRDP AND ALLIED PROGRAMMES OF TRYSEM AND DWCRA................

From Department of Rural Development,
Ministry of Agriculture,
Government of India,
New Delhi, April/1991.

### 4.3. DISTRICT LEVE L

The programme is implemented through District Rural Development Agencies (DRDAs) at the District leval. These Agencies are registered societies under the registration of societies Act. They are generally hearded by the Collector/Deputy Commissioner/Sabhapati of Zila Parishad depending upon the practices prevailling in the State.

### 4.4. COMPOSITION OF DRDAs :

The DRDAs have Governing Bodies. The Constitution of Governing Booadly, would be as under :

Chairman

(1) Collector

Members

(2) All Mps and MLAs of the District.

(3) Head of the Central Co-operative Bank.

(4) Chairman Regional Rural Bank.

(5) Chairman of Zila Parishad or his representative.

(6) Lead Bank Officer.

(7) NABARD representative at District Level.

(8) General Manager, DIC.

(9) Representative KVIB.

(10) District Officer in Charge of Family Welfare programme.

(11) District Employment Officer.

(12) Project Officer, ITDP.

(13) Regional/District Officer, Scheduled Caste Finance Corporation.

(14) APO (Women's Development).

(15) One Woman Worker/Organiser with actual experience of organising rural poor.

(16) Representative of District Milk Union.

(17) Two Representative of the weaker section, one of whom may be drawn from SCs and STs. These representative may be the beneficiaries of the programmes.

(18) One representative of rural women, preferably a beneficiariss.

MEMBER SECRETARY

(19) Project Officer/Director, DRDA.

The Chairman / President of the DRDA is empowered to form an Executive Committee to assist the DRDA. The Executive Committee can consist of all the District Level Officers and any of the programme. The Governing Body of the DRDA should meet once a quarter and the executive committee once a month.

4.5 : FUNCTIONS OF THE DRDAs :

The DRDAS are the over all in-charge of the planning, implementation monitoring and evaluation of the programme in the District. The main functions of the DRDAs are :

(a) To keep the District and Block level Agencies informed of the basis parameters and requirements of the programme and the tasks to be performed by all these agencies.

(b) To co-ordinate and oversee the surveys preparation of perspective plans and Annual plan of the blocks and finally prepare a District Plan:

(c) To monitor and evaluate the programme implementation by Government and non-Governmental agencies to ensure its effective co-operation.

(d) To give publicity to the achievements made under the programme and disseminate knowledge and build up awareness about the programme.

(e) To secure inter-sectoral and interdepartmental co-ordination and co-operation.

(f) To send periodical returns to the State Government in the prescribed formats.

## তালিকা নং ১ (নিযুক্তি কৰণৰ তালিকা)

| পদ | সংখ্যা | আচুতীয়াকৈ সংৰক্ষিত ভৈয়াম জনজাতি | পাৰ্বত্য জন-জাতি | অনুসূচীত জাতি |
|---|---|---|---|---|
| ১। ব্যৱসায় বিষয়া | ২ টা | ১ | — | — |
| ২। নিম্নবৰ্গ সহায়ক তথা মুদ্ৰা লিখক (মুখ্যকাৰ্য্যালয়) | ৯ টা | ৩ | ১ | ২ |
| ৩। নিম্ন বৰ্গ সহায়ক তথা মুদ্ৰা লিখক (জিলা পৰ্য্যায়) | ২ টা | ১ | ১ | — |
| ৪। গানিক সহায়ক | ১ টা | — | — | ১ |
| ৫। লোক পাল | ১ টা | ১ | — | — |
| ৬। সহকাৰী পৰিচালক | ১ টা | ১ | — | — |
| ৭। দাইং মাষ্টাৰ | ১ টা | ১ | — | — |
| ৮। টেইলৰ মাষ্টাৰ | ১ টা | ১ | — | — |
| ৯। তদাৰক (পিচিপি আই) | ২ টা | ১ | — | — |
| ১০। কনিষ্ঠ হিচাব পৰীক্ষক | ১ টা | ১ | — | — |
| ১১। পৰিচালক(খান্দচাৰী মিল) | ১ টা | ১ | — | — |
| ১২। পৰিচালক সৰমজাম | ১ টা | ১ | — | — |
| ১৩। আশুলিপিকা | ২ টা | ১ | — | ১ |
| ১৪। কনিষ্ঠ মৌ প্ৰদৰ্শক | ২ টা | ১ | — | ১ |
| | ২৭ টা | ১৫ | ২ | ৫ |

## পদোন্নতিৰ তালিকা

| | | | | |
|---|---|---|---|---|
| ১। মেনেজাৰ 'এ' | ২ টা | ১ | ১ | — |
| ২। মেনেজাৰ ঘানী | ১ টা | ১ | — | — |
| ৩। মৌ পদৰ্শক | ১ টা | ১ | — | — |
| ৪। অম্বৰ মিস্ত্ৰী | ১ টা | ১ | — | — |
| ৫। সংগঠক | ১ টা | — | ১ | — |
| ৬। তদাৰক (খাদী) | ২ টা | ১ | ১ | — |

| | | | | | |
|---|---|---|---|---|---|
| ৭। | সহঃ পৰিদৰ্শক (গুড় খান্দচাৰী) | ১ টা | ১ | — | — |
| ৮। | জিলা বিষয়া | ৩ টা | ১ | ১ | ১ |
| ৯। | জেষ্ঠ মুদ্ৰা লিখক | ১ টা | ১ | — | — |
| ১০। | সহঃ সংগঠক | ১ টা | — | ১ | — |
| ১১। | মেনেজাৰ 'বি' | ১ টা | ১ | — | — |
| ১২। | বিক্ৰীদাৰ | ১ টা | ১ | — | — |
| ১৩। | জ্যেষ্ঠ গাননিক | ২ টা | ১ | — | — |
| ১৪। | উন্নয়ন বিষয়া | ১ টা | ১ | — | — |
| ১৫। | কাৰ্য্যপালিকা বিষয়া | ২ টা | — | ১ | ১ |
| | | ২১ টা | ১২ | ৬ | ৩ |

## ANNEXURE—III

### ACTUAL DATE SINCE WHEN VACANCY ARISED ARE SHOWN BELOW :

| Sr. M & H. O. | No. of post vacant | Since when vacant |
|---|---|---|
| 1. Superintendent, Hamren C/H | 1 | 29-9-92 (last one month) |
| 2. Health Education officer | 1 | 15-1-92 |
| 3. Public Health, Diphu | 1 | 15-12-91 |
| 4. Epidemic duty, Diphu | 1 | 15-12-91 |
| 5. Hamren Civil Hospital | 4 | 1-1-90 |
| 6. Hamren Health Education | 1 | 1-1-90 |
| 7. 30 bedded Rural Hospital Bokajan | 1 | 1-9-91 |

| | | |
|---|---|---|
| 8. 30 bedded Rural Hospital Donkamokam | 1 | 1-1-90 |
| 9. Baithalangshu PHC | 1 | 6-9-91 |
| 10. Chowkihola PHC | 1 | 1-1-90 |
| 11. Dhansiri PHC | 1 | 1-1-90 |
| 12. Umpanai PHC | 1 | 1-1-90 |
| 13. Zirikinding | 1 | 1-1-90 |
| | Total – 16 | |

M & H. O.-I

| | | |
|---|---|---|
| 14. Diphu Civil Hospital | 14 | 3-10-91 |
| 15. Hamren C/H | 1 | 1-1.90 |
| 16. Howraghat PHC | 1 | to be ascertained |
| 17. Bokajan 30 bedded Rural Hospital | 1 | 12-12-91 |
| 18. Donkamokom PHC | 2 | 12-12-91 |
| 19. Howaipur SHC | 1 | 17-3-91 |
| 20. Deiher State Dispensary | 1 | 6-6-91 |
| 21. Kalanga -do- | 1 | 5-9-91 |
| 22, Bargaon -do- | 1 | 5-5-91 |
| 23. Malasipathar Leprosy Control Unit | 2 | 5-5-91 |
| 24. Dillai State Dispensary | 1 | 12-9-91 |
| | Total 26 | |

| | | |
|---|---|---|
| 1, Jt. Director | 1 | 1-3-92 |
| 2. Addl. C. M & H. O | 1 | Jan, 1992 |